# নগাওঁ ছোৱালী মহাবিদ্যালয় আলোচনী

১৯৭০—৭১

৭০—৭১



# নগাঁও ছোৱালী মহাবিদ্যালয়
# আলোচনী

দ্বাদশ প্ৰকাশ : দ্বাদশ সংখ্যা

॥ ১৯৯০-৯১ চন ॥

প্ৰতি ......................................................................

......................................................................

আলোচনী সম্পাদিকা

তত্ত্বাৱধায়ক :
অধ্যাপক শ্ৰীকৃষ্ণ বৰা

সম্পাদিকা :
কৰবী ফুকন

NOWGONG GIRLS' COLLEGE MAGAZINE : A collection of Essays, Poems, Short-stories etc. Published by B. Bora, Principal, Nowgong Girls' College, Edited by Miss K, Phookan. Printed at SUCHANDA PRESS, B. M. Road, Nagaon-782001,

---

*সম্পাদনা সমিতি :*

অধ্যক্ষ শ্ৰীবিমল কুমাৰ বৰা
উপাধ্যক্ষ শ্ৰীমতী ''তক বৰুৱা
অধ্যাপক শ্ৰীকৃষ্ণ বৰা (তত্ত্বাৱধায়ক)
" শ্ৰীমহেন্দ্ৰ নাথ শইকীয়া
" শ্ৰীতিলক চন্দ্ৰ মজুমদাৰ
" শ্ৰীঅপূৰ্ব শৰ্মা
" শ্ৰীগুণধৰ গগৈ
" শ্ৰীপ্ৰভাত বৰা
" শ্ৰীগৌতম কুমাৰ গোস্বামী
" শ্ৰীমতী স্বপ্না নেওগ
শ্ৰীসাৰদা বৰা (সাঃ সম্পাদিকা)
শ্ৰীকৰবী ফুকন (আলোচনী সম্পাদিকা)

বেটুপাত শিল্পী : শ্ৰীকনু দাস

ছপাশাল : **সুছন্দা প্ৰেছ,**
বীৰেণ মহন্ত পথ, আমোলাপট্টি
নগাঁও—৭৮২০০১

উছৰ্গা ঃ

*যিসকলে*
*জাতি তথা দেশৰ স্বাৰ্থৰ হকে*
*জীৱন আহুতি দিলে*
*সেই সকলৰ পবিত্ৰ সোঁৱৰণত*

*আৰু*
*যিসকলে শিৰৰ সেন্দুৰ,*
*বুকুৰ সন্তান হেৰুৱালে*
*আৰু*
*আজীৱন পঙ্গুত্বক আদৰি ললে—*
*সেইসকললৈ শ্ৰদ্ধাৰে—*

# শুভ-আশিস

নগাওঁ ছোৱালী কলেজৰ ছাত্ৰীসকলৰ উদ্যোগত ১৯৯০-৯১ চনৰ বাবে আলোচনী এখন প্ৰকাশ হ'ব বুলি শুনি বৰ আনন্দ পালোঁ।

দেশ সেৱাৰ উত্তম পথ সাহিত্য-সংস্কৃতিৰ পথ। এই পথেদি আমাৰ নতুন চাম লোকে আগবঢ়া দেখিলে বৰ আনন্দ পাওঁ। সকলোতে অনুশীলন লাগে। সাহিত্য-সংস্কৃতিৰ দিশতো। সেয়ে ছাত্ৰীসকলক লিখাৰ অনুশীলন কৰিবলৈ অনুৰোধ জনালোঁ। এই আলোচনীত ন-ন লেখিকাৰ লিখা পঢ়িবলৈ আগ্ৰহেৰে বাট চাই ৰলোঁ।

আলোচনীখনে যাতে সকলো দিশতে সাফল্য লাভ কৰে তাকেই কামনা কৰিলোঁ। ইতি

আমবাৰী
গুৱাহাটী
১২।২।৯২

তোমালোকৰ শুভাকাঙ্খী
শ্ৰীলক্ষ্যধৰ চৌধুৰী
সভাপতি, অসম সাহিত্য সভা।

# সূচী


● তত্ত্বাৱধায়কৰ একেষাৰ : (ক)

● সম্পাদকীয় : (ঙ)

**প্ৰবন্ধ :**

বেজবৰুৱাৰ হাস্যৰসৰ আঁৰৰ মানুহজন :
অধ্যাপিকা হিমাদ্ৰি দেৱী /১

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ অৱদান :
মধুস্মিতা শইকীয়া /৮

বনফুলৰ কবি যতীন্দ্ৰনাথ দুৱৰা :
ৰূপলেখা ভূঞা /১১

বিষ্ণুপ্ৰসাদ ৰাভা : অঞ্জু বৰা /১৫

বিশ্ব ইতিহাসৰ বুকুত মাদাৰ টেৰেছা :
জুন্টু বৰা /১৯

নাট্যকাৰ শেক্সপিয়েৰৰ……এটি কাহিনী :
কবিতা বৰা /২১

শৈক্ষিক পৰিবেশ নষ্ট হোৱাৰ হেতু :
দীপামণি বৰা /২৪

**গল্প :**

প্ৰত্যাৱৰ্ত্তন : দীপ্তি বৰা /২৭

অনুভৱ : অঞ্জলি কলিতা ৩২

ভদ্ৰ সমাজ আৰু চৰিত্ৰহীনাৰ মৃতদেহ :
মালবিকা বৰুৱা /৩৪

অভিমান : ডুলমণি ভূঞা /৩৮

প্ৰতিদান : জুৰিমণি গোস্বামী /৪৩

হৃদয়ত লো : বিভা গোহাঁই /৪৫

**চিন্তা : সম্ভাৱনা :**

পৃথিৱীৰ ধ্বংস উপস্থিত নেকি ? অশ্ৰুমণি বৰা /৪৬

**কবিতা :**

কবিতা : বহা বহা পংক্তি /৪৮

উপপথ : মালামণি বৰা /৪৯

প্ৰতিশ্ৰুতি : কমী বৰুৱা /৫০

জুই ফুলাৰ বতৰ : ডুলমণি ভূঞা /৫১

এয়া যেন এক বধ্য ভূমি : বঞ্জু বৰা /৫১

বন্ধুত্বৰ উপহাৰ : বিভা ভৰালী /৫২

একে আইৰে সন্তান : পাৰবীন চুলতানা /৫৩

অনুভূতি : সঙ্গীতা ৰাজখোৱা /৫৪

মানুহ চিনাৰ আশাৰে : মালবিকা বৰুৱা /৫৫

বিদ্ৰোহী সত্তা : অশ্ৰুমণি বৰা /৫৬

হলো চোলা : কৰবী ফুকন /৫৭

মৰীচিকা : জুন্টু বৰা /৫৮

আহ্বাহন (১) আন্ধাৰৰ সৈতে মুখামুখি (২) :
দীপ্তি বৰা /৫৯

সচাঁ কবিতা : পূৰবী শইকীয়া /৬০

কবিতাৰ চিঠি : সাৰদা বৰা /৬১

To My Love : Jaya Prabha Bodo/63

Cruel : Rinku Taran/64

॥ সাঃ সম্পাদিকা আদিৰ প্ৰতিবেদনসমূহ ॥ ৬৫ ॥


## তত্ত্বাৱধায়কৰ একেষাৰ :

নগাঁও ছোৱালী কলেজ আলোচনীৰ ১৯৯০-৯১ চনৰ বছৰেকীয়া সংখ্যাটো প্ৰকাশ কৰা হ'ল। এই সংখ্যাটো প্ৰকাশৰ ক্ষেত্ৰত কলেজৰ ছাত্ৰীসকলে সময়মতে লেখনিৰ যোগান ধৰি আলোচনী সম্পাদিকাক যিদৰে সহায় কৰিব লাগিছিল, তেনে সহায় মুঠেই আগবঢ়াব নোৱাৰিলে। সম্পাদিকাই যিখিনি লেখনি সংগ্ৰহ কৰি সম্পাদনা সমিতিৰ হাতত দিলে, সেইখিনিও অতি নিম্নমানৰ। তথাপি 'মঙ্খাভাৱে গুড়ং দত্তা' কৰি তাৰেই আলোচনীখন প্ৰকাশ কৰি উলিওৱা হ'ল। ছাত্ৰীসকলৰ লেখনিসমূহ মৌলিক হ'ব লাগে অৰ্থাৎ অধ্যয়নপুষ্ট হৈ নিজাকৈ লিখিবলৈ শিকিব লাগে। আনৰ লেখনিৰ পৰা বা গ্ৰন্থাদিৰ পৰা কিবা কথা গ্ৰহণ কৰিব লাগিলে—সেইকথা লেখনিৰ মাজত বা শেষত নিৰ্ভীকভাৱে উল্লেখ থাকিব লাগে। ছাত্ৰীসকলৰ নকল লেখনি সম্পাদনা সমিতিৰ সদস্যসকলে ধৰা পেলোৱাটো সম্ভৱ নহয়, কাৰণ বৰ্ত্তমান সময়ত অগণন লেখনি অলেখ আলোচনী পত্ৰিকাত প্ৰতিদিনে প্ৰকাশ পাই থাকে। সেই বাবে নকল লেখনিৰ দায়িত্ব লেখিকা ছাত্ৰীসকলেই ল'ব লাগিব। লাজ আৰু শাস্তি তেওঁলোকৰহে প্ৰাপ্য হ'ব।

ছাত্ৰীসকলে মনত ৰখা ভাল যে স্কুল-কলেজত মূল পাঠ্যক্ৰমৰ লগতে সহপাঠ্যক্ৰম বা বহিঃপাঠ্যক্ৰমৰ বিষয় স্বৰূপে আলোচনী-বাতৰি কাকত পঠন, নিজ নিজ স্কুল-কলেজৰ পৰা আলোচনীৰ প্ৰকাশ, তৰ্ক-সভা, সঙ্গীত-চৰ্চ্চা, নাট্য সমাজ, খেল-ধেমালি, স্কাউট-গাইড, এন, চি, চি, প্ৰাথমিক সাহায্য প্ৰশিক্ষণ, বাগিচাৰ কাম আদি অনেক বিষয় অন্তৰ্ভুক্ত কৰা হৈছে। ইয়াৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীয়ে নিজৰ অভিৰুচি, অভিক্ষমতা, সামৰ্থ্যৰ বিকাশ ঘটোৱাত যথেষ্ট সহায় পায়। এই বিষয়সমূহে ছাত্ৰ-ছাত্ৰীক আত্মনিৰ্ভৰশীল আৰু আত্মানুশাসনৰ ভাৱ গঢ়ি উঠাত সহায় কৰে। তদুপৰি শ্ৰমৰ মৰ্য্যাদাবোধ, নেতৃত্বৰ প্ৰশিক্ষণ আৰু কাৰ্য্যকৰী জীৱন-যাপনৰ শিক্ষা লাভ কৰি ছাত্ৰ-ছাত্ৰীয়ে চৰিত্ৰ গঠনত বিস্তৰ সহায় পায়। স্কুল-কলেজৰ বাহিৰেও ছাত্ৰ-ছাত্ৰীয়ে নিজৰ জীৱনটোক গঢ় দিবৰ বাবে শিক্ষা লাভ কৰিবলৈ অনেক অনুষ্ঠান আছে। সেইবোৰৰ ভিতৰত নিজৰ ঘৰ-খন, পৰিয়ালটো, বিভিন্ন ধৰ্ম্মানুষ্ঠান, পুথিভঁৰাল, আলোচনী, বাতৰি-কাকত, ৰেডিঅ', কথাছবি, দূৰদৰ্শন, সংগ্ৰহালয়, চিত্ৰশালা, সাংস্কৃতিক-শিক্ষাকেন্দ্ৰ, মহিলাৰ কাৰণে মহিলা অনুষ্ঠান আৰু শিল্পকেন্দ্ৰ, শিক্ষামূলক প্ৰদৰ্শনী, আলোচনা-চক্ৰ আদি অনেক অনুষ্ঠান আছে। এই সন্দৰ্ভত কথাছবি আৰু দূৰদৰ্শনৰ প্ৰভাৱ সম্পৰ্কে সামান্যভাৱে উল্লেখ কৰিব খুজিছোঁ।

বৰ্ত্তমান কুৰি শতিকাত জন-শিক্ষা আৰু জন সংযোগৰ বিশেষ মাধ্যম হিচাপে কথা-

ছবিয়ে অশেষ জনপ্ৰিয়তা লাভ কৰিছে। ইয়াত চিত্ৰ আৰু অভিনয় এই দুয়োটা শিক্ষাৰ প্ৰধান মাধ্যমেই আছে। জনসাধাৰণে তেওঁলোকৰ ব্যস্ত জীৱনত অৱসৰ বিনোদনৰ বাবেই কথা-ছবি চাই আনন্দ পায়। কথাছবিয়ে মানুহক ভাল আৰু বেয়া এই দুয়ো প্ৰকাৰ শিক্ষাকে দিয়ে। মনোৰঞ্জন দিয়াৰ লগতে কথাছবি শিক্ষামূলক হোৱাটো বাঞ্ছনীয়। কিন্তু ব্যৱসায়িক লাভৰ বাবে নিৰ্মিত কথাছবিৰ পৰা এইটো আশা কৰা টান। কথাছবিয়ে সমাজৰ চিন্তাধাৰাক গঢ়ি তোলে। কিছুমান তথ্য-চিত্ৰ আৰু শিক্ষামূলক কথাছবি সমাজৰ উপযুক্ত আদৰ্শৰ পাথেয় হয়। এই নিমিত্তেই বৰ্ত্তমান আধুনিক যুগত বিশ্বৰ বিভিন্ন দেশৰ ল'ৰা-ছোৱালীৰ বাবে উপযোগী কথাছবিৰ নিৰ্মাণ আৰম্ভ হৈছে। স্কুলতো প্ৰজেক্টৰ দ্বাৰা পাঠ্যপুথিৰ বিভিন্ন বিষয়ৰ চিত্ৰ প্ৰতিফলন কৰি শিক্ষা দিয়াৰ ব্যৱস্থা হৈছে। কথাছবিৰ এই শিক্ষামূলক দিশলৈ লক্ষ্য কৰিলে ছাত্ৰ-ছাত্ৰীয়ে ইয়াক উপভোগ কৰাত আপত্তি কৰিব লগা একো নাই। কিন্তু আটাইবোৰ কথাছবিয়ে বয়ঃসন্ধি কালৰ ছাত্ৰ-ছাত্ৰীক প্ৰকৃত শিক্ষা দিব পাৰিছেনে? বয়ঃসন্ধি কালৰ ছাত্ৰ-ছাত্ৰীৰ অনুসন্ধিৎসু মন কেৱল আৱিষ্কাৰৰ বাবেই ব্যস্ত। তেওঁলোকে নোপোৱাক পাবলৈ, নেদেখাক চাবলৈ, নুশুনাক শুনিবলৈ এনেভাৱে উত্ৰাৱল হৈ থাকে যে যি প্ৰকাৰৰ কথাছবিয়েই নহওক সিহঁতক তাৰ পৰা বাৰণ কৰাৰ শক্তি নাই। তাতে যদি লেখা থাকে 'Only for adults' তেনেহ'লে সেই ছবি চোৱাত বাধা দিয়াৰ শক্তি কাৰ? ফলত ভালতকৈ বেয়াটো গ্ৰহণ কৰে বেচি। কথাছবিতেই প্ৰেম-বিৰহ, ঈৰ্ষা-হিংসা, শাসক-শাসিতৰ সম্পৰ্ক, ধনী-দুখীয়াৰ ভেদ, ৰাজ-অট্টালিকা-ভঙা জুপুৰিৰ চিত্ৰ, চুৰি-ডকাইতিৰ ন-ন কৌশল, অভিনৱ অস্ত্ৰ-শস্ত্ৰৰ প্ৰয়োগ, বন্দুক বাৰুদ, বিচিত্ৰ যান-বাহনৰ প্ৰচলন, ঠগ-প্ৰবঞ্চকৰ দল আৰু কাৰ্য্য, যুদ্ধ বিগ্ৰহ, নৰহত্যা আদি অজস্ৰ কথাৰ সমাবেশ থাকে। ইয়াৰ পৰা বয়ঃসন্ধি কালৰ ছাত্ৰ-ছাত্ৰীয়ে কিখিনি গ্ৰহণ কৰিব সি বিচাৰ্য্য। সেইবাবেই আজিৰ ছাত্ৰ-ছাত্ৰীৰ মাজত অপৰাধ প্ৰৱণতাই গা কৰি উঠাৰ বাবে আন উপকৰণৰ লগতে কথাছবিৰ ভূমিকা অনবদ্য। গতিকে পৰীক্ষক-মণ্ডলীয়ে পৰীক্ষা কৰি দৰ্শনৰ বাবে উপযুক্ত বুলি ভৰা কথাছবিখনহে ছবিঘৰত প্ৰদৰ্শন হ'বলৈ দিব লাগে।

টেলিভিছনো শিক্ষাৰ অন্য এক প্ৰকাৰ প্ৰধান মাধ্যম। টেলিভিছনে কথাছবিৰ ভূমিকাও লৈছে। ইয়াত সঙ্গীত, নৃত্য-বাদ্য, নিয়মিত বাতৰি, বিভিন্ন বিষয়ৰ আলোচনা, সাময়িক প্ৰসঙ্গ, আলোচনা-চক্ৰ, গল্প-কবিতা আদি সৃষ্টিশীল সাহিত্যৰ প্ৰচাৰ, নাটকৰ প্ৰদৰ্শন, শিশু-নাৰী-পুৰুষ, কৃষক, জোৱান, মজদুৰ, ছাত্ৰ-ছাত্ৰী আদিৰ বিশেষ শিক্ষামূলক অনুষ্ঠানৰ প্ৰচাৰ কৰা হয়। ইয়াৰে দূৰ-দূৰণিৰ দৃশ্যাৱলী, ঘটনাৱলী আৰু কাৰ্য্যাৱলী ঘৰতে বহি চাব পৰা হৈছে। বৰ্ত্তমান টেলিভিছন মনোৰঞ্জন আৰু অৱসৰ বিনোদনৰ এক সুন্দৰ মাধ্যম হৈ



পৰিছে। বৰ্ত্তমান ছাত্ৰ-ছাত্ৰীৰ ওপৰত দূৰদৰ্শনৰ প্ৰভাৱ বাৰুকৈয়ে পৰা দেখা যায়। ছাত্ৰ-ছাত্ৰীয়ে পঢ়া-শুনা ত্যাগ কৰি টি, ভি ৰ আগত বহি বহুসময় অতিবাহিত কৰে। শিক্ষিৱলগীয়া অনুষ্ঠান বাদ দি বিলাসী সামগ্ৰীৰ আকৰ্ষণীয় বিজ্ঞাপন, নাটকৰ চিৰিয়েল, চিত্ৰহাৰ, চিত্ৰমালা—শনি আৰু ৰবিবাৰে কিম্বা সপ্তাহটোৰ অন্য দিনতো নিৰ্দিষ্ট সময়ত প্ৰদৰ্শন কৰা ফিচাৰ ফিল্ম চাইহে তেওঁলোকে সময় নষ্ট কৰে। প্ৰাত্যহিক বাতৰি, সাহিত্য, কৃষি, বিজ্ঞান, প্ৰযুক্তি বিদ্যা, ৰাজনীতি, অৰ্থনীতিৰ ওপৰত হোৱা আলোচনাসমূহ অতি কম সংখ্যক ছাত্ৰ-ছাত্ৰীয়েহে শুনে। ইয়াৰ উপৰি টি, ভি ত ধূমপান, মদ্যপান, ড্ৰাগচ সেৱন আদিৰ অপকাৰিতাৰ বিষয়ে প্ৰচাৰ কৰে। কিন্তু পিছমুহূৰ্ত্তে তেনে কিছুমান সামগ্ৰী সৰ্ব্বসাধাৰণ ৰাইজে ব্যৱহাৰ কৰিব লাগে বুলি পুনৰ বিজ্ঞাপনো দিয়ে। এইবোৰৰ প্ৰভাৱত কলেজীয়া ছাত্ৰ-ছাত্ৰীৰ কল্পনাপ্ৰৱণ, বিলাসীমন তাপৰিৰ নোৱাৰি সিবোৰ বস্তু ভক্ষণত প্ৰবৃত্ত হৈ পৰে। এনেদৰেই বৰ্ত্তমান আমাৰ সমাজৰ যুৱক-যুৱতীৰ নৈতিক স্খলন হোৱা দেখিবলৈ পোৱা যায়। গতিকে ছাত্ৰ-ছাত্ৰীয়ে বিজ্ঞানৰ অদ্ভুত অৱদান দূৰদৰ্শনৰ অভিশাপসমূহ আঁতৰাই আশীৰ্বাদসমূহ গ্ৰহণ কৰিবলৈ সচেষ্ট হ'ব লাগিব।

বয়;সন্ধি কালৰ ছাত্ৰ-ছাত্ৰীসকলে স্কুলৰ দেওনা পাৰ হৈ কলেজত অধ্যয়ন কৰিবলৈ আহে। তেওঁলোক কলেজমুখী আৰু চহৰমুখী পৰিৱেশৰ সন্মুখীন হয়। তেওঁলোকৰ বাবে কলেজখন, অহাযোৱা কৰা ৰাস্তা, গাড়ী-মটৰ যানবাহনবোৰ, দোকান-বজাৰ, হোটেল-ৰেষ্টুৰেণ্ট, চিনেমা-হল, অফিচ-কাছাৰী আৰু এইবোৰ বিভিন্ন স্থানত লগ পোৱা মানুহবোৰ সম্পূৰ্ণ নতুন। সেইবাবে ছাত্ৰ-ছাত্ৰীসকলে অতি সাৱধান হৈ চলন-ফুৰণ কৰিব লাগিব যাতে তেওঁলোকক কোনো কথাই, কোনো পৰিৱেশে তেওঁলোকৰ মূল লক্ষ্যৰ পৰা আঁতৰাই নিব নোৱাৰে। আজিৰ সমাজৰ মানুহৰ চৰিত্ৰ বিচিত্ৰ। মানুহৰ প্ৰতি মানুহৰ প্ৰীতিৰ বান্ধ আজি শিথিল হৈ পৰিছে। মানুহ অধিক বস্তুবাদী আৰু ধনমুখী হৈ পৰিছে। অকল নিজ স্বাৰ্থ পূৰণ কৰিবলৈ, নিজে ধনী হৈ সমাজত প্ৰতিপত্তি বঢ়াবলৈ, ক্ষমতাৰ অধিকাৰী হৈ আনৰ পৰা সন্মান আদায় কৰিবলৈ প্ৰবল আকাঙ্ক্ষা অনেক লোকৰ মাজত দেখিবলৈ পোৱা যায়। দৈনিক বাতৰি কাকতসমূহত অনেক প্ৰকাৰৰ লোমহৰ্ষক বাতৰি প্ৰকাশ পায়। যত্ৰ-তত্ৰ নৰহত্যা, খুন, লুটপাত, ডকাইতি, ধৰ্ষণ, নিহত, অপহৰণ, গোলাবৰ্ষণ বোমাবিস্ফোৰণ আৰু যে কত অঘটন! সমাজৰ সকলো শ্ৰেণীৰ মাজত দুৰ্নীতিয়ে শিপাইছে। আনহাতে দেশত সন্ত্ৰাসবাদ, বিছিন্নতাবাদে গা কৰি উঠিছে। পৃথক ৰাজ্যৰ দাবীৰ আন্দোলনেও ৰাইজৰ থৰকাছুতি হেৰুৱাইছে। দলীয় ৰাজনীতিৰ পাকচক্ৰই সকলোকে স্পৰ্শ কৰিছে। ৰাজ্যৰ শাসনৰ বাঘজৰী হাতত তুলি লবলৈকে সকলোৰে আপ্ৰাণ চেষ্টা আৰু তাৰ বাবেই ন ন কৌশল। ইয়াৰ বাবেও দেশৰ পৰিস্থিতি

অশান্ত। আধ্যাত্মিকতা আৰু নৈতিকতাৰ প্ৰভাৱত মধুৰ জীৱন যাপন কৰি অহা ভাৰতীয় মানুহৰ জীৱনৰ সেই পবিত্ৰতা বৰ্ত্তমান লোপ পাই আহিছে। এনে অশান্ত বাতাবৰণে দেশৰ ভবিষ্যতৰ কৰ্ণধাৰ স্বৰূপ যুৱক-যুৱতীকো স্পৰ্শ নকৰাকৈ নাথাকে। যি ছাত্ৰ-ছাত্ৰীয়ে নিজৰ ঘৰত, স্কুল-কলেজত, কিতাপে-পত্ৰই ক'তো মিছা কথা কোৱা, ঠগ-প্ৰৱঞ্চনা কৰা বা অশ্লীল মাত-কথা মতাৰ শিক্ষা লাভ কৰা নাই, শিক্ষকেও তেনে শিক্ষা দিয়া নাই, সেই ছাত্ৰ-ছাত্ৰীয়ে বাহিৰলৈ ওলাই আহিয়েই সম্পূৰ্ণ এটা আপচু বাতাবৰণ আৰু এখন পঙ্কিল সমাজৰ সন্মুখীন হৈ এইবোৰ বদ-অভ্যাসৰ দাস হৈ পৰিব লগা হৈছে। এনে পৰিস্থিতিত যুৱ মনে কোনটো গ্ৰহণ কৰি কোনটো বৰ্জন কৰিলে তেওঁলোকৰ ভৱিষ্যত জীৱন উজ্জ্বল হ'ব—সেই বিষয়ে অতি সাৱধানেৰে বাছনি কৰি ল'ব পাৰিব লাগিব।

বৰ্ত্তমান আমাৰ ৰাজ্যৰ যুৱক-যুৱতীসকলৰ সৰহ ভাগেই বিশ্ববিদ্যালয়ৰ পৰা উচ্চ শিক্ষা সাং কৰি ঘৰতেই বহি বহি সময় অতিবাহিত কৰিব লগা হৈছে। সকলোৱেই চাকৰি প্ৰাৰ্থী। কিন্তু চৰকাৰৰ পৰা নিয়োগ লাভ কৰিব নোৱাৰি হতাশাত ভুগিছে। শিক্ষিত যুৱক-যুৱতী বিপথগামী হৈ পৰাৰ ইয়ো এটা মুখ্য কাৰণ। আমাৰ দেশৰ বা ৰাজ্যখনৰ শান্ত বাতাবৰণ ভঙ্গ হোৱাৰ ইয়ো এটা প্ৰধান কাৰণ। আশা কৰোঁ শাসনত অধিষ্ঠিত চৰকাৰে এই সমস্যা সমাধানত অগ্ৰাধিকাৰ দি ৰাজ্যৰ শিক্ষিত নিবনুৱাসকলৰ অন্ন-সংস্থানৰ আশু-ব্যৱস্থা কৰিব। তেতিয়া দেখিব বহুলাংশ অশান্তি আপোনা-আপুনি হ্ৰাস পাইছে।

ছাত্ৰ-ছাত্ৰীসকলৰ বাবে বৰ্ত্তমান দেশৰ প্ৰচলিত পৰিস্থিতি তেওঁলোকৰ নিকা জীৱন গঢ়ি তোলাৰ সম্পূৰ্ণ পৰিপন্থী। তথাপি তাৰ মাজেৰেই মনৰ দৃঢ়তা নেহেৰুৱাই মহৎলোকৰ জীৱনৰ পৰা সত্য, ন্যায়, অহিংসা, দয়া, পৰোপকাৰ আদি ভাল গুণসমূহ আহৰণ কৰি নিজৰ ভৱিষ্যত জীৱন ধন্য কৰি তুলিব লাগিব। বৰ্ত্তমান শিক্ষাক বহল ভিত্তিত বন্ধা হৈছে। এই শিক্ষাই ব্যক্তিৰ শাৰীৰিক, মানসিক, সামাজিক, আনুভূতিক দিশৰ সামঞ্জস্যপূৰ্ণ বিকাশ সাধন কৰি নাগৰিকত্ব গুণ, বৃত্তিৰ দক্ষতা আৰু সামাজিক দক্ষতা দান কৰাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ। ছাত্ৰ-ছাত্ৰীসকলে এই শিক্ষা গ্ৰহণত ব্ৰতী হৈ ভবিষ্যতে দেশৰ একোজন ভাল মানুহ হ'বলৈ চেষ্টা কৰিব লাগিব।

আলোচনীখনৰ বাবে যুগুত কৰা লেখনিসমূহ চাই বাছনি কৰি দিছে অধ্যাপিকা হিমাদ্ৰি দেৱী, অধ্যাপক অপূৰ্ব শৰ্মা, গুণধৰ গগৈ, অধ্যাপিকা ৰীতা তালুকদাৰ আৰু অধ্যাপক তিলকচন্দ্ৰ মজুমদাৰে। এইসকল সহকৰ্মীৰ সহায়-সহযোগিতাৰ বাবে শলাগ আৰু ধন্যবাদ আগবঢ়ালোঁ। আলোচনীখনৰ প্ৰকাশৰ সকলোখিনি তৎপৰতা লোৱা বাবে অধ্যক্ষ বিমল কুমাৰ বৰালৈ আৰু কাৰ্য্যালয়ৰ মুখ্য সহায়ক জোযেশ্বৰ খাটনিয়াৰলৈও ধন্যবাদ যাচিলোঁ। 'সুছন্দা প্ৰেছ'ৰ স্বত্বাধিকাৰিণী উপমা দেৱী মজুমদাৰ আৰু কৰ্মীসকলৰো শলাগ লৈছোঁ। আলোচনী সম্পাদিকা আৰু লেখনি সম্ভাৰৰ যোগান ধৰি আলোচনীখন প্ৰকাশ পোৱাত সহায় কৰা ছাত্ৰ-ছাত্ৰীসকলৰো শলাগ ললোঁ।

**শ্ৰীকৃষ্ণ বৰা**

॥ আলোচনী তত্ত্বাৱধায়ক অধ্যাপক ॥



# সম্পাদকীয়

আমি আগবাঢ়ি গৈ আছোঁ, নিষ্পেষণ, শোষণ মূৰ পাতি লৈ একবিংশ শতাব্দীলৈ। এনেদৰেই আদৰি লওঁ নতুনক আৰু সময়ৰ গতিৰ স'তে খোঁজ মিলাবলৈ গৈ আমি অতীতক পাহৰি পেলাওঁ। আনহাতে, বছৰৰ পাছত বছৰ ধৰি অতীতৰ ভুলবোৰৰ পুনৰাবৃত্তি হ'বই ধৰিছে। লগে লগে ইতিহাসৰ বুকুত সংযোজিত হৈছে একো একোটা নতুন অধ্যায়ৰ।

বৰ্তমান সমগ্ৰ বিশ্ব সন্ত্ৰাসবাদ, দুৰ্নীতি, ধৰ্মান্ধতা, বৰ্বৰতা আদিৰে ভৰি পৰিছে। এইদৰে আমাক ক্ৰমে চেপি-খুন্দি নিঃশেষ কৰাৰ উপক্ৰম কৰিছে। আমি য'ত বাস কৰিছোঁ, সেয়া আজি পৰিণত হৈছে এখন শ্মশানলৈ আৰু সেই শ্মশানতে জীয়াই আছোঁ বুকুৰ স্পন্দন লেখি লেখি আমি এজাক জীয়া মানুহ। য'ত আমি জীয়াই থাকিও মৃত। সেয়ে আমি দেখিও নেদেখোঁ, শুনিও নুশুনোঁ, জানিও নাজানোঁ।

আমাৰ ভগ্ন পঞ্জাবোৰ নতুনকৈ গঢ়িবলৈকো আজি আমি ছাত্ৰ সমাজে নৈতিকতাখিনি হেৰুৱাই পেলাইছোঁ। কিন্তু কিয়? কাৰণ আমাৰ হাতত হেংদাং, ককাঁলত টঙালিৰ অভাৱ! অতীতৰ জ্ঞানীজনে কৈছিল "ছাত্ৰানাং অধ্যয়নং তপঃ" কিন্তু সেই শিক্ষাৰ সৈতে আজিৰ শিক্ষাৰ সামঞ্জস্য বিচাৰি পোৱা টান। সেই শিক্ষাত আছিল আত্মসংযমেৰে শিক্ষা আহৰণ কৰি জীৱনক উপলব্ধি কৰাৰ পথৰ সন্ধান। আৰু আজি তাৰ সম্পূৰ্ণ বিপৰীত। ৰাজনীতিৰ মেৰপাকত সোমাই ছাত্ৰ সমাজ লক্ষ্যচ্যুত হৈ পৰিছে। কিন্তু আমিয়েইতো এই লক্ষ্যচ্যুতজনক পিছলি পৰাৰ পৰা তুলি ধৰিব লাগিব। সেয়ে "ছাত্ৰ সমাজ আগুৱাই আহাঁ আৰু নিজকে শুধৰণি কৰা আৰু যুক্তিৰ আধাৰত গঢ়ি তোলা এখনি শুভ্ৰজ্যোতিৰে ভৰা নিকা সমাজ। য'ত জীয়াই থাকিব আমাৰ নৈতিকতাখিনি আৰু আগুৱাই যাম আমি উচ্চশিৰে আমাৰ প্ৰাপ্য স্বত্বক লৈ।"

শোষন, শাসনৰ ফলত সৰু সৰু জাতিক বৃহৎ জাতিৰ কবললৈ ঠেলি দিয়া বৃহৎ পুঁজিবাদ আৰু সাম্ৰাজ্যবাদৰ স্বাৰ্থক আমি ছাত্ৰ সমাজেই বাধা দিব লাগিব।

আজি সৰু সৰু জাতি গোষ্ঠীসমূহে জাতীয়তা, জাতীয় মুক্তিৰ শ্লোগান দিয়াৰো যথেষ্ট ভিত্তি আছে।

আজি সমাজত মৃত্যু হৈছে গণতন্ত্ৰৰ আৰু মানৱতাৰ। এই মৃত্যু আৱশ্যম্ভাৱী নাছিল, আছিল হত্যা। সেয়ে আমাৰ ছাত্ৰ-সমাজেই জীয়াই তুলিব লাগিব ইয়াক মৃত-সঞ্জীৱনীৰে। নহ'লে জাতীয়ত্বক মানুহে ধৰি চিনিব নোৱাৰা কৰিব। ছাত্ৰ-সমাজে দৃঢ় পদক্ষেপ ললে পৰিবৰ্ত্তনৰ দ্বাৰা মানবতা, গণতন্ত্ৰ তথা জাতীয়তাৰ পূৰ্ণ-মৰ্য্যাদা সাব্যস্ত কৰিব পাৰিব নিশ্চয়।

**কৃতজ্ঞতা** : আলোচনী প্ৰকাশৰ ক্ষেত্ৰত উপদেশ আৰু সহায় আগবঢ়োৱা বাবে অধ্যক্ষ শ্ৰীযুত বিমল কুমাৰ বৰাদেৱৰ লগতে সকলো দিশতে সকলো ব্যৱস্থা কৰি দিয়া বাবে আলোচনী-তত্ত্বাবধায়ক অধ্যাপক শ্ৰীযুত কৃষ্ণ ৰাম বৰাদেৱলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। অধ্যাপিকা শ্ৰীযুতা হিমাদ্ৰি দেৱী বাইদেৱে বিশেষ ভাৱে আলোচনীৰ কবিতা বিভাগটো চাই-মেলি দিয়া বাবে তেখেতৰ ওচৰত চিৰকৃতজ্ঞ হৈ ৰ'লোঁ। গল্প, প্ৰবন্ধ-পাতি চাই-মেলি দি উৎসাহ-উদ্দীপনা যোগোৱা অধ্যাপক শ্ৰীযুত তিলক চন্দ্ৰ মজুমদাৰ, অধ্যাপক শ্ৰীযুত অপূৰ্ব শৰ্মা, অধ্যাপক শ্ৰীযুত গুণধৰ গগৈ, অধ্যাপিকা শ্ৰীযুতা ৰীতা তালুকদাৰ বাইদেউলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

প্ৰাচীৰ পত্ৰিকা 'কণ্ঠত কণ্ঠ মিলাই' প্ৰকাশ কৰাৰ ক্ষেত্ৰত বিশেষ ভাৱে সহায় আগবঢ়োৱা অধ্যাপিকা শ্ৰীযুতা হিমাদ্ৰি দেৱী বাইদেউৰ কৃতজ্ঞতা স্বীকাৰ নকৰি নোৱাৰিলোঁ। যিসকল অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰীয়ে তেখেতসকলৰ লিখনিৰ দ্বাৰা আলোচনীখনি প্ৰকাশৰ বাবে সহায় আগবঢ়ালে তেখেতসকললৈ মোৰ কৃতজ্ঞতাৰ শৰাই আগবঢ়ালোঁ। ছাত্ৰী একতা সভাৰ সমূহ সদস্যা আৰু মোক সকলো সময়তে সহায়-সহযোগিতা আগবঢ়োৱা বান্ধৱীসকলক আন্তৰিক ধন্যবাদ যাচিলোঁ। বেটুপাতৰ শিল্পী কণু দাসৰ ওচৰত মই কৃতজ্ঞ হৈ ৰলোঁ।

সদৌশেষত, আলোচনীখনি কিমান উচ্চমানৰ হৈছে, তাক পঢ়ুৱৈসকলেই নিশ্চিত কৰিব। আলোচনীখনিৰ প্ৰকাশত যথেষ্ট পলম হোৱা বাবে আৰু অজ্ঞাতে হৈ যোৱা ভুল-ত্ৰুটিৰ বাবে ছাত্ৰ-ছাত্ৰী তথা পঢ়ুৱৈসকলৰ ওচৰত ক্ষমা বিচাৰিলোঁ।

**কৰবী ফুকন**
সম্পাদিকা, আলোচনী॥



কলেজ একতা সভা - ১৯৯০-৯১

ছাত্ৰী একতা সভাৰ সদস্যা সহ
৹ কলেজ কৰ্মচাৰী বৃন্দ-১৯৯০-৯১





সম্পাদনা সমিতি ১৯৯০-৯১

বাওঁফালৰ পৰা ( বহি ) উপাধ্যক্ষা তৰু বৰুৱা, অধ্যাপক মহেন্দ্ৰনাথ শইকীয়া, অধ্যক্ষ বিমল কুমাৰ বৰা, অধ্যাপক শ্ৰীকৃষ্ণৰাম বৰা, অধ্যাপক তিলকচন্দ্ৰ মজুমদাৰ, অধ্যাপক শ্ৰীপ্ৰভাত বৰা।

( থিয় হৈ ) : সাৰদা ৰৰা ( সাঃ সম্পাদিকা ), কৰবী ফুকন ( আলোচনী সম্পাদিকা )।



১৯৯০-৯১ চনত অনুষ্ঠিত নাট প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ দল ঃ নাটক—"উজ্জীৱন"। (বহি বাওঁফালৰ পৰা) হিমাক্ষী বৰা, জ্যোৎস্না বসুমতাৰী। (থিয় হৈ) ৰিভা ভৰালী (শ্ৰেষ্ঠা অভিনেত্ৰী) আৰু সংগীতা ৰাজখোৱা।



শ্ৰেষ্ঠা গায়িকা
**বৰ্ণালী শইকীয়া**

# বেজবৰুৱাৰ হাস্যৰসৰ আঁৰৰ মানুহজন

*অধ্যাপিকা হিমাদ্ৰি দেৱী*

দিন ৰাতিৰ সন্ধিক্ষণ যি দৰে বিপদ-সংকুল, ঠিক সেইদৰে জাতীয় জীৱনৰ ছাঁ আৰু পোহৰৰ সন্ধিক্ষণ নানান বিপদ-বিঘিনিৰে ভৰা। ঊনবিংশ শতিকাত অসমীয়া জাতীয় জীৱনলৈ এনে এক সন্ধিক্ষণ নামি আহিছিল। এফালে মানৰ অত্যাচাৰৰ অন্ত, আনফালে বিদেশী ইংৰাজৰ সাৰ্বভৌমত্ব স্থাপন। জাতীয় জীৱনৰ এনে এক সন্ধিক্ষণত আৱিৰ্ভাৱ হৈছিল বহুমুখী প্ৰতিভাধৰ ব্যক্তি—লক্ষ্মীনাথ বেজবৰুৱা—যাক বিভিন্ন জনে 'সাহিত্যৰথী' 'ৰসৰাজ' আদি উপাধিৰে বিভূষিত কৰিছে।

বেজবৰুৱা বা তেখেতৰ সম-সাময়িক অসমীয়া সাহিত্যিক সকল কি পৰিস্থিতিত ডাঙৰ-দীঘল হৈছিল তাক অনুধাৱন কৰিলে আমি দেখিবলৈ পাম তেখেতসকলে পঢ়াশালিত বঙলা ভাষাৰে পাঠ লব লগা হৈছিল, কাৰণ সেই সময়ত অসমৰ স্কুলত অসমীয়া ভাষা প্ৰচলিত নাছিল। অসমত এখনো কলেজ নথকাৰ বাবে অসমীয়া ছাত্ৰই কলেজীয়া শিক্ষা গ্ৰহণৰ বাবে ব্ৰহ্মপুত্ৰৰ বুকুৰেদি কলিকতালৈ পাৰি দিব লাগিছিল। বেজবৰুৱাই নিজেই "মোৰ জীৱন সোঁৱৰণ" গ্ৰন্থত লিখিছে—"মোৰ ৰিণিকি ৰিণিকি মনত পৰে যে প্ৰায় এই সময়তে মই প্ৰথম স্কুললৈ গৈয়েই বঙলা ভাষা আৰম্ভ কৰোঁ। আমাৰ মাষ্টৰ বঙালী, কিতাপ বঙলা, কথা কওঁ বঙলা। মই এনে কথা কোৱা নাই যে বঙলা পঢ়াৰ বাবে মোৰ বিশেষ ক্ষতি হ'ল। আধুনিক বঙ্গভাষা প্ৰাচীন নহ'লেও অতি উন্নত ভাষা। এই ভাষা জানি মোৰ উপকাৰহে হ'ল। আমাৰ বিশেষ ক্ষতি এই বাবে যে স্কুলত আৰু বাহিৰত সদায় আমি শুনি আছিলোঁ যে আমাৰ ভাষা ভাষা নহয়, ই বঙলাৰ অপভ্ৰংশহে।"

১৮৩৫ চনত অসমৰ জিলাৰ সদৰ-বোৰত স্কুল স্থাপিত হৈছিল যদিও স্কুলত বঙলা ভাষাহে চলিছিল। ১৮৯৭ চনলৈকে অসমত এজনো এম, এ ডিগ্ৰী (উপাধি) লাভ কৰা লোক ওলোৱা নাছিল। সেই সময়ত অসমীয়া জাতি ইমান হীন-মন্যতাত ভুগিছিল যে অসমীয়া মানুহেই স্বাক্ষৰ কৰি স্কুলত অসমীয়া ভাষা চলিলে দেশৰ অমঙ্গল হ'ব বুলি ইংৰাজ চৰকাৰক আবেদন জনাইছিল।

ঠিক এনে সময়তে ১৮৮৮ চনত কলিকতালৈ পঢ়িবলৈ যোৱা কেইজনমান প্ৰবাসী অসমীয়া ছাত্ৰৰ মনত খেলালে যে যদি আমাৰ জাতীয়ত্ব ৰক্ষা কৰিব লাগে তেন্তে প্ৰথমতে আমি আমাৰ ভাষাটোক বিদেশী আক্ৰমণৰ পৰা ৰক্ষা কৰিব লাগিব আৰু লগে লগে জন্ম হ'ল অসমীয়া ভাষা উন্নতি সাধিনী সমিতি বা সংক্ষেপে অ, ভা, উ, সা। চন্দ্ৰকুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা প্ৰমুখ্যে এইসকল অসমীয়া ডেকাই সংকল্প ললে—"আমি যুঁজিবলৈ ওলাইছোঁ আন্ধাৰৰ বিপক্ষে—উদ্দেশ্য দেশৰ উন্নতি—জোনাক।" এই অ, ভা, উ, সাই চিৰ চেনেহী ভাষা জননীৰ উন্নতি সাধন কৰাৰ যি দুৰ্জ্জয় সংকল্প গ্ৰহণ কৰিছিল, সি প্ৰতিফলিত হৈছিল চন্দ্ৰকুমাৰ আগৰৱালাৰ সম্পাদনাত প্ৰকাশ হোৱা 'জোনাকী' আলোচনীৰ যোগেদি আৰু লগে লগে আৰম্ভ হৈছিল অসমীয়া ভাষাৰ জোনাকী যুগ।

অসমীয়া ভাষাৰ দৈন্য দশা দূৰ কৰি সাহিত্যৰ ৰথখন গতিশীল কৰাৰ যি পণ বেজবৰুৱাই গ্ৰহণ কৰিছিল তাক কাৰ্য্যত পৰিণত কৰাৰ উদ্দেশ্যে সাহিত্যৰ এনে এটা দিশ নাই যিটো দিশত তেখেতে হাত দিয়া নাছিল। কাব্য ( কদমকলি ), উপন্যাস ( পদুম কুঁৱৰী ), চুটিগল্প ( সুৰভি, জোনবিৰি, কেঁহোকলি ), শিশু সাহিত্য ( বুঢ়ী আইৰ সাধু, ককাদেউতা আৰু নাতি লৰা), বুৰঞ্জীমূলক নাটক (সতী জয়মতী , বেলিমাৰ, চক্ৰধ্বজ সিংহ), ধেমেলীয়া নাটক (লিতিকাই, নোমল, পাচনি, চিকৰপতি-নিকৰপতি), নীতি শিক্ষামূলক গ্ৰন্থ (কামত কৃতিত্ব লাভৰ সংকেত, বাখৰ), জীৱনী (শংকৰদেৱ-মাধৱদেৱ), তত্ত্বকথা (ভাগৱৎ-কথা) আদি বিভিন্ন স্বাদৰ ৰচনা বেজবৰুৱাৰ কলমৰ আগেদি প্ৰকাশ পাইছিল। তেখেতৰ সম্পাদনাতে 'বাঁহী' নামৰ আলোচনীখনো প্ৰকাশ হৈছিল। কিন্তু এই সকলো বোৰৰ উপৰিও কৃপাবৰ বৰুৱা নামৰ এজন বহুৰূপী ব্যক্তিয়ে এমোকোৰা হাঁহিৰে ধৰা দিছে কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলা, কৃপাবৰ বৰুৱাৰ ওভোটনি, কৃপাবৰ বৰুৱাৰ ভাবৰ বুৰবুৰণি, বৰবৰুৱাৰ বুলনি ইত্যাদি গ্ৰন্থত। এইজন ব্যক্তি বহুৰূপী এই অৰ্থত যে এখেতে চাহাবৰ দৰে যেওঁ পটলুং পিন্ধে, কিন্তু ভাৰতীয়ৰ দৰে মূৰত টিকনি আছে। বৰবৰুৱাই আত্ম-পৰিচয় ডাঙি ধৰিছে 'কৃপাবৰ বৰুৱা' নামৰ চনেটটিত—

> কৃপাবৰ বৰুৱা মহা ধনুৰ্দ্ধৰ
> বৰপেট টিকনিৰে মূৰ লৰফৰ ॥
> সুদৰ্শন হাতে বিষ্ণু, শূল হাতে ভোলা
> মহেন্দ্ৰৰ বজ্ৰ, কৃপাৰ কাকতৰ টোপোলা ॥
> অসম গৌৰৱ ভানু কৃপা কল্পতৰু
> কলেৱৰ শ্যাম যেন ভাত ৰন্ধা চৰু ॥
> .... .... .... .... .... .... .... ...."

ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যই তেখেতৰ "বেজবৰুৱাৰ হাস্যৰসৰ প্ৰকৃতি" নামৰ প্ৰৱন্ধত কৈছে— "বেজবৰুৱাই বাইজক হঁহুৱাবলৈ কৃপাবৰক জন্ম দিছিল।"

কেৱল যে ভাষা-সাহিত্যৰ ফালৰ পৰাই বেজবৰুৱাৰ যুগ সংক্ৰান্তিৰ যুগ আছিল এনে নহয়, সংস্কৃতিৰ ফালৰ পৰাও সেই যুগ সংক্ৰান্তিৰ যুগ। পশ্চিমীয়া শিক্ষা গ্ৰহণ কৰি যি এচাম তথাকথিত মন্ত্ৰপ, সদৰামিন, মৌজাদাৰ, চাবডেপুটি, চিৰস্তাদাৰ, পেচকাৰ আদি ৰাজ-বিষয়াৰ সৃষ্টি হৈছিল, তেওঁলোকৰ জীৱন ধাৰণৰ বিলাতী আদব-কায়দাই অসমীয়া জীৱন ধাৰণৰ সংস্কৃতিক বিজতৰীয়া কৰি তুলিছিল। সেই বাবেই বেজবৰুৱাৰ মলখু গগৈ ৰাজ বিষয়া হৈ মলক গুইন গুইন হৈছিল আৰু অসমীয়া সাজ পিন্ধা চহা দেউতাকক চিনি নোপোৱাৰ ভাও জুৰিছিল। কাকতৰ টোপোলাৰ বিষয় আৰু বিষয়া ৰচনাত অসমীয়া বিষয়াই কিদৰে নিজৰ নাম সলায় তাৰ নমুনা এনেদৰে দিছে—"সদানন্দ বৰুৱাৰ জীয়েকৰ নাতিনীয়েকৰ মোমায়েক টিপাৰাম শৰ্মা, তস্য পুত্ৰ নালীয়া শৰ্মাই ইচকুলত পঢ়ি কেচাৰিত কাম এটা লৈয়েই নাম চহী কৰে শ্ৰীনকুলেশ্বৰ বৰুৱা।"

চাহাবী সাজেৰে সজ্জিত অসমীয়া ডেকাক কটাক্ষপাত কৰি বৰবৰুৱাই নিজৰ সাজপাৰ সম্পৰ্কে ভঙা ভঙা হিন্দি মিহলি যি কেইটা বাক্য কৈছে সেই কেইটা ব্যক্য পঢ়ি হাঁহিব নজনা ব্যক্তিৰো হাঁহি উঠিব।—"ফটোগ্ৰাফ কৰাওনেকু ওকত, বিলকুল অসমীয়া নিগাৰ চাহাব লোককো ড্ৰেচ পিন্ধেতা। তব বৰবৰুৱাকো বেলিকা হাঁহি কিহবকা? ড্ৰেচ চাইকে নাহি হাঁহতাতো ক্যা মেৰে পেট দেখকে?" অৰ্থাৎ বৰপেটুৱা বৰবৰুৱাই চাহাবৰ সাজ পোচাক পিন্ধে যি সাজ ক'লা (নিগাৰ) অসমীয়া ডেকাই পিন্ধে।

বেজবৰুৱাই যে চিকণী অসম দেশখনক, অসমীয়া সংস্কৃতিক ভাল পাইছিল, তাৰ জ্বলন্ত নিদৰ্শন কৃপাবৰ বৰুৱাৰ উইলখন। পৃথিৱীৰ কোনো সাহিত্যত বোধহয় এনে অভিনৱ উইল নাই যি উইলৰ দ্বাৰা বৰবৰুৱাই দেশী ভাই অসমীয়া জাতিক পৰশুকুণ্ডৰ পৰা ধুবুৰীলৈকে মাছে মগৰে ব্ৰহ্মপুত্ৰ নৈখন; কামাখ্যা, উমানন্দ, হাজো, শিলঘাট, শিঙৰি, বিশ্বনাথ আৰু তেজপুৰৰ পাহাৰবোৰ; অসম উপত্যকাৰ নানা বৰণৰ চৰাই আৰু পখিলাবোৰ; পথাৰত থোক মেলা ধান, মাহ, সৰিয়হৰ চিৰাবোৰ; ৰঙী খাচিয়ানীৰে জকমককৈ ফুলি থকা চিলং পাহাৰটো, শিৱসাগৰৰ শিৱদৌল, বিষ্ণুদৌল, দেবীদৌল আৰু ৰৰপুখুৰীটো, তাতঁৰ পৰা ওলোৱা নখনীয়া কাপোৰ, গামোচা, হেচা পিঠা, সুতুলি পিঠা, ফেনী পিঠা আৰু শেহ নিশা গোৱা হুচৰিৰে ৰঙালী চ'তৰ বিহুটো; চুঙাত দিয়া পিঠা, মোৱা আলু, চিনা আলু আৰু মেজি, ম'হ যুঁজ, কণী যুঁজেৰে ভোগালী মাঘ বিহুটো; আকাশবঁতিৰে কাতিৰ কঙালি বিহুটো, পাভ মাছ টেঙাত দিয়া লফা শাকৰ আঞ্জা, ঔটেঙা দি থপথপীয়া কৈ ৰন্ধা কচুথোৰৰ আঞ্জা, পকাখৰিচা, খাৰলি, কাহুদী, পাতত দিয়া পোনামাছ, নৈৰ পাৰৰ ম'হৰ পিঠিত উঠি গোৱা গীতবোৰ, তিৰোতা মানুহে গোৱা বিয়া নামবোৰ, ভাওনাৰ চালি নাচ, ঝুমুৰা নাচ, বৰ ধেমালি, সৰু ধেমালি বোৰ, অসমীয়া মানুহৰ মাজত লগা দন্দ খৰিয়ালবোৰ, চিলিমত খোৱা

কুটি খোৱা ভাং, টিকিবা পুৰি খোৱা কানি আৰু বাতিত খোৱা লাওপানী কটিকা বোৰ দি থৈ গৈছে।

নিঃসন্দেহে এই কেইপদ তকল কৃপাবৰ-বৰুৱাৰে নহয় অসমীয়াৰ জাতীয় সম্পদ।

বেজবৰুৱাৰ যুগত অসমীয়া সমাজত বাল্য বিবাহৰ প্ৰচলন আছিল। বাল্য বিবাহৰ বৰ্ণনা দি বেজবৰুৱাই "চালনী আৰু বেজী" কবিতাত লিখিছে—

"তিনি কুৰীয়াই আনে বিয়াই বাৰ বহৰীয়া
পকা দাড়ি চুলি কাটি কৰে নাইকিয়া
মেলেঙি লগাই ডেকালি কৰে ওঠ বঙা কৰি
নাতিনী জুৰীয়া ঘৈণীক মাতে বুলি প্ৰাণেশ্বৰী।"

অসমীয়া মানুহৰ মাজত মদ, ভাং, কানিৰ প্ৰতি আসক্তি আগৰে পৰাই আছিল। কিন্তু ইংৰাজ ৰাজত্বৰ আৰম্ভণীৰে পৰা ইংৰাজসকলে লাভজনক আফু খেতি কৰিবলৈ লোৱাত অসমীয়া মানুহৰ কানিৰ প্ৰতি আসক্তি বাঢ়ি গ'ল। ফলত অসমীয়া মানুহ এলেহুৱা অকৰ্মন্য হৈ পৰিল। সেই সম্পৰ্কে অসমীয়া মানুহক সজাগ কৰাৰ উদ্দেশ্যে কৃপাবৰ বৰুৱাই হাতত কলম তুলি ললে আৰু চনেট, পেৰডি আদি ৰচনা কৰি গ'ল। কৃপাবৰ বৰুৱাৰ ওভটনিৰ উদ্বোধনী গীতটি এনে ধৰণৰ—

উঠ অসমীয়া শুশুৰি আৰু
কানীয়া বুলিব লোকে
কানীয়া সোৰোপা বুলিব লাগিলে—
মই মৰি যাম শোকে। ......."

মাধৱদেৱ বিৰচিত 'তেজৰে কমলাপতি' বৰগীতটি পেৰডি কৰিছে এনে ধৰণে—

"এৰ অসমীয়া কাই ৰাতিপুৱা নিন্দ।
তোৰ উখহা মুখ চাওঁ উঠ হেৰ ঢোদ॥
ৰজনী বিতুৰ দিশ ধুৱলী বৰণ।
ৰ'দ দেখি নিকানীয়া পুলকিত মন॥
আফু গছৰ ফুল ফুলিছে ভোমোৰা উৰিছে।
থুপৰি ঘৰ সাৰি কুন কুন গীত গাইছে॥
মণ্ডল টেকেলা মাতে তোৰ ধৰি নাম।
খাজনা পৰিছে বাকী ধৰি লৈ যাম॥
পুহাই গ'ল খৰি লৈ লখাই গ'ল হাটে।
কেতেকী এঙ্কাৰী গ'ল কলহ লৈ ঘাটে॥
কহে কৃপাবৰে ভাই কিনো তপসাইলি
কানিৰ টিকিবা পুৰি বজা সুখ পাইলি॥

আন এটি কবিতা 'ভাদৈৰ বিলাপ'ত ভাদৈয়ে গিৰিয়েকৰ বৰ্ণনা এনেদৰে দিছে—

জোনবাইৰ আগৰে একেটি তৰা
আয়ে বিয়া দিলে গঠীয়া দৰা
আয়ো কানীয়া বোপায়ো কানীয়া
জোঁৱায়েকো কানীয়া পালে
কানিৰ জুতি লৈ বহি শুই থাকোঁতে
গোটেইতো কাল কটালে।

অকৰ্মণ্য অসমীয়াৰ অকৰ্মণ্যতাৰ কথা বৰ্ণনা কৰিছে "অসমীয়াৰ দুখ" গীতটিত—

ভাল ভাল কাম
ডাঙৰ ডাঙৰ কাম
বাবুবোৰে কোৰোনাবে
চপাই নিছে বলেৰে
.... .... .... .... ....
ভাল ভাল চাহবাৰী
ডাঙৰ ডাঙৰ জমিদাৰী
চাহাব বোৰে ললে
আমালৈ একোকে নথলে

"অসমীয়া ডেকাৰ প্ৰতি উপদেশ" গীতটিত অসমীয়া ডেকাক বৰবৰুৱাই এইদৰে উপদেশ দিছে—

"পাৰিলে মদ কিনি খাবি
নোৱাৰিলে কি কৰিবি ?
ভাংটো কিন্তু সস্তা বোপাই
জাতৰ ঢাকোন ঢকা
হেৰ অসমীয়া ডেকা।
ভাং খাই মহাদেৱ
দেৱৰো ওপৰে দেৱ
তোৰো উদ্‌গতিৰ বাট
হেৰ.... .... .... ....
জহন্নামে যাত্ৰা কৰি
বৰ মজা যা লৰি
গলেহে সোৱাদ পাবি
নকৰিবি শংকা।

অসম তথা ভাৰতবৰ্ষৰ পৰাধীনতাৰ দুখেও বৰবৰুৱাক বৰকৈ বেজাৰ দিছিল আৰু সেয়ে ভাৰতবাসীক সজাগ কৰিবৰ উদ্দেশ্যে বৰবৰুৱাই কলম তুলি লৈ কেবাটাও ভাৰতীয় ভাষা সানমিহলি কৰি এটি অভিনৱ ভাৰতীয় জাতীয় সংগীত ৰচনা কৰিছিল—

"শোৱা ঐ শোৱা ঐ ভাৰত সন্তান
হোৱা দুই মন, হোৱা তিনি প্ৰাণ
গোৱা নিজৰ আৰু ঘৈণীৰ জয়
হওক ই ভাৰত পবিত্ৰনৰ।
স্লিপ অন ইণ্ডিয়া লেথৰ্জি
ওৱেক আপ ইও থ্ৰ এনাৰ্জি
তোৰে না ঘুমালে কে ঘুমাবে বল
গৃহিনীৰ মুছাইবে আখি জল
শোনেকু যানেছে দূৰ দূৰ কৰতা
দেখকে দিনমে বৰা ছোট লাগতা

ভাৰতৰ পৰাধীনতাই বৰবৰুৱাক এনেদৰে শোকাকুল কৰিছিল যে পৰিণত বয়সৰ স্থিতধী বৰবৰুৱাই ভাৰৰ বুৰবুৰণিত ইটালী শক্তিমন্ত হোৱাৰ মূল মন্ত্ৰটো মাজু বুৰবুৰণিৰ বিবৰণত বোধগম্য হোৱাৰ পাচত আক্ষেপ কৰিছে এই বুলি—"যি দিনাই বুজি, স্বদেশক আগ কৰি নিজৰ ক্ষুদ্ৰ স্বাৰ্থ, ক্ষুদ্ৰ জাতি আৰু ধৰ্মৰ নামত আচৰা সংকীৰ্ণতাক পিচত ঠাই দিব সেই দিনাই ভাৰতে পৰাধীনতাৰ জিঞ্জিৰি চিঙি স্বৰাজ সোনৰ সাতশৰী গলত দিব। কিন্তু বৰবৰুৱাই উপলব্ধি কৰিছে সুশীল ছাঁত আমি ভাৰতীয় নিদ্ৰালু।"

কৃপাবৰ বৰুৱাই যে কেৱল প্ৰবন্ধপাতি লিখিয়েই ক্ষান্ত আছিল তেনে নহয়; জুগুলি নামৰ ব্যঙ্গ-কৌতুকপূৰ্ণ বাতৰি কাকত এখনো উলিয়াইছিল, যিখন বাতৰি কাকতৰ জাননী এনেদৰে দিছিল—খাই ঔ! খাই ঔ !! খালে ঔ !!! চাওক ! চাওক !! চালে ঔ ! অসমত নতুন !! ভাৰতবৰ্ষত নতুন ঔ !!! পৃথিবীত নতুন ঔ !!! বৃহৎ কাণ্ড ! অদ্ভুত কাণ্ড !! অৰণ্য কাণ্ড ঔ !!! বিৰাট ব্যাপাৰ ! উদ্যোগ ব্যাপাৰ !!! এদাৰ ব্যাপাৰ ঔ !!! .... .... ....নভূত, নাশ্ৰুত নহব, নুপজিব। কৃপাবৰ বৰুৱাই অসমত অবুন্দই উলিয়াবৰ

উদ্যোগ কৰিছে – ।" সেই সময়ত যি কোনো বাতৰি কাকতকে অসমীয়া মানুহে অবুন্দই বুলিছিল, সেয়ে এনে হেন জাননী। এই কাকত বৰবৰুৱাই বিনামূল্যে বিনাডাক মাচুলে দিব বুলিও প্ৰতিশ্ৰুতি দিছিল। কাৰণ 'বৰবৰুৱাই বেছ জানে যে গ্ৰাহকসকলে পঢ়িবও আকৌ পইচাও দিব, ই কেতিয়াও হ'বই নোৱাৰে।' জুগুলীৰ নিয়মাৱলীত বৰবৰুৱাই উল্লেখ কৰিছে যে—"মোৰ তেৰাসকলৰ (গ্ৰাহকসকলৰ) দুখনি অভয় চৰণত বিশেষ মিনতি, যেন ইয়াৰ দিব লগীয়া বেচ কেৰা গোটাই থৈ তেওঁবিলাকে তাৰে নিজ নিজ গৃহলক্ষ্মীৰ কাণৰ কঁৰীয়া এজোৰ গঢ়াই দিয়ে।" বৰবৰুৱাই নিজে কৈছিল এই কাকতত থাকিব গঞ্জাটোপ ডাঙৰীয়াই লিখা ভেমৰ ওপৰত ৰচনা, পূজা কৰি ধন খানি উলিয়াব পৰা আৰু নৰীয়া ভাল হ'বলৈ বিৰি মাদলি দিব পৰা আৰু বন্ধ্যা দোষ গুচাব পৰা বাবাজী ফকিৰে ক'ত আহি আসন পাতিছে তাৰ বাতৰি, অমুকৰ ঘৰত অমুকে খালে, সি কিন্তু কলিকতাত পঢ়িছিল, তাৰ জাত আছে নে নাই তাৰ বাতৰি ইত্যাদি ইত্যাদি। কিন্তু কেইসংখ্যা মান জুগুলি ওলোৱাৰ পাচতেই অপমৃত্যু ঘটিল—কাৰণ নিশ্চয় অৰ্থাভাৱ। জুগুলিৰ অপমৃত্যুৰ শোকে বৰবৰুৱাক এনেকৈ দহিছিল যে 'ঊষা' নামৰ আন এখন কাকতৰ মৃত্যুত সেই শোক এইদৰে উথলি উঠিছিল—"অসমীয়া চিৰকাল পৰৰ ওপৰত খোৱা, ভটীয়া পানীত যোৱা। .... .... .... সিহঁতে পইচা দি বিদেশী কাকত পঢ়ে, কিন্তু অসমীয়া কাকতৰ বেলিকা সিহঁতৰ খুলশালীয়েকৰ মূৰ কেইটা খোৱা যেন পায়।"

ওপৰে ওপৰে চালে যদিও বেজবৰুৱাই কৃপাবৰ বৰুৱা ৰূপ লৈ হাঁহিৰ নজনা অসমীয়াক হঁহুৱাইছিল, তথাপিও এই হাঁহিৰ অন্তৰালত আছিল গভীৰ দুখ। ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই যদিও কৈছিল "বেজবৰুৱাই ৰাইজক হঁহুৱাবৰ বাবেই কৃপাবৰক জন্ম দিছিল, তথাপি এইটোও স্বীকাৰ কৰিছিল "বুকুত খুন্দা মাৰি ধৰা দুখৰ কথা খুলি দহৰ আগত কবৰ বাবেই তেওঁ কৃপাবৰৰ ছদ্মবেশ ধৰিছিল।" নৰকান্ত বৰুৱাদেৱেও 'বেজবৰুৱাৰ জীৱন আলেখ্য' নামৰ প্ৰবন্ধত উল্লেখ কৰিছে—"জাতীয় সম্ভ্ৰম ৰক্ষাৰ যুদ্ধত ব্যঙ্গ হাঁহি তেওঁৰ অস্ত্ৰহে।" বেজবৰুৱাই বৰবৰুৱা ছদ্মৰূপত প্ৰায়বোৰ প্ৰবন্ধতে সমাজ আৰু ব্যক্তিৰ কপটতা, অসাধুতা, ভণ্ডামি, আত্মসন্মান জ্ঞানৰ অভাৱ, ধন আৰু পদ মৰ্য্যাদাৰ অভিমান আদিৰ বিষয়ে বিদ্ৰূপাত্মক উক্তিৰে অথচ হাঁহি কৌতুকৰ মাজেৰে জনসাধাৰণক শিক্ষা দিবলৈ চেষ্টা কৰিছে। যদিও অসমীয়া পাঠকে বেজবৰুৱাক হাস্যৰসিক বেজবৰুৱা বুলিহে জানে, তথাপি এইটোও ঠিক যে তেখেতৰ লিখনিত হাস্যৰসৰ লগতে কৰুণৰসৰো সহাৱস্থান ঘটিছে। এটা মৃতপ্ৰায় জাতিৰ ভাষা সংস্কৃতিৰ দুৰ্দ্দশা দেখি, সৰ্বোপৰি পৰাধীনতাৰ দৈন্য দেখি বেজবৰুৱাৰ অন্তৰত যি শোকে খুন্দা মাৰি ধৰিছিল তাক ঢাকি ৰাখিবলৈহে তেখেত হাঁহিৰ আশ্ৰয় লৈছিল। এই খিনিতেই কবি গুৰু ৰবীন্দ্ৰ নাথৰ এশাৰি কবিতা উল্লেখযোগ্য—

"বলনা সকলি মিথ্যা, সকলি মায়াৰ ছল
বাহিৰে যাৰ হাঁসিৰ ছটা ভিতৰে তাৰ আখি জল।"

অসমীয়া ভাষাৰ উন্নতি সাধন আৰু স্বদেশানুৰাগ বেজবৰুৱাৰ জীৱনৰ দৰ্শন আছিল। বেজবৰুৱা সেই অৰ্থত স্বদেশানুৰাগী নহয়, যিটো তেখেতে ভোকেন্দ্ৰ বৰুৱাৰ অন্তলীলা নামৰ গল্পত এই বুলি উল্লেখ কৰিছে—"কোনো ডেকাই চৰ্কাৰৰ ঘৰত চাকৰি নাপালে, বা চাকৰিৰ পৰা বৰখাস্ত হ'লে আৰু কোনো বুঢ়া অকৰ্মণ্য হ'লে পেট্ৰিয়ট অৰ্থাৎ দেশহিতৈষী হয়।" বেজবৰুৱা নিবনুৱাও নহয়, চাকৰিৰ পৰা বৰ্খাস্ত হোৱা লোকো নহয়, তেওঁ এজন সুপ্ৰতিষ্ঠিত আৰু সদা ব্যস্ত ব্যৱসায়ী। গতিকে বেজবৰুৱাৰ স্বদেশ প্ৰেম নিৰ্ভেজাল।

০ ০ ০

---

★"নিজৰ সুখেই যাৰ জীৱনৰ লক্ষ্য তেওঁ অসৎ, আনৰ প্ৰশংসা পোৱাটোৱেই যাৰ জীৱনৰ লক্ষ্য তেওঁ দুৰ্ব্বল, আনৰ সুখেই যাৰ লক্ষ্য তেওঁহে সৎলোক।"

—টলষ্টয়

# মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ অৱদান

*মধুস্মিতা শইকীয়া*
*উঃ মাঃ একাদশ শ্ৰেণী*

"কোন দূৰ অতীতৰ ধ্যান মগ্ন যোগী তুমি।
তব পুণ্য কিৰণেৰে কৰিলা পবিত্ৰ ভূমি ?
নিৰলে বজায় বীণ কোন কবি কাননত।
স্বৰ্গৰ বাতৰি আনি দিলা দেৱ মৰতত ?"

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে আমাৰ অসমীয়া জাতীয় জীৱনত যি মহৎ প্ৰভাৱ পেলাইছিল সি সচাঁকৈয়ে অতুলনীয়। অসমত নৱ বৈষ্ণৱ আন্দোলনৰ গুৰি ধৰিছিল মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে। আজিৰ অসমীয়া ভাষা-সাহিত্যৰ আৰু সংস্কৃতিৰ স্বকীয় অস্বিত্বৰ মূল এই শ্ৰীমন্ত মহাপুৰুষ জনাৰ প্ৰবল প্ৰভাৱ। এই মহাপুৰুষ জনাৰ প্ৰচেষ্টাতে অসমীয়া ভাষা-সাহিত্য আৰু সংস্কৃতিয়ে এক পতনমুখী অৱস্থাৰ পৰা নৱ জীৱন লাভ কৰে। অসমীয়া ধৰ্মীয় জীৱনত শক্তিশালী প্ৰভাৱ পেলাবলৈ এইজনা মহাপুৰুষে ভালেখিনি গঠনমূলক কাম কৰি থৈ গৈছে।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ একেধাৰে কবি, নট্যকাৰ, সমাজ সংস্কাৰক, ধৰ্ম প্ৰৱৰ্ত্তক, অভিনেতা, সঙ্গীতজ্ঞ আৰু মহান শিল্পী আছিল। তেওঁ এক ঈশ্বৰৰ পৰম ভক্ত আছিল। জটিল আচাৰ-ব্যৱহাৰ, নিয়ম-পালনৰ পৰিবৰ্ত্তে কেনেকৈ ভগৱৎ আৰাধনা কৰিব পাৰি তাকে অসমীয়া জাতীয়জীৱনৰ মাজত দাঙি ধৰাটোৱেই নৱ-বৈষ্ণৱ আন্দোলনৰ মূল কথা। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে তেওঁৰ বহুমুখী প্ৰতিভাৰে সকলোকে মোহিত কৰি থৈ গৈছে। অসমৰ জাতীয় জীৱনৰ সংস্পৰ্শলৈ আহি তেখেতে অসমত কি বস্তুৰ অভাৱ হৈছিল এই কথা বঢ়িয়াকৈ বুজি পাইছিল। অসমীয়া জাতীয় জীৱনত ধৰ্ম, সমাজ, সঙ্গীত এই সকলো দিশতে সেই সময়ত আউল লাগিছিল। সেই আউল ভাঙি এক সু-শৃঙ্খল পৰিবেশ সৃষ্টি কৰাটো অতি প্ৰয়োজনীয় হৈ হৈ পৰিছিল। ধৰ্মৰ নামত শোষক, ব্যভিচাৰিয়ে সমাজত কিল বিলাই ফুৰিছিল। সঙ্গীত, কলা আৰু সুকুমাৰ শিল্পৰ বিৰুদ্ধে সৃষ্টি হোৱা অৱহেলিত পৰিবেশে অসমীয়া সমাজ গ্ৰাস কৰিবলৈ লৈছিল। সেই সময়ত প্ৰয়োজন হৈছিল এনে এজন ব্যক্তি যি আধ্যাত্মিক চিন্তাধাৰাৰ শুদ্ধ পথ দেখুৱাই গঠনমূলক মনোভাৱেৰে অসমীয়া জাতীয় সমাজ গঢ় দিব পাৰে। শ্ৰীমন্ত শঙ্কৰদেৱে এনে এক মহান দায়িত্ব লবলৈ আগ বাঢ়ি আহিছিল। অসমীয়া ভাষা-সাহিত্যত যি অৱহেলিত পৰিৱেশৰ সৃষ্টি হৈছিল তেওঁ সেই পৰিৱেশ ধুই নিকা কৰি থৈ গৈছে।

শ্ৰীমন্ত শঙ্কৰদেৱে প্ৰচাৰ কৰা ভাগৱতী ধৰ্মৰ মূল মন্ত্ৰ আছিল "এক দেৱ, এক সেৱ; তেওঁ বিনে নাই কেও।" পবিত্ৰ ভাগৱত ধৰ্মই আছিল মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ চিন্তাধাৰা আৰু মতৰ উৎস। জনসাধাৰণৰ আধ্যাত্মিক যান্ত্ৰনা আৰু উন্নতিৰ হকে শঙ্কৰদেৱে ভাগৱতী বৈষ্ণৱ ধৰ্মমত প্ৰচাৰ কৰিছিল। সেই এক শৰনীয়া ধৰ্ম মতে নিৰ্গুণ কৃষ্ণৰ গুণৰ শ্ৰৱণ কীৰ্ত্তনতকৈ উত্তম বস্তু একো নাই।

"ভাগৱতৰ ধৰ্ম উদ্ধাৰি শঙ্কৰে,
অমৃতক কৰে প্ৰচাৰ,
ভক্তৰ মনে মজি কেৱল ভকতি,
ভাঙিয়া দিলে ভাণ্ডাৰ।"

এনে ধৰণে তেওঁ ভক্তি ধৰ্ম প্ৰচাৰ কৰিছিল। অৰ্থাৎ ভগৱানক পাবলৈ ভক্তি মাৰ্গৰেহে যাব লাগিব। শঙ্কৰদেৱৰ প্ৰৱৰ্ত্তিত বৈষ্ণৱ ধৰ্মৰ চাৰিটা খুটি হ'ল— নাম, দেৱ, গুৰু আৰু ভকত।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে তেখেতৰ সৃজনীমূলক লেখনীৰে এক অপূৰ্ব্ব সাহিত্য ভাণ্ডাৰ সৃষ্টি কৰি থৈ গৈছে। শঙ্কৰী সাহিত্যক লৈ অসমীয়া ভাষা-সাহিত্যৰ জীৱন আজিও সু-গঢ়িত হৈ আছে। তেখেতে ৰুক্মিণী হৰণ, ভক্তি-প্ৰদীপ, কীৰ্ত্তন, দশম, পাৰিজাত হৰণ, বৰগীত আৰু গুণমালা আদিৰ মাজেৰেই অসমীয়া জাতীয় জীৱনত তেখেতৰ প্ৰৱল প্ৰভাৱ পেলাইছিল। তেখেতৰ ৰচিত গ্ৰন্থসমূহক কাব্য, ভক্তিতত্ব, অনুবাদ মূলক, অঙ্কীয়া নাট, গীত, নাম প্ৰসঙ্গ এই ছটা ভাগত ভগাব পাৰি। শ্ৰীমন্ত শঙ্কৰদেৱ ৰচিত গ্ৰন্থ সমূহ অতুলনীয়।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱেই অসমত খোল-তালৰ প্ৰবৰ্ত্তক। মহাপুৰুষ শঙ্কৰদেৱে নাচ, ওজাপালি, চিহ্নযাত্ৰা, অভিনয় এই সকলো অঙ্গকে সামৰি সম্পূৰ্ণ অৱয়বৰ নাট আৰু ভাওনাৰ সৃষ্টি কৰিলে। শঙ্কৰদেৱৰ অঙ্কীয়া নাটসমূহ অসমীয়া সাহিত্যতে অনিৰ্বচনীয় দান। অংকীয়া ভাওনাৰ সূত্ৰধাৰৰ সূত্ৰত অসমীয়া গদ্য ৰীতিৰ প্ৰথম চানেকি তেখেতেই ডাঙি ধৰিলে। বৰগীতৰ নিচিনা আধ্যাত্মিক গীতৰ প্ৰৱৰ্ত্তক তেখেতেই। এই বৰগীত সমূহ কোনো বিদেশী আধ্যাত্মিক গীততকৈ কোনো গুণহীন নহয়। মহাপুৰুষ শংকৰদেৱে নামঘৰৰ জৰিয়তে অসমীয়া সমাজখন গঢ়াৰ চিন্তা কৰিলে। নামঘৰকে কেন্দ্ৰ কৰি ধৰ্মজ্ঞান বিলোৱা সহজ হৈ পৰিল। ভাওনাই অসমীয়া জাতীয় জীৱনক আনন্দিত কৰিলে। বক্সীবিহীন অসমীয়া সমাজলৈ ধৰ্মজ্ঞান নামঘৰৰ দ্বাৰাই সিঁচি গ'ল। ধৰ্মৰ জাতিভেদ হেৰাই গৈ অস্পৃশ্যতা বৰ্জনৰ ঘাই স্তম্ভ নাম ঘৰতেই পুতি দিলে। ওজা, ঢুলীয়া আৰু খুলীয়ৰো জন্ম দিলে নামঘৰেই আৰু অসমীয়া জাতীয় জীৱনক নতুন ৰূপে গঢ় দিলে এই

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ............/৯

নামঘৰেই ।

শংকৰদেৱে সঙ্গীতৰ অমৃত-ভাণ্ডাৰ ব্ৰহ্মাণ্ডক ভেদি অসমীয়া জাতীয় জীৱনত বোৱাই দি গোটেই জাতিটোকে সঙ্গীতমুখৰ কৰি তুলিলে। সেয়েহে অসমীয়া জাতিৰ একতাৰ দোল স্বৰূপে—

'এ শংকৰ গুৰু কি নামে বান্ধিলা ভেটি
শংকৰ গুৰু কি নামে বান্ধিলা ভেটি
তোমাৰ গীতে মাতে কবিতা সুৰেৰে
আমি অসমীয়া জাতি ।"

ইয়াৰ উপৰিও তেখেতে সত্ৰীয়া নৃত্যক সোণোৱালী সাজপাৰ পিন্ধাই আ-অলংকাৰে ভূষিত কৰি অসমীয়া ভাষা-সাহিত্যৰ সমাজক সচকিত কৰি তুলিলে ॥

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে সকলো সময়তে সকলোকে আনন্দ দিব পৰা বিবিধ জ্ঞানৰ সফঁুৰা অসমীয়া জাতিক দি গৈছে। সকলোকে সমান চকুৰে আদৰি লৈ পৰক নিন্দা নকৰি নিজে থিৰে থাকি অসমীয়া সমাজখন মহান গাঁঠনিৰে বান্ধি থৈ গ'ল মহাপুৰুষ শংকৰদেৱে। শংকৰদেৱৰ ধৰ্ম মতে আমি এক ঈশ্বৰক উপাসনা কৰিব লাগে। সেয়েহে তেওঁ অসমীয়াক জাগৰিত কৰি থৈ গৈছে—

"অন্য দেৱী দেৱ নকৰিবা সেৱ
মূৰ্ত্তিকো নাচাইবা তাৰ।
গৃহো নপশিবা প্ৰসাদো নাখাইবা
ভক্তি হৈব ব্যভিচাৰ ॥"

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জীৱনটো এটা মহান যজ্ঞ অনুষ্ঠান। তেখেত আছিল অসমৰ উজ্জ্বল নক্ষত্ৰ। যি দৰে নক্ষত্ৰৰ পোহৰ পৰি পৃথিৱীখন আলোকিত হয় সেইদৰে শংকৰদেৱৰ পোহৰত অসম দেশ তিৰবিৰাই উঠিছিল। সূৰ্য্যৰ কিৰণ পৰি পানীৰ জলাধাৰ যেনেকৈ জিকমিকাই উঠে, ঠিক তেনেকৈয়ে শংকৰদেৱৰ লেখনিৰে অসমীয়া সাহিত্য-সমাজ জিকমিকাই উঠিছিল ॥ মেঘৰ গৰ্জনে যেনেকৈ মেদিনী কঁপাই তোলে তেনেকৈ শংকৰদেৱৰ গীত, তাল, ঢোল, খোলে অসম দেশ কঁপাই তুলিছিল। এনে এজন মহাপুৰুষ আমাৰ মাজতে জন্ম গ্ৰহণ কৰিছিল।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে পৃথিৱীৰ উন্নত, সুস.্য জাতি এটা জীয়াই থাকিবলৈ যিখিনি সম্বলৰ প্ৰয়োজন— ধৰ্ম, ভাষা, সাহিত্য, দৰ্শন, কলা-সংস্কৃতি, নাট-গীত আদি দান কৰি গণতন্ত্ৰ, সাম্যবাদ, সমন্বয়ৰ মহা আদৰ্শৰে অসমীয়া জাতিক বিশ্বৰ শ্ৰেষ্ঠ জাতিসমূহৰ আগশাৰীত স্থান দিছিল।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ প্ৰভাৱেৰে প্ৰভাৱান্বিত হৈ তেখেতৰ প্ৰেৰণাকে বুকুত বান্ধি আমি সকলোটি মিলি জুলি গুৰুজনাৰ মান তথা অসমীয়া ভাষা-সাহিত্য-সমাজক ৰক্ষা কৰোহঁক। আমি তেৰাৰ চৰণত চিৰঋণী।★

০ ০ ০

(★বিভিন্ন গ্ৰন্থ প্ৰবন্ধত সহায় লৈ★)



# বনফুলৰ কবি যতীন্দ্ৰনাথ দুৱৰা

ৰূপলেখা ভূঞা
স্নাতক ২য় বাৰ্ষিক ॥

কাব্যযোগী যতীন্দ্ৰনাথ দুৱৰা অসমীয়া সমাজত এক সঁাথৰ স্বৰূপ হৈ জিলিকি আছে। অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি দুৱৰাদেৱ আছিল অসমীয়া ভাষাত প্ৰথম কথা-কবিতাৰ জন্ম দিওঁতা। ডঃ সূৰ্য্য কুমাৰ ভূঞা ডাঙৰীয়াৰ ভাষাত কবলৈ গলে, "কবি যতীন্দ্ৰনাথ দুৱৰা এজন কবিয়ে নহয়, তেওঁৰ জীৱনটোৱে এটা দীঘল কবিতা।"

বিশ্ববিদ্যালয়ৰ উচ্চ ডিগ্ৰী লৈও কবি দুৱৰাই কোনো উচ্চ পদস্থ চৰকাৰী চাকৰিলৈ মন নেমেলিলে। অতি সহজ-সৰল ভাবে শিক্ষকতাকে জীৱনৰ অৱলম্বন হিচাপে লৈ আজীৱন চিৰকুমাৰ হৈয়ে থাকি দেশ-বিদেশৰ সাহিত্য চৰ্চ্চাৰে তেওঁ অসমীয়া কাব্য-ফুলনি জাতিকাৰ কবি গ'ল।

১৮৯২খ্ৰীঃত ৪ মাৰ্চ শুকুৰবাৰে ৰংপুৰৰ দিখৌপাৰৰ আমোলাপট্ৰিত যতীন্দ্ৰ না। দুৱৰাৰ জন্ম হয়। তেওঁৰ পিতৃ আছিল চাৰিঙৰ বিখ্যাত দুৱৰা কাকতি বংশৰ শ্যামসুন্দৰ দুৱৰা। যতীন্দ্ৰনাথ দুৱৰাৰ মাতৃ বিখ্যাত ৰায় বৰুৱা বংশৰ জীয়াৰী পুণ্যদা বৰুৱা। চিৰশিশু-সুলভ দুৱৰাদেৱ মাক-দেউতাকৰ নুমলীয়া সন্তান। চালুকীয়া অবস্থাতে তেওঁৰ পিতৃৰ বিয়োগ হোৱাত পিতৃ স্নেহৰ পৰা বঞ্চিত হ'ব লগা হয়। ইয়াৰ কিছুদিনৰ পিছতে তেওঁৰ মাজু ককায়েকৰো অকাল বিয়োগ ঘটে। সৰুতে যতীন্দ্ৰ নাথ দুৱৰাক ঘৰত সকলোৱে "কেদাৰ" বুলি মাতিছিল। দেউতাকে নিজৰ নামৰ লগত মিলাই সোঁৱৰণীৰ নাম ৰাখিছিল শিৱসুন্দৰ দুৱৰা। স্কুলীয়া জীৱনত অৱশেষ যতীন্দ্ৰনাথ দুৱৰা নামেৰেই পৰিচিত হয়। পিছত হেনো কোনোবাই 'কেদাৰ' বুলি মাতিলে বা ধেমালি কৰিলে বেয়া পাইছিল।

দুৰ্ভাগ্যৰ বিষয় যতীন্দ্ৰনাথ দুৱৰাই পঢ়াশালীয় শিক্ষা বঙলা মাধ্যমেৰে আৰম্ভ কৰিবলগীয়া হৈছিল। তাৰবাবে তেওঁৰ মনত সদায় এটা আক্ষেপ আছিল। এদিন তেওঁৰ বঙালী শিক্ষক ৰামমোহন মিত্ৰই কৈছিল,—"তুমি যে মাতৃভাষা মাতৃভাষা কৰ, মাতৃভাষা আবাৰ কি?" দুৱৰাই তপৰাই উত্তৰ দি কৈছিল,—

"মাকৰ কোলাত উঠি যিটো ভাষাৰে আই বুলিব শিকে সিয়ে আমাৰ মাতৃভাষা ; দুখৰ বিষয় আমি সেই মাতৃভাষাৰ পৰা বঞ্চিত।" —এই বুলি কৈ অকণমাণি লৰাটিয়ে হুকহুকাই কান্দি পেলাইছিল। ৰামমোহন মিত্ৰই মূৰত হাত বুলাই সান্ত্বনা দিছিল—"তুমি পাবৰে, তোমাৰ মাতৃভাষা ফিৰে আচবে। তুমি আৰ কাদ না।"

দুৱৰাৰ কবিতা লিখাৰ হেপাঁহ সৰুৰে পৰা। পোনতে স্কুলৰ হাতে লিখা আলোচনীত দুই এটি কবিতা প্ৰকাশ কৰিছিল। স্কুলীয়া কালতে Twinkle Twinkle little star, How I wonder what you are" —কবিতাটিৰ অসমীয়া ভাঙনি—

"চিকমিকি চিকিমিকি সৰু তৰাটিৰ
কেনেকৈ শোভা কৰে ওখ আকাশত
চিকিমিকি কৰি কৰি হীৰাৰ দৰে জ্বলি
লাহে লাহে পৃথিবীক দিছেহি পোহৰ
যেতিয়াই সূৰ্য্যদেৱে পশ্চিমলৈ যায়—
চিকমিক কৰি থকা গোটেই ৰাতিটি,।"

কবিতাটিৰ অসমীয়া ভাঙনি দেখি কবি বেণুধৰ ৰাজখোৱাই কবিক প্ৰথমে লিখাৰ প্ৰেৰণা যোগায়। কিন্তু সাহিত্যৰ ক্ষেত্ৰত লক্ষ্মীনাথ বেজবৰুৱাদেৱেহে আছিল দুৱৰাৰ দীক্ষাগুৰু। দুৱৰা যেতিয়া তৃতীয় বাৰ্ষিকৰ ছাত্ৰ আছিল, বেজবৰুৱাদেৱে সেই সময়তে অৰ্থাৎ ১৯১১ খ্ৰীঃত কলিকতাৰ পৰা 'বাঁহী' প্ৰকাশ কৰে। বাঁহীৰ প্ৰধান সাৰথি আছিল দুৱৰাদেৱ। বেজবৰুৱাদেৱৰ বাঁহীৰ পাতে পাতে কবি দুৱৰাৰ কাব্য-কলাই পৰিপূৰ্ণতা লাভ কৰে। বেজবৰুৱাদেৱে তেওঁক উদগনি দি কৈছিল—"লিখি যোৱা লিখি যোৱা, ভাল হ'লে বৈ যাব, বেয়া হলে হাতৰ খজুৱতি পলাব।" আনন্দচন্দ্ৰ আগৰৱালাদেৱেও দুৱৰাক ভালেখিনি প্ৰেৰণা যোগাইছিল। কবিৰ সৰহ ভাগ কবিতাৰ প্ৰকাশৰ মূলতে আছিল, মাধৱ বেজবৰুৱা, বিৰিঞ্চি কুমাৰ বৰুৱা, হৰেণ কলিতা, লক্ষ্মীধৰ শৰ্মা আৰু ৰোহিণী বৰুৱা প্ৰমুখ্যে—তেতিয়াৰ কলিকতা নিবাসী অসমীয়া ছাত্ৰ সমাজ।

পাৰস্যৰ বিখ্যাত জ্যোতিৰ্বিদ কবি ওমৰ খৈয়ামৰ 'ৰুবায়ত' পুথিখন কবি দুৱৰাদেৱে ১৯৮২৫ খ্ৰীঃত অতি সুন্দৰ আৰু সাবলীল ভাবে অসমীয়া ভাঙনি (ওমৰ-তীৰ্থ) কৰি উলিয়ায়। এই কামত প্ৰধানকৈ পেৰণা যোগাইছিল লক্ষ্মীধৰ শৰ্মাদেৱে। ছপাশালনাৰ পৰা অনাৰ পাছত পুথিখনে পঢ়ুৱৈ সমাজত বেছ আলোড়নৰ সৃষ্টি কৰিলে। ওমৰ তীৰ্থত আছে—"ধৰা প্ৰিয়তম প্ৰাণৰ পিয়লা জীৱন মদিৰা ভৰাই দিয়া"—এই কথা ফাঁকিৰ বাবে কবিয়ে নানা সমালোচনাৰ সন্মুখীন হব লগা হৈছিল। এনেবোৰ সমালোচনাই অভিমানী দুৱৰাক কিছু উন্নতহে কৰিছিল।

১০৫ টা স্তৱকত ৰচনা কৰা 'ওমৰ-তীৰ্থ'ৰ কবিতাবাজি 'এডাল সূতাৰে গাঁথি লোৱা এধাৰি মণি। আনহাতে প্ৰতিটো মণিৰ নিজস্ব সৌন্দৰ্য্যৰ দৰে প্ৰত্যেকটো স্তৱকেই স্বয়ংসম্পূৰ্ণ অৰ্থ প্ৰকাশক।' ওমৰ-তীৰ্থ অনুবাদ পুথি হ'লেও দুৱৰাৰ হাতত এনে এটি ৰূপ ললে যিটি মূলৰ কথা আৰু ভাব অটুট ৰাখিও অনুবাদ বুলি চিনিব নোৱাৰাকৈ মৌলিক কবিতাৰ দৰেই ৰসাল আৰু সহজ আবেদনশীল হৈ পৰিল। সেয়েহে কোৱা হয়, ওমৰ-তীৰ্থ "কবিৰ বুকুৰ তেজৰ তপত উমনিৰে সজীৱ কৰি লোৱা পুথি। 'কৰপৰা আহিছো আৰু কলৈ যাম' এই অনন্ত প্ৰশ্নৰ প্ৰতি কবিৰ মন ব্যাকুল। কাৰণ ওমৰৰ মতে বৰ্ত্তমানেই সকলো। যিমান পাৰা বৰ্ত্তমানক উপভোগ কৰি লোৱা—"Eat, drink and be merry for tomorrow you de" অসমীয়া সাহিত্যত এইখনেই শ্ৰেষ্ঠ ভাঙনি কাব্য। ওমৰ-তীৰ্থ অনুবাদ পুথি হ'লেও নিজৰ বুকু ভেদি ওলোৱা শান্ত নিজৰা স্বৰূপ।

১৯৫৮ চনত দুৱৰাৰ শেহতীয় কবিতা পুথি "মিলনৰ সুৰ" প্ৰকাশ পায়। হাফিজৰ ইংৰাজী সংস্কৰণ আৰু চুফিতত্ব সম্পৰ্কে গভীৰ অধ্যয়ন কৰি মিলনৰ সুৰৰ জন্ম দিয়ে। সাতশ বছৰৰ আগেয়ে ইৰাণৰ ফুলনিত অনুৰণিত হোৱা কবি হাফেজৰ প্ৰাণৰ বাণীৰ প্ৰতিধ্বনিয়ে হৈছে দুৱৰাৰ 'মিলনৰ সুৰ'।

দুৱৰাৰ দ্বিতীয় প্ৰকাশিত কবিতাপুথি "কথা-কবিতা" (১৯৩৩ খ্ৰীঃ) অৰ্থাৎ Poems in Prose বিশ্ববিশ্ৰুত ৰুছদেশীয় ঔপন্যাসিক আইভান টুৰ্গেনিভৰ মৃত্যুশয্যাৰ পৰা জগতবাসীলৈ দি যোৱা অভিনৱ দান। দুৱৰাৰ কথা-কবিতাৰ ৰচনাৰ গুৰিতে চন্দ্ৰকুমাৰ আগৰৱালা আৰু আনন্দচন্দ্ৰ আগৰৱালা। এই দুইজনা কবিৰ প্ৰেৰণাতে দুৱৰাৰ কথা-কবিতা নোহোৱা নোপোজা কবিতাৰ পুথি হিচাপে প্ৰকাশ পালে। দুৱৰাৰ 'কথা-কবিতা' কবিতাৰ দৰে কবিৰ ব্যক্তিগত জীৱনৰ পাণ্ডুলিপি মাথোন। একেটি কেন্দ্ৰস্থ ভাৱক ভেটি কৰিয়েই কথা-কবিতা ৰচনা কৰা হয়। বহতো কথা-কবিতা বৰ্ণনাবহুল আৰু ৰূপকধৰ্মী চুটি গল্প।

'বাঁহী', 'আৱাহন' আদি বিভিন্ন আলোচনীত প্ৰকাশিত দুৱৰাৰ খণ্ড কবিতা সংকলন 'আপোন-সুৰ' আৰু 'বনফুল'। 'বনফুল'ৰ বাবেই ১৯৫২ খ্ৰীঃত কবি দুৱৰাই সাহিত্য একাডেমীৰ পাঁচ হেজাৰ টকীয়া পুৰস্কাৰ প্ৰথমবাৰৰ বাবে লাভ কৰে। ডঃ বাণী কান্ত কাকতিৰ মতে বনফুল "কেৱলীয়া গ্ৰন্থকাৰৰ আপডাল নোপোৱা অন্তৰ বাৰুৰণিত আপোনা-আপুনি ফুটি ওলোৱা ফুলৰ কৰণি।"

"আপোন-সুৰৰ", 'অতীতক যোৱাহে পাহৰি', 'অতীতক নাযাবা পাহৰি', 'আজি মোক যোৱাহে পাহৰি' আৰু 'শূন্য পৰিচয়' পাহৰণি তত্বৰ কবিতাবাজি কবিৰ জীৱন দৰ্শনৰ প্ৰতিলিপি। প্ৰথম কবিতা সংকলনটিৰ প্ৰথম কবিতাতে কবিয়ে গাইছে—

"অকলে আপোন মনে বহি নিৰলাত
ৰচোঁ মই নিজানৰ গান।"
(আপোন-সুৰ)

দুৱৰাৰ কবিতাৰ বৈশিষ্ট্য হৈছে ৰূপকৰ প্ৰয়োগ। নদী, নাও, নাৱৰীয়া, বাটৰুৱা, জেতুকা পাত, লুইত আদিক বিভিন্ন অৰ্থত প্ৰতীক

হিচাপে ব্যৱহাৰ কৰিছে ।

কবিৰ ওপৰত প্ৰাচ্য আৰু পাশ্চাত্যৰ প্ৰভাব পৰিলেও দুৱৰাই নিজস্ব সত্বা কোনো কবিৰ পদচ্ছায়াতে বিলীন কৰি দিয়া নাই । কবি যতীন্দ্ৰনাথ দুৱৰাৰ কবিতাত শ্যেলীৰ প্ৰভাব আটাইতকৈ গভীৰ। সেয়ে হ'লেও দুৱৰাৰ কবিতা পঢ়িলে যেনেদৰে শ্যেলীৰ কবিতা পঢ়া নহয়, শ্যেলীৰ কবিতা পঢ়িলেও দুৱৰাৰ কবিতা পঢ়া নহয় । দুই এটি কথাত মিল থাকিলেও আদৰ্শ আৰু লক্ষ্য সম্পূৰ্ণ বিপৰীত । শ্যেলীৰ কবিতাত এটি বিদ্ৰোহমূলক জীৱন দানৰ সন্ধান পোৱা যায় । কিন্তু দুৱৰাই জগতৰ অনাদৰ-অবহেলাক নিজৰ বুকুতে সাৱটি লৈ লোকচক্ষুৰ অন্তৰালত আত্মগোপন কৰিব বিচাৰে । অৱশ্যে দুৱৰাৰ কবিতাৰ সাংগতিক আধাৰ কীট্‌চৰ পৰাহে সংগৃহীত ।

দূৰৰাক একেবাৰতে অকল প্ৰেমৰ কবি বা দৰদী কবি বুলি কৈ থলে, কবিৰ প্ৰতিভাৰ প্ৰকৃত মূল্যাংকন কৰা নহয় । "শ্ৰীশংকৰদেৱ" কবিতাটিত ব্যক্তি পূজাৰ লগতে বৈষ্ণৱ আন্দোলন তথা ধৰ্ম আন্দোলনৰ প্ৰতি কবিৰ আবেগিক সত্য প্ৰকাশ পাইছে । কবিৰ স্বদেশ মন্ত্ৰ ধ্বনি উচ্চাৰিত আন এটি সাৰ্থক কবিতা "আৱৰ্তি" ।

দুৱৰাৰ কবিতা সৰ্বজন সমাদৃত হোৱাৰ অন্যতম কাৰণ ভাষা আৰু ছন্দ । ড° বিৰিঞ্চি কুমাৰ বৰুৱাৰ কথাত "তেওঁৰ কবিতাত ভাষাৰ জটিলতা, শব্দৰ দুৰ্বোধ্যতা, অৰ্থৰ অস্পষ্টতা নাই । তেওঁৰ কাব্যৰ ভাষা শিশুৰ দৰে সৰল, স্বভাৱ-সুন্দৰী ৰমণীৰ দৰে নিৰলংকাৰ ।"

যতীন্দ্ৰ নাথ দুৱৰা প্ৰকৃত কবি । নিজৰ জীৱনৰ প্ৰতি আৰু সংসাৰৰ প্ৰতি উদাসীন হোৱাটো আছিল কবিৰ নিজৰ মানসিক সংঘাত । কবি হিচাপে দুৱৰা অতি অভিমানী আৰু লাজকুৰীয়া স্বভাৱৰ আছিল ।

১৯৬৪ চনৰ ৫ জুলাই তাৰিখে এইজনা মহান কবিৰ জীৱন-বন্তি কালৰ বুকুত হেৰাই গ'ল । লগে লগে মৰণে কাঢ়ি লৈ গ'ল কবিৰ অন্তৰৰ হাহাকাৰ । কবিৰ স্মৃতিত আজি সুঁৱৰি চাইছোঁ কবিৰ "অতীতক যোৱাহে পাহৰি" ৰ আহ্বান । কিন্তু নোৱাৰো ; কবিয়ে নিজৰ পথ নিজে বন্ধ কৰি গৈছে । তেওঁৰ ৰচনাৰাজিৰ কাৰণে আমি কবিক চিৰকালেই সুঁৱৰিব লাগিব ।✱

✱ ( বিভিন্ন প্ৰবন্ধ গ্ৰন্থৰ সহায় লৈ লিখা )



# বিষ্ণু প্ৰসাদ ৰাভা

অঞ্জু বৰা
স্নাতক ২য় বাৰ্ষিক ॥

বিষ্ণু ৰাভা । সকলোৰে এটি অতি পৰিচিত নাম । এইজনা নেতাৰ নাম নুশুনা মানুহ অসমত নাই । তেওঁ আছিল অসমীয়াৰ হৃদ্‌পিণ্ড স্বৰূপ । তেওঁ আছিল একেধাৰে গায়ক, গীতিকাৰ, সুৰকাৰ, নৃত্যশিল্পী, অভিনেতা, চিত্ৰকৰ, সাহিত্যিক, জনতাৰ পূজাৰী, সৰ্বগুণসম্পন্ন বিপ্লৱী ।

১৯০৯ চনৰ ৩১ জানুৱাৰী তাৰিখে ঢাকা নগৰত বিষ্ণুপ্ৰসাদ ৰাভাৰ জন্ম হয় । তেখেতৰ দেউতাকৰ নাম আছিল চৰ্দাৰ বাহাদুৰ গোপালচন্দ্ৰ ৰাভা আৰু মাকৰ নাম আছিল গেথী বাই ।

তেখেতে ঢাকাতেই প্ৰাথমিক শিক্ষা আৰম্ভ কৰে । পিতাকৰ মৃত্যু হোৱাৰ পিছত তেওঁলোকৰ পৰিয়ালটো তেজপুৰলৈ স্থানান্তৰ হয় । তেজপুৰ চৰকাৰী হাইস্কুলত হাইস্কুলীয়া শিক্ষা আৰম্ভ কৰি ১৯২৬ চনত তেতিয়া দৰং জিলাৰ ভিতৰত প্ৰথম হৈ প্ৰথম বিভাগত প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয় আৰু "কুইন এম্প্ৰেচ" পদক লাভ কৰে । ১৯২৮ চনত কলিকতাৰ 'চেণ্টপল্‌' কলেজৰ পৰা আই-এছ চি পাছ কৰে আৰু বি-এছ-চিত ৰিপন কলেজত ভৰ্তি হয় । কিন্তু ১৯৩০ চনত ৰাভাই কোচবিহাৰলৈ আহি ইংৰাজীত অনাৰ্চ লৈ পঢ়িবলৈ ধৰে । ৰাভাই বি, এ পৰীক্ষালৈ সাজু হওঁতেই কোচবিহাৰত স্বদেশী আন্দোলনে সকলো ওলট-পালট কৰি দিলে ।

১৯৩০ চনত মহাত্মা গান্ধীৰ আহ্বানত দেশত আৰম্ভ হোৱা অসহযোগ আন্দোলনত বিপ্লৱী ৰাভা জপিয়াই পৰিল । তেওঁৰ ছাত্ৰ জীৱনো সিমানতে সামৰণি পৰিল । ১৯৪৬ চনৰ পৰা ১৯৫২ চনলৈকে ৰাভাই চৰকাৰৰ কোপদৃষ্টিত পৰি পলাতক অৱস্থাত ঘূৰি ফুৰিব লগাত পৰে । এই সাহসী ৰাভাই কোচবিহাৰৰ ৰাজভৱনৰ সন্মুখত পঠা ছাগলীৰ তুলনাৰে বাংলা ভাষাত 'পোষ্টাৰ' লিখি থৈ আহিল—

ৰাজ্যত আছে দুটা পঠা
এটা ক'লা আনটো বগা
দেশৰ যদি মংগল চোৱা
দুয়োটা পঠাক বলি দিয়া ।

কি দুঃসাহস ! আৰু এদিন ভিক্টোৰীয়া কলেজ, জেনকিন্স হাইস্কুল আৰু ৰাজপ্ৰাসাদৰ গেটত ত্ৰিৰংগ পতাকা উৰুৱাই থৈ আহিল। ৰংপুৰত পঢ়া কালত তিনি মহলীয়া প্ৰসাদৰ চূড়াত উৰি থকা ইংলেণ্ডৰ ইউনিয়ন জেকখন নমাই ভাৰতীয় ত্ৰিবৰ্ণ পতাকা উৰুৱাই থৈ আহিল ৰাভাই অকলে। আৰু ইংৰাজৰ পতাকা পুৰি পেলালে। এই অপৰাধত তেওঁক ভিক্টোৰীয়া কলেজৰ পৰা বহিষ্কাৰ কৰা হয়। ৰাভা খেলৰ বাবে বৰ জনপ্ৰিয় আছিল বাবে বিশেষ একো শাস্তি নিদিলে।

ৰাভাই চৰকাৰৰ চকুত ধূলি মাৰি পলাতক অৱস্থাত অনেক ঠাই ঘূৰি ফুৰিছিল। কিন্তু ১৯৫২ চনৰ ১৭ জুলাইৰ দিনা অকণমান অসাৱধানতাৰ কাৰণে কোকোৰাঝাৰৰ ওচৰৰ ঘিলাগুৰিত বিষ্ণুৰাভা পুলিচৰ হাতত ধৰা পৰিল। অৱশেষ এবছৰৰ পিছত অৰ্থাৎ ১৯৫৩ চনত জেলৰ পৰা মুক্তি লাভ কৰে।

১৯৬২ চনত চীনা আক্ৰমণৰ সন্দৰ্ভত তেওঁক পুলিচে পুনৰ গ্ৰেপ্তাৰ কৰে যদিও ১৯৬৩ চনৰ ২৪ আগষ্টত উৰিষ্যাৰ বৰহমপুৰ জেলৰপৰা মুক্তি লাভ কৰে।

আন্দোলনৰ সময়তে বিষ্ণুৰাভাৰ বিবাহো হৈছিল। তেওঁৰ পত্নী আছিল তিনি গৰাকী। প্ৰিয়লতা ৰাভাৰ লগত ১৯৩৫ চনত কলিকতাত বিবাহ হৈছিল, কিন্তু ডেৰ মাহৰ পাছতে নিউমিনিয়া ৰোগত প্ৰিয়লতাৰ মৃত্যু হয়। তেওঁৰ আন দুগৰাকী পত্নী আছিল কনকলতা ৰাভা আৰু মোহিনী ৰাভা।

১৯৬৭ চনত ৰাভাই তেজপুৰ সমষ্টিৰ পৰা নিৰ্দলীয় প্ৰাৰ্থী হিচাপে অসম বিধান সভালৈ নিৰ্বাচিত হয়। ৰাভাৰ ৰাজ নৈতিক জীৱনৰ লগতে নৃত্য-গীতৰ জীৱন আৰম্ভ হয়। আজন্ম শিল্পী ৰাভাৰ বহুমুখী প্ৰতিভা ক্ৰমান্বয়ে উদ্ভাসিত হ'বলৈ ধৰিলে।

ঢাকাত থাকোঁতেই ৰাভাই নৃত্যগীত শিক্ষাৰ পাতনি মেলিছিল। কলিকতাত বিখ্যাত সংগীতজ্ঞসকলৰ সান্নিধ্যলৈ আহি লগ পাইছিল বিশ্ব-বিখ্যাত ৰুছদেশৰ নৃত্য-পটীয়সী আনা পাভলোভাক। পাভলোভাৰ নিৰ্দেশ মানি লৈ ৰাভাই আৰম্ভ কৰিলে থলুৱা ওজাপালি, সত্ৰীয়া আৰু বিভিন্ন লোক-নৃত্য আৰু গীতৰ গৱেষণা। সেই সময়তে লগ পালে সুন্দৰৰ পূজাৰী জ্যোতি প্ৰসাদ আগৰৱালাক।

সৰুৰে পৰা ৰাভাৰ অভিনয়ৰ প্ৰতি বৰ বাপ আছিল। সাত বছৰ বয়সত ঢাকাত থকা সময়ত ফৌজী বিলাকে কৰা হৰিশ্চন্দ্ৰ নাটৰ ৰোহিতৰ ভাও লৈ দৰ্শকক চমক লগাইছিল। বাৰ বছৰ বয়সত তেজপুৰৰ উচ্চ ইংৰাজী বিদ্যালয়ত পঢ়ি থকা সময়ত আলিবাবা নাটকৰ মৰ্জিয়োনাৰ ৰূপত নাচিছিল। প্ৰবেশিকা পৰীক্ষাৰ পাছত তেওঁ বহু নাটকত অভিনয় কৰিছিল।

আনহাতে 'এৰাবাটৰ সুৰ' কথা-ছবিত ভজলুংকাই, 'প্ৰতিধ্বনি'ত খাচীয়া ৰাজা চিয়েমৰ আৰু বঙালী কথা-ছবি মাহুত বন্ধুৰেত গাওঁবুঢ়াৰ অভিনয় কৰিছিল।

১৯৩১ চনত ৰাভাই এগ্লোপিকাৰ্চছ কৰ্পোৰেশ্যন খুলি চলচিত্ৰ নিৰ্মাণৰ বাবে চেষ্টা চলাইছিল। তেনে সময়তে তেওঁ লগ পায় ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাক। আগৰৱালাৰ সহযোগত ৰাভাই ১৯৩৫ চনত জ্যোতি প্ৰসাদৰ শোণিত-কুঁৱৰী আৰু জয়মতী নাট দুখন বাণীবদ্ধ কৰে। তাৰ পাছত নৰকাসুৰ, বেউলা, বিহুৱতী, অজগৰৰ বিয়া, শ্ৰীশংকৰদেৱ আৰু শ্ৰীমাধৱদেৱ, চেনাই-চেনেহী, দুৰ্য্যোধনৰ উৰুভংগ, ৰতনী, জন্মাষ্টমী, বৰদৈচিলা আদি নাটৰ বাণীবদ্ধ কৰিছিল। সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ অসম সংগীত আৰু অ' মোৰ আপোনাৰ দেশ গীত দুটিও বাণীবদ্ধ কৰিছিল।

১৯৩৭ চনত ৰাভাই প্ৰাচীন কামৰূপ নৃত্য সংঘৰ সভ্য হিচাপে ভৰ্ত্তি হয় আৰু এই সংঘৰ জৰিয়তে কলিকতা গ্লোব থিয়েটাৰত শিৱৰ তাণ্ডৱ নৃত্য প্ৰদৰ্শন কৰি ৰাইজৰ পৰা প্ৰশংসা পাইছিল।

১৯৪০ চনত কাশী বিশ্ববিদ্যালয়ত এখন সভা অনুষ্ঠিত হৈছিল। তাত ৰাভাদেৱে এটি নৃত্য প্ৰদৰ্শন কৰি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ডাঃ সৰ্বপল্লী ৰাধাকৃষ্ণণৰ পৰা ভাৰতৰ শ্ৰেষ্ঠ কলাবিদ আৰু কলাগুৰু উপাধি লাভ কৰিছিল। কলাগুৰু উপাধি লাভ কৰা বিষ্ণুৰাভা আছিল দ্বিতীয় ভাৰতীয়।

ৰাভা এগৰাকী সু-সাহিত্যিকো আছিল। ১৯৩০ চনৰ পৰাই বাঁহী কাকতত বৃহত্তৰ অসমৰ পৰিকল্পনা নামৰ এলানি প্ৰবন্ধ লিখিবলৈ লৈছিল। বাঁহীতে ঠাকুৰীয়া ছদ্মনামৰ 'চিত্ৰলেখা' নামৰ এটি ঠিকনা পৰিচালনা কৰিছিল। আবাহনৰ পাতত সংগীত আৰু শ্ৰীশংকৰদেৱ গায়ন নামৰ এটি বিখ্যাত প্ৰৱন্ধ লিখে। জনজাতীয় সংস্কৃতিত শিৱ, নপৃথিৱীৰ নতুন যুগ, মুক্তি তিথি, প্ৰাচীন ভাৰতীয় নৃত্যকলা, মানৱ জাতিৰ অতীত; অসম, বজ্ঞানৰ বিলুপ্ত কাহিনী, বানকেবাং আদি তেওঁৰ উৎকৃষ্ট প্ৰবন্ধ। তেওঁ ৰচিত পুথিসমূহৰ ভিতৰত হৈছে—মোহ আৰু জীৱন নদীৰ সিপাৰে একাংকিকা নাট; মুক্তি দেউল নৃত্যনাটিকা; গেণ্ডনি বেঙনি নাটিকা; সোণপাহি গল্প সংকলন জীৱন লালসা, মিছিংকণ্ডে, সীমান্তৰ সৈনিক উপন্যাস। ইয়াৰ উপৰিও বড়ো জাতিৰ ইতিহাস, ইভ আৰু আদমৰ কাব্য, ব্ৰহ্মপুত্ৰৰ পাৰে পাৰে, মকিবুৰঞ্জী, ডিমাচা কচাৰীৰ বুৰঞ্জী, ৰাভাজাতিৰ ইতিহাস আদি উৎকৃষ্ট গ্ৰন্থ। তেওঁৰ বহুতো লিখনি হাতে লিখা অৱস্থাত ৰ'ল আৰু বহুতো হেৰালোঁ।

ৰাভাই অসমৰ গাঁৱে-ভূঁৱে ঘূৰি ঘূৰি অসমৰ নামঘৰ, সত্ৰ, মঠ, মন্দিৰ আদিৰ পৰা পোৱা আপুৰুগীয়া সংস্কৃতি বুটলি ৰাইজক বিলাইছিল।

তেওঁ এগৰাকী চিত্ৰকৰো আছিল। শ্ৰীশ্ৰীশঙ্কৰদেৱৰ ছবি এখন তেওঁ আঁকিছিল। বেজবৰুৱাৰ বাঁহীৰ সাতখলপীয়া সিংহাসনৰ বেটুপাত আঁকি তেওঁ জনপ্ৰিয়তা অৰ্জন কৰিছিল। তেওঁ এজন ভাষাবিদো আছিল। তেওঁ যোল্লটা ভাষা জানিছিল আৰু প্ৰত্যেক ভাষাৰে গীত গাই মানুহক শুনাইছিল।

এই বহুমুখী প্ৰতিভাৰ আঁৰত বিষ্ণুৰাভা

অসমৰ এগৰাকী মুকুটবিহীন সম্ৰাট বুলি জনাজাত ।

সকলো সুখৰ সম্ভাৰ দলিয়াই দি ৰাভাই দৰিদ্ৰ জীৱন সাৱটি লৈ সাংসাৰিক যন্ত্ৰণাত জৰ্জৰিত হৈ ৬১ বছৰ জীয়াই থাকি ৰাইজৰ মৰমস্নেহতে প্ৰতিপালিত হৈছিল । সুনাম আৰু যশস্যাৰ উচ্চ শিখৰত আৰোহণ কৰিও ধাভাৰ অহংভাৱ নাছিল—আছিল নিৰ্বিকাৰ ।

ৰাভা কৰ্কট ৰোগৰ ফলত শয্যাশায়ী হয় । ১৯৬৯ চনৰ জুন মাহৰ ১৯ তাৰিখ । তেতিয়া ৰাতি দুই বজা—'আ ঐ' বুলি ৰাভাই চিৰ বিদায় মাগিলে আৰু অদূৰত বাজি উঠিল এয়ে মোৰ শেষ গান ।

তেওঁ ৰোগশয্যাত থাকোতে এটি গীত ৰচিছিল আৰু এই গীতটোৱেই তেওঁৰ শেষ গান আছিল । গীতটো হৈছে—

গোটেই জীৱন বহ শুহি শুহি
সাজিলো মধুৰ ৰহঘৰা
ৰহঘৰা এৰি সাজিলো কাৰেং
ধুনীয়া মৌকোঁহ মনোহৰা ।★

০ ০ ০

★( বহুতো পুথি আৰু প্ৰবন্ধৰ পৰা সহায় লৈ লিখা )

---

# হাঁহিম নে ?

এজন হোজা ল'ৰাই পুলিচৰ চাকৰি পোৱাৰ আশাৰে ইণ্টাৰভিউ দিবলৈ মন কৰিলে আৰু সেই উদ্দেশ্যে আগদিনাখন এজন ডাঙৰ পুলিচ বিষয়াৰ ওচৰলৈ গ'ল আৰু সম্ভাব্য প্ৰশ্নসমূহ সুধিলে । বিষয়াজনে ক'লে—প্ৰথম প্ৰশ্ন সুধিব পাৰে তোমাৰ বৰ্তমান বয়স কিমান ? তুমি কবা ২১বছৰ । দ্বিতীয় প্ৰশ্ন সুধিব পাৰে তুমি হাইস্কুল শিক্ষান্ত পৰীক্ষা পাছ কৰা কিমান বছৰ হল ? তুমি কবা ৪বছৰ হল । তৃতীয় প্ৰশ্ন সুধিব পাৰে তুমি হিন্দী আৰু অসমীয়া ভাষা দুয়োটা জানানে ? তুমি কবা দুয়োটাই জানো ছাৰ । সি সকলো উত্তৰ মুখস্থ কৰিলে । পিছদিনাখন ইণ্টৰভিউত প্ৰথমে সুধিলে যে তুমি শিক্ষান্ত পৰীক্ষা পাছ কৰা কিমান বছৰ হল ? যি কলে যে ছাৰ, ২১বছৰ হল । দ্বিতীয়তে সুধিলে যে তোমাৰ বয়স কিমান ? সি উত্তৰ দিলে যে ৪বছৰ হ'ল । শেষত খঙেৰে সুধিলে যে তোমাৰ 'মূৰৰ গণ্ডগোল' নে "ব্ৰেইনৰ এফেক্ট" ? সি কলে চাৰ দুয়োটাই ।

**মীনাকুমাৰী শইকীয়া**
স্নাতক ২য় বাৰ্ষিক



# বিশ্ব ইতিহাসৰ বুকুত মাদাৰ টেৰেছা

**জুনু ৰবা**
স্নাতক ৩য় বাৰ্ষিক ॥

সৃষ্টিকৰ্তাৰ প্ৰথম ৰূপ হৈছে নাৰী । যি নাৰীয়ে পুৰুষক জন্ম দিব পাৰে, সেই নাৰীয়ে এগৰাকী নাৰীকো জন্ম দিব পাৰে । সৃষ্টিৰ প্ৰথম ৰূপ এই নাৰীয়েই হয় মা, সৰস্বতী, লক্ষ্মী দুৰ্গা তথা ৰাক্ষসিনী, পিশাচী । এই নাৰীয়েই হয় সীতা, জয়মতী, সাবিত্ৰী তথা ফুলনদেৱী, পুতলীবাঈ । এই নাৰীয়েই বিভিন্ন ৰূপ লৈ সংসাৰ চক্ৰত যোগ-সূত্ৰ স্থাপন কৰে । সামাজিক ৰীতি-নীতি, ভাষা-কৃষ্টি আদিৰ ক্ষেত্ৰত নাৰীয়ে সৃষ্টি পাতনিৰ পৰাই যোগসূত্ৰ স্থাপন কৰি আহিছে । শিক্ষা-দীক্ষা, ৰূপ-গুণ, খ্যাতি-যশস্যা আদিৰ ক্ষেত্ৰতো নাৰী পুৰুষতকৈ কোনো গুণে কম নহয় । অৱশ্যে বাহ্যিক সৌন্দৰ্য্যই এগৰাকী নাৰীক যিমান মহিয়সী কৰি তোলে, তাৰ পৰিবৰ্তে এগৰাকী নাৰীৰ অন্তৰত লুকাই থকা সুপ্ত সৌন্দৰ্য্য বহু গুণে শ্ৰেয় । এনে নাৰীৰ উদাহৰণ পৃথিৱীৰ ইতিহাসত বিৰল নহয়, যি নাৰীয়ে নিজৰ কৃতিত্বৰ গুণত ইতিহাসৰ পাতত যুগে যুগে চিৰস্মৰণীয় হৈ আহিছে আৰু ভৱিষ্যতেও হৈ থাকিব ।

এগৰাকী নাৰী—নাম মহীয়সী মাদাৰ টেৰেছা । আমি যদি কওঁ মাদাৰ টেৰেছা ভাৰতৰ, বাক্যটো নিশ্চয় ভুল হব । তাৰ পৰিবৰ্তে আমি কব পাৰো 'মাদাৰ টেৰেছা বিশ্বৰ মা, পৃথিবীৰ মা, ভাৰতৰ মা, । সঁচাকৈয়ে আমি এনে এগৰাকী মাতৃ-সন্তান হবলৈ পোৱাটো সৌভাগ্যৰে কথা । এই গৰাকী মাতৃয়ে সামাজিক বাহু-বন্ধনত সুমুৱাই নিস্বাৰ্থভাৱে নিজৰ জীৱন উছৰ্গা কৰিছিল দুখীয়া-দৰিদ্ৰ জনসাধাৰণৰ কাৰণে । নিষ্কলুষ অন্তৰেৰে জিনিছিল দুখীয়া-দৰিদ্ৰ্যৰ অন্তৰ । মাদাৰ টেৰেছা ভাৰতলৈ আহিছিল প্ৰথমবাৰ ১৯২৯ চনত । ভাৰতৰ বিভিন্ন প্ৰান্তত ঘূৰি-পকি শাৰীৰিক ভাবে অসমৰ্থ আৰু সহায়হীন লোকসকলৰ অন্তৰৰ বুজ লৈছিল । এই পৰিত্যক্ত তথা অভাৱগ্ৰস্ত জনসাধাৰণৰ কাৰণেই তেওঁ নিজৰ মনটোক ভাৰততেই বান্ধি পেলাইছিল । তেওঁ কলিকতাত যি মিছনেৰী সংস্থা খুলিছিল, তাত হাজাৰজন সদস্যই নিজকেই

কামত আত্মনিয়োগ কৰিছিল। দৰিদ্ৰ জনসাধাৰণৰ উন্নতি কল্পে তেওঁ ভাৰতত বহুতো সংস্থা, প্ৰতিষ্ঠান আদিৰ উদ্ভাৱন কৰিছিল। এই সংস্থাবোৰৰ ভিতৰত—সমাজ বহিৰ্ভূত নাৰীসকলৰ কাৰণে 'মিছনেৰী অব চেৰিটী', বেমাৰী আৰু মৃতকল্প লোকসকলৰ বাবে 'নিৰ্মল হৃদয়', আৰু পৰিচয়হীন লগতে মানসিক ভাবে বিকাৰগ্ৰস্থ শিশুসকলৰ কাৰণে 'শিশু ভৱন' আদিয়েই প্ৰধান।

মাদাৰ টেৰেছাই মানৱ জাতিৰ উন্নতি কল্পে যি কষ্ট স্বীকাৰ কৰিছিল, তাৰবাবে তেওঁ বহুতো ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় বঁটা লাভ কৰিছিল। তাৰ ভিতৰত উল্লেখ যোগ্য হৈছে—'শান্তিৰ নোৱেল বঁটা (১৯৭৯', 'ভাৰত ৰত্ন' (১৯৪০), আন্তঃৰাষ্ট্ৰীয় শান্তিৰ কাৰণে 'জৱাহৰলাল নেহেৰু বঁটা' (১৯৭২), 'ৰমণ মেগচয় বঁটা' (১৯৬২), আৰু টেমপ্লেটন প্ৰতিষ্ঠা বঁটা (১৯৭৩) ইত্যাদি।

মানৱ জাতিৰ মা, মাদাৰ টেৰেছাই জন্ম গ্ৰহণ কৰিছিল ১৯১০ চনৰ ২৭ আগষ্টত, য়ুগোশ্ল'ভিয়াত। তেওঁৰ প্ৰকৃত নাম আছিল এগনেচ গোঞ্চহা ব'জাজহিউ। ৰোমান কেথলিক ধৰ্মত দীক্ষিত হোৱাৰ পিছত তেওঁ প্ৰকৃত নামৰ সলনি মাদাৰ টেৰেছা নাম লয়। মাদাৰ টেৰেছাৰ দেউতাক এজন সাধাৰণ ব্যৱসায়ী লোক আছিল। দৰিদ্ৰ জনসাধাৰণৰ হকে কাম কৰিবলৈ ১৯২১ চনত খৃষ্টিয়ান মিছনেৰীৰ এটা গোট ভাৰতলৈ আহিছিল। এই লোকসকলেই ভাৰতীয় জনসাধাৰণৰ দুৰৱস্থাৰ কথা চিঠিৰ দ্বাৰা নিজৰ দেশক জনাইছিল। এগনেচে এই চিঠিবোৰ পঢ়ি মনোকষ্টত ভূগিছিল আৰু দুখীয়া জনসাধাৰণক যৎপৰোনাস্তি সহায় কৰিবলৈ দৃঢ় সংকল্পবদ্ধ হৈছিল আৰু সেইকাৰণেই কেৱল মাত্ৰ ১৬ বছৰ বয়সত, ১৯২৯ চনৰ ৬ জানুৱাৰীত এগনেচ্ ভাৰতলৈ গুচি আহিছিল। তেতিয়াৰ পৰাই তেওঁ নিজৰ কামত আত্মনিয়োগ কৰিছিল।

শান্তিৰ নোবেল বঁটা বিজয়ী এই গৰাকী মাতৃৰ ৮১ বছৰ বয়সত, ১৯৯১ চনৰ ২৩ ডিচেম্বৰত বেক্‌টেৰিয়েল নিউমুনিয়াৰ বাবে সংকতজনক অৱস্থাত কালিফ'ৰ্নিয়াৰ এখন চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। উল্লেখযোগ্য যে—মেক্সিকোৰ তিজুৱানত থকা তেওঁৰ চেৰিটী হোমলৈ যোৱাৰ পথতে মাদাৰ গৰাকী তেনেদৰে অসুস্থ হৈ পৰিছিল। আমি সমগ্ৰ পৃথিবীবাসী তথা ভাৰতবাসীয়ে প্ৰৰ্থনা জনাইছোঁ যাতে আমাৰ মাতৃ সুস্থ হৈ উঠে আৰু নেদেখাজনৰ আশীৰ্বাদত আমিও যাতে জনমে জনমে তেওঁৰ সন্তান হৈ থাকিবলৈ পাওঁ।



# নাট্যকাৰ উইলিয়াম শ্বেক্সপীয়েৰৰ ডেকা জীৱনৰ এটি কাহিনী

*কৰিতা বৰা*
উঃ মাঃ ২য় বাৰ্ষিক ॥

শ্বেক্সপীয়েৰৰ জন্ম হৈছিল লণ্ডনৰ উত্তৰ পশ্চিম সীমাত থকা ষ্ট্ৰেটফ'ৰ্ড অন এভন চহৰত। এই মহান ব্যক্তি গৰাকীৰ জন্ম চনটো হ'ল ১৫৬৪ চন। তেওঁৰ দেউতাক সেই চহৰখনৰ মেয়ৰ আছিল। উইলিয়ামে ষ্ট্ৰেটফ'ৰ্ডৰ উৎকৃষ্ট গ্ৰামাৰ স্কুলত ইংৰাজী, লেটিন আৰু ইতিহাস লৈ পঢ়িছিল। তাৰ পাছত তেওঁ ১৫৮০ চনত স্কুল ত্যাগ কৰে।

শ্বেক্সপীয়েৰে ওঠৰ বছৰ বয়সতে এন নামৰ এগৰাকী কন্যাক বিবাহ কৰায়। কিন্তু আচৰিত কথা তেওঁৰ পত্নী তেওঁত কৈ আঠ বছৰৰ ডাঙৰ আছিল। তাৰ পাছত তেওঁলোকৰ জীৱনলৈ চুজান্না আৰু জুডিথ নামৰ এহাল যঁজা ল'ৰা-ছোৱালী আহে। ইয়াৰ অলপ দিনৰ পাছতে উইলিয়ামে তেওঁৰ পত্নী আৰু সন্তানক এৰি অভিনেতা হবৰ বাবে লণ্ডনলৈ ৰাওনা হয়।

১৫৯২ চনত তেওঁ লণ্ডনৰ নাট্য-জগতৰ এজন অভিনেতা আৰু কবি হিচাপে পৰিচিত হল। তেওঁৰ প্ৰথম প্ৰেমৰ কবিতাটো আছিল 'ভেনাচ এণ্ড এড'নিচ'। ইয়াৰ কাৰণে তেওঁ সকলোৰে মাজত জনপ্ৰিয় হৈ উঠিছিল। তথাপিও তেওঁৰ জীৱনত এটা ডাঙৰ অপমানজনক ঘটনা ঘটিছিল ঘটনাটো। এনে ধৰণৰ—

ইংলণ্ডৰ ৱাৰউইকশ্বায়াৰ জিলাৰ বুকুৰেদি বৈ গৈছে এভন নদীখন। চাৰ টমাছ লুছি নৈখনৰ পাৰত ষ্ট্ৰেটফ'ৰ্ডৰ কাষতে থকা চাৰ্লেকোট নামৰ বিৰাট জমিদাৰীৰ মালিক। তেওঁ অকল জমিদাৰেই নহয়, সেই এলেকাৰ সমাজখনৰ এজন গণ্য-মান্য-বিশিষ্ট ব্যক্তি। চাৰ টমাছ লুছি এজন M.P আছিল। তাৰোপৰি আদালতৰ বিচাৰকো আছিল। এইহেন গণ্য-মান্য ব্যক্তি চাৰ টমাছৰ জমিদাৰীৰ অন্তৰ্গত নানা জাতৰ হৰিণা পহুৰে ভৰা হাবিখনত এবাৰ চোৰৰ টিঘিল-ঘিলনি হ'ল। এইদৰে চোৰৰ টিঘিল-ঘিলনি হোৱাত তেওঁ ভীষণ ক্ৰুদ্ধ হৈ কাঢ়া পহৰাৰ ব্যৱস্থা কৰিলে।

এই চোৰ বেছি দিন টিকিব নোৱাৰিলে এদিন চোৰে পহু এটা মাৰি কান্ধত লৈ গৈ থাকোঁতে পহৰাদাৰে ধৰিলে।

চোৰৰ বয়স একুৰি মান হ'ব। সুন্দৰ সুপুৰুষ। মূৰত টৌ খেলোৱা চুলি। উজ্জল চকু, মুখত কুমলীয়া গোঁফৰ ৰেখা। দেখাত চোৰ যেন নেলাগে।

তাৰ পাছত চোৰক টমাছৰ ওচৰত হাজিৰ কৰোৱা হ'ল। তেওঁ চকু পকাই ক'লে—তুমি ডাঙৰ অপৰাধ কৰিছা। তুমি উচিত শাস্তি পাবা। তোমাক এনেকুৱা শাস্তি দিব লাগিব যাতে তোমাৰ লগৰ বিলাকো সাবধান হৈ যায়।

তেতিয়া চোৰে শান্ত ভাবে ক'লে— বাৰু মই জৰিমনা ভৰিম। টমাছে ক'লে—সেইটো নহব! আকৌ চোৰে কলে—তেন্তে মোক জেললৈ পঠাওক। কিন্তু টমাছ কোনোপধ্যেই মান্তি নহয়। বৰং তেওঁ ক'লেহে যে তোমাৰ পিঠিত ত্রিশ বাৰ বেতেৰে কোবোৱা হ'ব।

সেই সময়ত ইংলণ্ডত বেত্রাঘাত আছিল চৰম অপমানজনক শাস্তি। কিন্তু ডেকা চোৰে এই কথা সপোনতো ভবা নাছিল। তেওঁ আৰ্তনাদ কৰি উঠিল—আপুনি মোক জেললৈ পঠাওক, জৰিমনা লওঁক, কিন্তু অনুগ্রহ কৰি এই শাস্তিৰ হুকুম নিদিব।

জমিদাৰে তেওঁৰ কথাত কাণকে নকৰিলে। তাৰ পাছত মুকলি ঠাই এখনত হাত-ভৰি বান্ধি ত্রিশ বাৰ বেতেৰে কোবালে। তেতিয়া চোৰে মূৰ তল কৰি ৰক্তাক্ত দেহাৰে ঘৰলৈ উভতি আহিল। শৰীৰৰ বিষ বেদনাতকৈও মানসিক অপমানৰ জ্বালাই তেওঁক অতিষ্ঠ কৰি পেলালে। প্রতি হিংসাৰ জুই তেওঁৰ অন্তৰত জ্বলি উঠিল, কিন্তু তেওঁ এই শক্তিশালী জমিদাৰৰ বিৰুদ্ধে কি কৰিব পাৰিব!

কিন্তু প্রতিশোধ লবই লাগিব। এই ভাবি চোৰে কাগজ-কলম হাতত লৈ জমিদাৰক প্রতিশোধ লবৰ বাবে পদ্য ৰচনা কৰাত লাগিল। তাৰ পাছত তেওঁ এটা পদ্য লিখি উলিয়ালে।

পদ্যটো লিখি এই নবীন কবিয়ে ইমান আনন্দ পালে যে সেইটো গাঁৱৰ মানুহক পঢ়ি শুনালে। কাৰণ গাঁৱৰ মানুহেও জমিদাৰক ভাল নেপাইছিল। সেই কাৰণে তেওঁবিলাকেও পদ্যটো মুখস্থ কৰি জমিদাৰক অপমান কৰিবলৈ ধৰিলে।

এই কবি ইমানতো ক্ষান্ত নাথাকি এদিন সাহসেৰে তেওঁ জমিদাৰৰ প্রাসাদৰ প্রাচীৰৰ দুৱাৰ মুখত এই পদ্যটো আঁৰি থৈ আহিলগৈ। তাৰ পাছদিনা জমিদাৰে তেওঁ জ্ঞাতি-কুটুম্বৰ সৈতে প্রাতঃভোজনত বহোতে লগুৱাটোৱে সেইখন আনি জমিদাৰৰ হাতত দিলে। সকলো মানুহৰ আগত তেওঁক অপমান কৰি লৈ লিখা পদ্যটো পঢ়ি খঙত একো নাই হ'ল। তাৰোপৰি এই পদ্যৰ কবি কোন জানিবলৈ আৰু বাকী নাথাকিল। পহুচোৰে বেতৰ কোব খোৱা প্রতিশোধ এইদৰে ললে।

ইয়াৰ পাছত জমিদাৰে পহু চোৰক আকৌ এপালি দিবলৈ বিচাৰিছিল। কিন্তু দিব নোৱাৰিলে। ঘটনাৰ গুৰুত্ব অনুমান কৰি চোৰে সেই ঠাই এৰি পলালে। এই চোৰ বহুত দিনৰ মূৰত নিজৰ গাওঁলৈ উভতি আহে। তেতিয়া তেওঁ ইংলণ্ডৰ এগৰাকী নামজ্বলা কবি আৰু নাট্যকাৰ উইলিয়াম শেক্সপীয়েৰ নামেৰে জনাজাত হৈ পৰিছিল।★

০০০

★ সহায় লৈ লিখা হৈছে।

---

# কৌতুক

তিনিজন ল'ৰা এখন চাইকেলত উঠি গৈ থকা দেখি ট্রেফিক এজনে হুচেইল বজাই ক'লে "এই ল'ৰাহঁত, ৰাখা।"

তাকে শুনি চাইকেলত উঠি যোৱা ল'ৰা তিনিওজনে সমস্বৰে কৈ গ'ল—"ৰৈ লাভ নাই মহাশয়, আপোনাক উঠাবলৈ চাইকেলত আৰু ঠিত নাই।" ০০০

শিক্ষক—(আগদিনা পঢ়ি আহিবলৈ দিয়া ভূগোলৰ পাঠটিৰ বিষয়ে সুধিলে) মোহন, কোৱাচোন চেনিকল ক'ত আছে?

মোহন—(খন্তেক চিন্তা কৰি) চাৰ, আমাৰ বাৰীৰ পিছফালে আছে।

শিক্ষক—(খঙেৰে) খালি! খালি! খালি।

মোহন— খোৱা নাই চাৰ! কেচাই আছে, পকিলেহে খাম।

*মিছ মফিদা বেগম*

উঃ মাঃ ১ম বাৰ্ষিক

# শৈক্ষিক পৰিবেশ নষ্ট হোৱাৰ হেতু

***দীপামণি বৰা***
স্নাতক প্ৰথম বাৰ্ষিক

শিক্ষা দানৰ নিচিনা মহান কাৰ্য্য হয়তো পৃথিৱীত দ্বিতীয়টো নাই। অতি সন্তাপৰ কথা যে আজি কিছু বছৰৰ পৰা এই মহান কাৰ্য্যৰ পথতো বহু বিধি-পথালিয়ে দেখা দৈছে। শৈক্ষিক পৰিবেশ অকল আমাৰ দেশতে নষ্ট হোৱা নাই, ই সমগ্ৰ বিশ্বতে নষ্ট হৈছে। বৰ্তমান সমগ্ৰ বিশ্বৰে ছাত্ৰ-ছাত্ৰীৰ মাজত বিশৃঙ্খলতাই গা কৰি উঠিছে।

বিদ্যালয়-মহাবিদ্যালয়সমূহতো যে শৈক্ষিক পৰিবেশ নষ্ট হৈছে ইয়াৰ জ্বলন্ত প্ৰমাণ পাৰ হৈ যোৱা পৰীক্ষাসমূহৰ ফলাফল মন কৰিলেই পোৱা যায়। প্ৰতি বছৰে পৰীক্ষাসমূহৰ ফলাফল নিম্নগামী হৈ আহিছে। ইয়াৰ প্ৰকৃত কোৰাণ ক'ত বা কিয় এনে ঘটিবলৈ ধৰিছে এই বিষয়ে বহু দিনৰ আগৰে-পৰা কাকতে-পত্ৰই বহুতো আলোচনা-বিলোচনা চলিছিল। এই বিষয়ত বিভিন্ন লোকে বিভিন্ন ধৰণৰ মত পোষণ কৰিছে।

কিছু সংখ্যক লোকৰ মতে ছাত্ৰ সমাজৰ বিশৃঙ্খলতাৰ মূলতে হ'ল বিগত ছয়-বছৰীয়া অস্তিত্ব ৰক্ষাৰ আন্দোলন। বহুলোকৰ মতে এই আন্দোলনে শৈক্ষিক পৰিবেশ নষ্ট কৰিলে। এই বিষয়ত শিক্ষক-অভিভাৱক তথা সমাজৰ চিন্তাশীল সকলোৱেই প্ৰথমাৱস্থাত এনে দৰেই ভাবিছিল যদিও পিছত সকলোৱেই সন্দেহ কৰিলে যে আন্দোলন পাৰ হৈ যোৱা ছয় বছৰৰ ওপৰ হৈ গ'ল যদিও শৈক্ষিক পৰিবেশৰ ক্ষেত্ৰত কোনো ধৰণৰ উন্নতি পৰিলক্ষিত হোৱা নাই। গতিকে শৈক্ষিক পৰিবেশ নষ্ট হোৱাৰ ক্ষেত্ৰত ছয়-বছৰীয়া অস্তিত্ব ৰক্ষাৰ আন্দোলনকে অকল দোষ দিব নোৱাৰি। এই বিষয়ত আন আন বহুতো কাৰণ সংঘটিত হৈ আছে।

শিক্ষাৰ ক্ষেত্ৰত উন্নতি সাধন কৰিবলৈ হ'লে যুটীয়া প্ৰচেষ্টাৰ প্ৰয়োজন। এই ক্ষেত্ৰত সকলোকেই সকলো প্ৰকাৰৰ সহায় আগবঢ়োৱা উচিত। শিক্ষাৰ মূল গুৰি ধৰোঁতা হ'ল শিক্ষক। এতেকে বিদ্যালয়সমূহত শিক্ষক কিম্বা অধ্যাপক নিযুক্তিৰ ক্ষেত্ৰত বিদ্যালয়ৰ কৰ্তৃপক্ষ তথা চৰকাৰে যথেষ্ট সতৰ্ক হোৱা উচিত। শিক্ষাদানৰ প্ৰতি আগ্ৰহী ব্যক্তিত্ব আৰু প্ৰতিভাসম্পন্ন, আদৰ্শ চৰিত্ৰৰ শিক্ষক-অধ্যাপক শিক্ষানুষ্ঠানত নিয়োগ কৰাটো অত্যন্ত প্ৰয়োজন।

শিক্ষা প্ৰদান কাৰ্য্যটো সম্পূৰ্ণ মনৰ ওপৰত নিৰ্ভৰ কৰে। গতিকে শিক্ষকৰ মন পবিত্ৰ আৰু মৰমিয়াল হলেহে ছাত্ৰ-ছাত্ৰীক প্ৰকৃত শিক্ষা দান কৰা সম্ভৱ হ'ব। এজন আদৰ্শবান শিক্ষক সদায় অধ্যয়নশীল, শ্ৰদ্ধাবান আৰু অনুসন্ধিৎসু হ'ব লাগিব আৰু তেনে শিক্ষকৰ মনত উচ্চ-নীচ আদি কোনো মনোবৃত্তিয়ে বাহ লব নোৱাৰে। শিক্ষক সদায় শিক্ষকেই। শিক্ষকৰ মাজত শ্ৰেণী বিভাজন কেতিয়াও হ'ব নালাগে। বিশ্ববিদ্যালয়ৰ পৰা আৰম্ভ কৰি প্ৰাথমিক স্তৰলৈকে শিক্ষা দানত ব্ৰতী হোৱা লোকসকলৰ মাত্ৰ পৰিচয় এটায়েই—তেওঁলোক হ'ল শিক্ষক। কোনো শিক্ষকৰ মনত ছাত্ৰ-ছাত্ৰীৰ প্ৰতি উচ্চ-নীচ ভাৱৰ ঠাই লোৱাটোও শৈক্ষিক পৰিবেশ নষ্ট কৰাৰ হেতু।

বৰ্তমান সমাজৰ ছাত্ৰ-ছাত্ৰীৰ ওপৰত কিছুমাম দূষিক বায়ু ববলৈ ধৰা দেখা যায়। এই বায়ু আঁতৰোৱাৰ গুৰু দায়িত্ব শিক্ষক আৰু মাক-দেউতাকৰ উপদেশ মতে চলি অধ্যয়ন কাৰ্য্য ক্ষতি নকৰিলে সৎ পথত আগবাঢ়ি যাব পাৰিব। গতিকে ছাত্ৰ-ছাত্ৰীয়ে উপৰুৱা চিন্তা বাদ দি একানপতীয়াকৈ অধ্যয়নৰ কামত ব্ৰতী হোৱা উচিত। ছাত্ৰ-ছাত্ৰীয়ে সদায় স্কুল-কলেজৰ নীতি-নিয়ম মানি চলা উচিত। এই নীতি-নিয়মৰ ব্যতিক্ৰম কৰাৰ ফলতো শৈক্ষিক পৰিবেশ নষ্ট হৈছে। গতিকে তেওঁলোকে নষ্ট হ'বলৈ ধৰা শৈক্ষিক পৰিবেশ ৰোধ কৰিবলৈ যত্নপৰ হোৱা উচিত।

এজন ছাত্ৰ দিনটোৰ চব্বিশ ঘণ্টাৰ ভিতৰত চাৰি বা পাঁচ ঘণ্টাহে স্কুল-কলেজত থাকে। দিনটোৰ সৰহখিনি সময় ঘৰতে কটায়। এই ক্ষেত্ৰত ছাত্ৰজনৰ স্বভাৱ-চৰিত্ৰৰ মূল থলি হ'ল ঘৰখন। সেইবাবে ঘৰুৱা পৰিবেশ সকলো সময়তে ভাল হোৱা বাঞ্ছনীয়। পিতৃ-মাতৃ বা অভিভাৱকসকলে তেওঁলোকৰ সন্তানক পুৰা আৰু সক্ৰিয়া অধ্যনয়ৰ কাৰ্য্যত লিপ্ত ৰাখিব লাগে। ছাত্ৰ-ছাত্ৰীক ওচৰ-চুবুৰীয়াসকলৰ ইঘৰ-সিঘৰত ফুৰা অভ্যাস কৰাব নালাগে। ছাত্ৰ-ছাত্ৰী থকা ঘৰত দুই এজন লোক গোট খাই যি-কোনো ধৰণৰ কথা পতাৰ ফলত তেওঁলোকেও পঢ়া টেবুল এৰি সেই কথাত ভাগ লব নোৱাৰে তাৰ প্ৰতি অভিভাৱক সতৰ্ক থাকিব লাগে। ইয়াৰ বাহিৰেও সন্ধ্যা পৰত অভিভাৱকে দোকানলৈ পঠোৱা, চাৰিআলি, তিনিআলি আৰু ডেকা চাওত বহি কথা চোবোৱা আদি কামৰ পৰা বিৰত ৰাখিব লাগে। আকৌ কিছুমান পুথিভঁড়ালত অধ্যয়নৰ নামত ফাঁকি দি তাচখেল, কেৰেমখেল আদিয়েহে স্থান পায়। কাৰণ তেনে পুথিভঁড়াললৈ ছাত্ৰ-ছাত্ৰী গলে লাভতকৈ লোকচান হোৱাৰ সম্ভৱনাই বেছি। গতিকে তেনেধৰণৰ পুথিভঁড়াল থকাতকৈ নথকাটোৱেই সমাজৰ বেছি মঙ্গলজনক।

অভিভাৱকসকলে মাজে সময়ে বিদ্যালয়লৈ গৈ তেওঁলোকৰ সন্তানে অধ্যয়নত কিমান আগবাঢ়িব পাৰিছে তাৰ বুজ লব লাগে। ছাত্ৰ-

ছাত্ৰীৰ অধ্যয়নৰ উন্নতিৰ ক্ষেত্ৰত অভিভাৱক আৰু শিক্ষকৰ মাজত যোগসূত্ৰ থকাটো অতি বাঞ্ছনীয় কথা। অভিভাৱক সকলে তেওঁলোকৰ সন্তানৰ পঢ়া-শুনা খবৰ মাজে সময়ে লৈ থাকিলে ছাত্ৰ-ছাত্ৰীয়ে মানসিক দিশত যথেষ্ট আগুৱাবলৈ সক্ষম হ'ব

ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি অভিভাৱক আৰু শিক্ষকৰ বাহিৰেও সমাজৰ আন আন লোকৰো যথেষ্ট দায়িত্ব আছে। সমাজত এটা সুস্থ পৰিবেশ সৃষ্টি কৰাটো প্ৰতিজন ব্যক্তিৰে কৰ্তব্য। ছাত্ৰ-ছাত্ৰীসকলৰ অনিষ্ট হব পৰা— কোনো পৰিবেশ সুস্থ নাথাকিলে কুমলীয়া মনৰ ছাত্ৰ-ছাত্ৰীসকলে একাণপতীয়াকৈ অধ্যয়নত ব্ৰতী হব নোৱাৰিব।

বিদ্যালয়ৰ পৰীক্ষাৰ সময়ত গাঁৱঁত কোনো ধৰণৰ ৰাজহুৱা উৎসৱ পালন নকৰাটোৱেই শ্ৰেয়। কোনো ধৰণৰ উৎসৱ পালন কৰিলে তাত ব্যৱহাৰ হোৱা বাদ্যযন্ত্ৰসমূহ বাজি থকাৰ ফলত ছাত্ৰ-ছাত্ৰীৰ মন তালৈহে উৰা মাৰিব। এনে ক্ষেত্ৰত বিদ্যালয়ৰ চৌহদৰ কাষত বাস কৰা লোকসকলৰো যথেষ্ট দায়িত্ব আছে। যেনে বিদ্যালয় চলি থকা অৱস্থাত বেছিকৈ শব্দ কৰি ৰেডিঅ', টি, ভি, আদি চলোৱাটো একেবাৰে বেয়া কথা। কাৰণ এইবিলাক বাজি থাকিলে ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়নত মনোনিবেশ কৰাত ব্যাঘাত জন্মে।

প্ৰতি বছৰে সলনি হৈ থকা পাঠ্যপুথি তথা পাঠ্যক্ৰমৰ কাৰণেও শৈক্ষিক পৰিবেশ বহু পৰিমাণে নষ্ট হৈছে। পাঠ্যপুথি প্ৰস্তুত নোহোৱা পৰ্য্যন্ত পাঠ্যক্ৰম সলনি কৰা উচিত নহয়। উপযুক্ত সময়ত পাঠ্যপুথি নোপোৱাৰ ফলত ছাত্ৰ-ছাত্ৰীসকলৰ বিদ্যালয়লৈ অহাৰ আগ্ৰহ নাইকিয়া হৈ যায়।

সদৌ শেষত, আমি আশা ৰাখিছো যে আমাৰ দেশত বহুত গুণী, জ্ঞানী আৰু শিক্ষাত আগ্ৰহী লোক আছে। তেখেতসকলে ছাত্ৰ-ছাত্ৰীৰ উপযোগীকৈ পাঠ্যক্ৰম প্ৰণয়ন কৰিলে এফালেদি ছাত্ৰ ছাত্ৰীসকল উপকৃত হব, আৰু আনফালেনি আমাৰ সাহিত্যৰ ভৰাঁলো চহকী হব। নতুন পাঠ্যক্ৰম প্ৰণয়নৰ ক্ষেত্ৰত বিদ্যালয়ৰ কৰ্তৃপক্ষ তথা চৰকাৰে উপযুক্ত চাই নতুন লেখকসকলক দায়িত্ব দি ছাত্ৰ ছাত্ৰীৰ ভৱিষ্যত মঙ্গল কামনা কৰি বৰ্ত্তমান ছাত্ৰ ছাত্ৰীয়ে ভোগ কৰি থকা অসুবিধাসমূহ আঁতৰ কৰিব বুলি আমি আশা ৰাখিলোঁ। আৰু আশা ৰাখিছোঁ বৰ্ত্তমান শিক্ষা বিষয়ত হস্তক্ষেপ কৰা সকলো বিলাক ৰেমেজালি আতঁৰ কৰি এটা সুস্থ পৰিবেশ গঢ়িবলৈ অভিভাৱক, সমাজ তথা সকলোৱে সহায় আগবঢ়াব।

° ° °



## ॥ গল্প ॥

# প্ৰত্যাৱৰ্ত্তন

দীপ্তি বৰা
স্নাতক ৩য় বৰ্ষ

অৱশেষত প্ৰিয়মে বস্তুটো পালে। এখন অট'গ্ৰাফ। অট'গ্ৰাফ মানে জোনাৰ হাতৰ কেইটামান আখৰহে বিশেষ আকৰ্ষণ। বহুত ব্যস্ততাৰ মাজতো প্ৰিয়মে এই আখৰ কেইটা চাবলৈ নাপাহৰে। অত্যুক্তি নোহোৱা এটা মাথো বাক্য "তোমাৰ জীৱনটো সুখৰ হওক।" এই বাক্যটো চাবলৈ আজি প্ৰিয়মে বহু সময় পাইছে। ভাৱত তন্ময় হৈ চাইছে প্ৰিয়মে। হঠাৎ তাৰ ভাৱত যঁতি পৰিল জ্যোতিৰ মাতত—

ঃ কি হ'ল প্ৰিয় ? ইমান কি ভাবিছ ? শুই থাক !ঃ

ঃ শুই থাক ? মই শুব নোৱাৰা হৈ আহিছো। মই ভাবিছো তোৰ কথা, মোৰ কথা আৰু····আৰু····।ঃ প্ৰিয়মৰ মাতটো খোকাথুকি হৈ পৰিছিল।

ঃ সকলো বুজিছো প্ৰিয়। তই ইমান ব্যস্ত তাৰ মাজতো সদায় অট'গ্ৰাফ্‌খনৰ বুকুত জোনাৰ আখৰ কেইটা চাই চাই কি ভাৱ মই জানো। কচোন এতিয়া জানো ভাবি কিবা লাভ আছে ? যিটো হৈ গ'ল তাক জানো নোহোৱা কৰিব পাৰিবি ? নোৱাৰ। এতিয়া শুই থাক।ঃ

ক্ৰমান্বয়ে ৰাতি গভীৰ হৈ আহিছিল। গোটেই হাবিখন জয়াল হৈ পৰিছিল। দূৰৈত নাম নজনা চৰাইৰ করুণ বিননি এটা ভাঁহি আহিছিল। চৰাইটোৱে বৈ বৈ মাতিছিল। প্ৰিয়ম শুই পৰিছিল যদিও টোপনি অহা নাছিল। জ্যোতিৰ গভীৰ টোপনি। সেই সুযোগতে যেন ঘন কৃষ্ণ মেঘপুঞ্জৰ ভৰত আকাশখন পৃথিৱীৰ ওচৰলৈ নামি আহিছে। যেন ফায়াৰ্ কৰিবলৈ উদ্যত বিৰাট এটা বন্দুকধাৰী সৈন্যবাহিনীৰ দৰে দিগন্তৰ পৰা দিগন্তলৈ শ্ৰেণীবদ্ধ মেঘবোৰ কাৰোবাৰ নিৰ্দেশৰ কাৰণে অপেক্ষা-

ৰত ! হঠাৎ হয়তো অপেক্ষাৰ অন্ত পৰিল। সমগ্ৰ হাবিখন ভাঙি-মোহাৰি এজাক ধুমুহা ৰবৰ্ষুণ আহিল। প্ৰৱল ধুমুহা ৰবৰ্ষুণ! গুহাটোত পানী সোমাইছে। প্ৰিয়মে জ্যোতিক জগাই দিলে। ভাগকৰা টোপনিৰ পৰা উঠি জ্যোতিয়ে এডাল মম জ্বলাই দিলে। বস্তু-বাহানিবোৰ পানী নোহোৱা ঠাইত থলে। কিছু সময়ৰ পাছত ৰবৰ্ষুণ কমিছিল। জ্যোতিয়ে প্ৰিয়মৰ আহত মুখ দেখি সুধিলে—

: তই অলপো নুশুলি। তই কিয় ইমান হতাশ হৈছ। দেখিছ প্ৰিয়, ধুমুহাৰ পাছত বাউলী প্ৰকৃতি কিমান শান্ত হৈছে। তেনেকৈ ৰাতিৰ পাছতো সূৰ্য্য উদয় হবই, এন্ধাৰৰ পাছত পোহৰ, ধ্বংসৰ পাছত সৃষ্টি। গতিকে দুখৰ পাছত.... .... ....

: প্লিজ্ বন্ধু, প্লিজ! মই হাত যোৰ কৰি কৈছো তই অলপ মনে মনে থাক। মোক তই.... ... । : প্ৰিয়মে আৰু কব নোৱাৰিলে। দুহাতেৰে মুখখন ঢাকি সৰু ল'ৰাৰ দৰে কান্দিছিল। এনে অৱস্থাত জ্যোতিয়ে কৰিব লগা একো নাছিল। কিয় জানো জ্যোতিৰ চকুতো পানী বিৰিঙিছিল! তথাপিও কৈছিল জ্যোতিয়ে—

: প্ৰিয়, সন্মুখত আমাৰ এসাগৰ কৰ্তব্য। জীৱন পণ কৰি আজি আমি ভাৰত মাতৃৰ পূজাৰ বাবে ওলাই আহিছো। দুই নম্বৰ গুহাৰ গ্ৰুপ লিডাৰ হিচাপে তই এইবোৰ নজনা নহয়। আৰ, পি, আই দলৰ এজন মুখ্য সদস্য হিচাপে তোৰ মানসিক প্ৰস্তুতি মোতকৈ তেজাল হ'ব লাগিছিল। :

প্ৰিয়মে একো মতা নাছিল। জ্যোতিয়ে কৈ গৈছিল আপোনমনে—

: সমাজৰ দুনীৰ্তি, ক্ষমতাৰ অৰিয়া-অৰি, দালাল, ঘোচখোৰ, শোষণ, নিষ্পেষণ আদিয়ে যেনেকৈ ভাৰত মাতৃক একালৰ পৰা গ্ৰাস কৰিব লাগিছে, সেইবোৰ দেখিও আমি নতুন উদ্দীপ্ত সূৰ্য্যবোৰে যদি হাত সাবটি বহি থাকো কেনেকৈ হ'ব? তই সিদিনা ৭ নম্বৰ গুহাত বোলে টোপনিতে 'জোনা, জোনা' বুলি চিঞৰিছিল। মোক কালি মণোনে কৈছে। হয়তো তই জোনাক খুব ভাল পাইছিলি। যদি তই ইমানেই ভাল পাইছিলি দলত যোগ দিছিলি কিয়? জোনাক যৌৱনৰ পলাস বনত ৰঙ-বিৰঙৰ পখিলা দেখুৱাই, শাসন-শোষণৰ চুম্বনত মহা সুখেৰে দিন নিয়াব পাৰিলি-হেঁতেন!! :

: জ্যোতি!! : এটা বিষাদভৰা কণ্ঠৰে মাতিছিল প্ৰিয়মে।

: এৰা, প্ৰিয়, প্ৰেয়সী নাথাকিলেও মোৰ মা-দেউতা আছে। তই এনেদৰে থাকিলে আমাৰ জানো মনবোৰ দুৰ্বলহৈ নাযাব। তোৰ দৰে আন সদস্যবো এটা জৈৱিক ক্ষুধা আছে, শান্তি প্ৰিয় এটা মন আছে। কিন্তু কিয় এনে পথ ললে? আমি যদি গা-এৰা দিওঁ, কি চীন, বাংলা, পাকিস্থানে আমাক উদ্ধাৰ কৰিবহি নেকি? ক'চোন তয়ে। সুখ্যাতিৰে ইঞ্জিনীয়াৰিঙ পাছ কৰিছিল নহয়, কিয়? কিয় নাপাতি এমুঠি আহাৰ আৰু এখন বস্ত্ৰ যোগাৰ বাবে এটা সংস্থান? :

জ্যোতি বৰ উত্তেজিত হৈ পৰিছিল; হয়তো ভাগৰ লাগিছিল। ভিতৰি ভিতৰি কিন্তু দলত থাকি জ্যোতিৰো বিৰক্তি লাগিছিল। তথাপিও দলৰ কটকটীয়া নীতি-নিয়মৰ বাবে মন-সমূদ্ৰত বাঞ্ছিত সত্যৰ জোৱাৰ আহিলেও নিমিষতে তাক মাৰ নিয়াব লাগে। ফলত আভ্যন্তৰীণ অনুশোচনাৰ জ্বালাত বিবেক ৰক্তাক্ত।

অভ্যাসবশতঃ অট'গ্ৰাফখন হাতত লৈ প্ৰিয়মে ক'লে—

: শুন জ্যোতি, তই ভবাৰ দৰে মই দহৰ, দেশৰ বাবে ওলাই অহা নাই। শোষণ, শাসন, অত্যাচাৰ আদিৰ লেখিয়া কথাত মই আৰ,পি, আই দলত যোগ দিয়া নাই।

: তেন্তে?

: এইবোৰ বহুত কথা। এৰা, আজি শুন তই।: ভালকৈ বহি লৈ প্ৰিয়মে কৈ গ'ল—

: এটা মধুৰ ক্ষণত মোৰ চিনাকি হৈছিল জিনটি বৰুৱাৰ লগত। আমাৰ কলেজ সপ্তাহ-সমাৰোহ চলি আছিল। মই সাধাৰণ সম্পাদক আছিলো। সপ্তাহ সমাৰোহৰ শেষৰ দিনা সকলো বিভাগৰ ফলাফল ঘোষণা কৰা হ'ল। মোৰ কণ্ঠৰেই বাগৰি গ'ল—কবিতা প্ৰতিযোগিতাত প্ৰথম স্থান পাইছে শ্ৰীমতী জিনটি বৰুৱাই। দ্বিতীয় স্থান প্ৰিয়ম গোস্বামী। মোৰ কৌতুহ'ল কোন জিনটি বৰুৱা? প্ৰতিযোগিতাত জিনটিয়ে দিয়া কবিতাবোৰ পঢ়িলো। প্ৰায়বোৰ কবিতায়ে দুখৰ, কৰুণ সুৰ থকা। বন্ধু ৰাহুলে দুদিনৰ পাছত দেখুৱাই দিলে জিনটিক। জিনটিৰ ওচৰলৈ গৈ কংগ্ৰেচুলেচন্‌চ্ জিনটি বুলি কৈ কথাৰ পাতনি মেলিলো। মোকো অভিনন্দন জনালে। এয়ে চিনাকি। ক্ৰমে ক্ৰমে চিনাকি গভীৰ হ'ল। মই জিনটিক জীৱন-সঙ্গী কৰাৰ প্ৰতিশ্ৰুতি দিলো, জিনটিয়েও মোৰ প্ৰাণৰ জোনা হ'ল। জান জ্যোতি, কি মৰম লগাকৈ মই উত্তৰ বিচাৰোঁতে কৈছিল, I agree with you. সেই বাক্যটোতে তাই ঢালি দিছিল বাসনাৰ সমস্ত যান্ত্ৰণা, হৃদয়ৰ গোপন অভিলাস, প্ৰতীক্ষাৰ দীৰ্ঘশ্বাস।

: তাৰ পাছত?

: তাৰ পাছত?

জোনাই মোক এদিন ক'লে—প্ৰিয়, তুমি আমাৰ দাদাক কথাটো কৈ থবা নেকি? দেউতা ঢুকুৱাৰে পৰা দায়ায়ে মোৰ সকলো। আৰু বহুত কিবাকিবি কৈছিল। জোনাৰ ইচ্ছাতে মই সিহঁতৰ ঘৰলৈ গৈ নিৰ্ভীক অথচ সংযত ভাৱে কথাটো জোনাৰ দাদাক অৰবিন্দ বৰুৱাক ক'লো। কিন্তু কথাটো শুনি তেওঁ মোক এক-প্ৰকাৰ বেয়া ব্যৱহাৰেই কৰিলে।

: কিন্তু কিয়? : জ্যোতিয়ে সুধিলে।

: অপৰাধ হ'ল, মোৰ দেউতা সাধাৰণ মাষ্টৰ। জোনাক পোহপাল দিব পৰা মোৰ ক্ষমতায়ে বা ক'ত? তথাপিও আমি গোপনে আগবাঢ়িলো। প্ৰেমৰ কি দুৰ্বাৰ আকৰ্ষণ! তই কি বুজিবি!: কিছু সময় প্ৰিয়ম ৰ'ল। হয়তো তাৰ কোনোবা ৰঙীন মুহূৰ্ত্তলৈ মন উৰা মাৰিছে।

: তাৰ পাছত কি হ'ল জান, জ্যোতি? জোনাৰ জ্বৰ হ'ল। আৰ, এম, বৰুৱা নাছিংহোমত

ৰাখিছিল। মই ৰাহুলক লৈ নাৰ্ছিংহোমলৈ গৈছিলো। গেটৰ মুখতে মুখামুখি হলো অৰবিন্দ বৰুৱাৰ সৈতে। মই ভয়ে ভয়ে সুধিছিলো—জোনাৰ বৰ্ত্তমান কেনে? উত্তৰত কৈছিল—

ঃ তোমাক কিয়?

ঃ নহয় মানে.... ....

ঃ একো মানে নাই, জোনাৰ খবৰ তুমি নৰখাটোৱে তোমাৰ বাবে মঙ্গল।

ঃ জ্যোতি, মই বৰ লাজ পাইছিলো ৰাহুলৰ আগত। জোনাক দেখা নকৰাকৈয়ে মই গুচি আহিছিলো। হোষ্টেলত গৈ জোনাৰ আৰোগ্য কামনা কৰি ভগৱানক প্ৰাৰ্থনা কৰিছিলো। কিন্তু জ্যোতি, তাৰ ৩ দিনৰ পাছতে—জোনা গুচি গ'ল মোক অকলশৰীয়া কৰি।

ঃ What !!

ঃ এৰা জ্যোতি, জোনা নাবাচিল। তাইৰ বান্ধবী নিশাই কৈছিল তাই বোলে মৃত্যুৰ সময়ত মোৰ নাম কৈ কৈ কিবা কৈছিল। এতিয়া মই অনুশোচনাত ভূগিছো যে কিয় অৰবিন্দ বৰুৱাৰ কথা শুনি মই জোনাৰ খবৰ নললো। জোনাৰ চাগে বৰ কষ্ট হৈছিল। তাৰ পাছত ক'তো শান্তি নোপোৱা হ'লো। কোনোমতে ইঞ্জিনিয়াৰীং পাছ কৰিলো, আনহাতে দাদা-নবৌৰ পৰা অৱহেলা পোৱা হ'লো। গতিকে চিৰদিনৰ কাৰণে ঘৰ এৰি গুচি আহিছিলো। এতিয়া বুজিলি জ্যোতি মই দেশসেৱাৰ বাবে দলত যোগ দিয়া নাই।

ঃ তোৰ অতীতটো বৰ ট্ৰেজিক। কাইলৈ এটা কাম কৰো। আমাৰ কাইলৈ পুৰা প্ৰথম অপাৰেছন হব মেজিষ্ট্ৰেত অৰবিন্দ বৰুৱাক হত্যা কৰা।

ঃ জ্যোতি! কি কৈছ তই? কি অপৰাধত?

ঃ তোক যে অপমান কৰিছিল!

ঃ জ্যোতি, কথাবোৰ তেনেকৈ নাভাবিবিছোন। অৰবিন্দ বৰুৱাই একমাত্ৰ ভনীয়েকৰ বাবেই মোক অপমান কৰিছিল। মোৰ সচাঁকৈয়ে একো নীছিল। যদি তই পুনৰ সেইটো কথা কৰ সৌ যে দেখিছ পিস্তলটো, মই মোকে হত্যা কৰিম।

ঃ আজি আৰু শোৱা নহব, স্তভ্‌টো জ্বলাওঁ, চাহ একাপ খাওঁ। —জ্যোতিয়ে ক'লে।

ঃ স্তভ্‌টো থাকিলেই হবনে? চেনী-চাহপাত একো নাই।

ঃ ছেঃ চাহ একাপ খাব লাগিছিল।

ঃ মই কেইটামান কথা কওঁ জ্যোতি। অৱশ্যে আমাৰ দলৰ দুই নম্বৰ গুহাৰ গ্ৰুপ্‌ লিডাৰ হিচাপে নহয়। তোৰ বন্ধু হিচাপেহে। তই যে অলপ আগতে কলি শোসন, নিষ্পেষণ, আদিৰ কথা। আমাৰ দলৰ জন্ম হৈছে ভাৰতত এখন নিকা সমাজ গঢ়িবলৈ, ৰাজনৈতিক-অৰ্থনৈতিক স্বাধীনতা স্থাপন কৰিবলৈ, শোষণ-শাসন ৰোধিবলৈ। আৰু দালাল, ঘোচখোৰ আদিৰ কথা কৈছে! আচলতে এতিয়াও পৃথিৱীত সৎ মানুহ আছে। পাহৰি নাযবি সততা এতিয়াও আছে, আৰু সেই বাবেই পৃথিৱীখন এতিয়াও বৰ্ত্তি আছে। আৰু যদি সৎ মানুহ নাই বুলি ভাবিছ তাক শোধন কৰি বলৈতো বন্দুক নহলও হয়। জনমত, কলম, অহিংস নীতিৰ লেখীয়া ব্ৰহ্মাস্ত্ৰ থাকোতে।

ঃ কি কব খুজিছ খোলাখুলিকৈ নকৰ কিয়?

ঃ শুন তেন্তে। আমাৰ দলৰ যে কিছুমান লক্ষ্য আছে সেহবোৰ পূৰণ হবগৈ নে? যিবোৰ নীতি আছে সেইবোৰ মনা হৈছেনে? ভাৰত মাতৃৰ বুকুত সমতা, শান্তি স্থাপনৰ নামত আমি কি কৰিছো—হত্যা, লুণ্ঠন, অপহৰণ! তাতকৈ বেছি কি কৰিছো?

নাৰীক মৰ্য্যাদা দিবলৈ আমাৰ হয়তো লিখিত নীতি আছে, কিন্তু যেতিয়া কোনো নাৰীৰ শিৰৰ সেন্দুৰ মচিছো, কাৰোবাক পিতৃ-হাৰা ভাতৃ-হাৰা কৰিছো, তেতিয়া প্ৰকৃত মৰ্য্যাদা দিয়া হৈছেনে কি? সিদিনা আমাৰ সভাপতিয়ে কৈছে বিপ্লৱত ৰক্তপাত হবই। কিন্তু মহাত্মা-গান্ধীৰ দেশত ৰক্তপাত নোহোৱাকৈও হ'ব পাৰিব লাগিছিল, তেতিয়াহে আমি গান্ধীজীক আমাৰ পিতা বুলি কোৱাৰ নৈতিক অধিকাৰ থাকিব। মোলৈ কি চাই আছ জ্যোতি? মোক আজি কবলৈ দে। তোৰ মা-দেউতাক তই কি দিহ? মা-দেউতাক জন্ম দিয়াৰ মূল্য দিছ হতাশা, নিৰাশা আৰু আতংক নহয় জানো? আমাৰ দলৰ সকলো অপাৰেছনৰ বিতং খতিয়ান নাপাওঁ কিয়? মাথো দলৰ পেডত লিখা এখন কাগজত নিৰ্দেশ দিব—হত্যা, লুণ্ঠন, আৰ্থিক সংকটৰ কথা। মেচেজ পঠিয়াব, আজিয়ে এক লাখ টকা লাগে। কিন্তু কিয় কাৰ বাবে টকা লাগে? কাৰ পৰা আনিব লাগে, হত্যা কৰি, বেঙ্ক ডকাইটি কৰি? যদি দলৰ আৰ্থিক সংকট জোৰা মাৰিবলৈকে লাগে তেন্তে এতিয়া একাপ চাহ খাবলৈ চিন্তা কৰিব কৰিব লগা হ'ল কিয়?

ঃ প্ৰিয়, তই হয়তো ঠিক কথাই কৈছ। কিন্তু কি কৰিবি। মই জানো এইবোৰ কথা নাভাবো, কিন্তু.... ....

কোনো কিন্তু নাই জ্যোতি। ৰাতি পুৱাবলৈ বেছি বাকী নাই। পুনৰ অতীতটোলৈ চা, ভবিষ্যতৰ কথা ভাব। অতীতটোৱে তোক কি দিলে, কি পালি? যদি মোৰ কথা শুন তেন্তে ব'ল পুৱাতে দল ত্যাগ কৰি পলাওঁ, মনক দুৰ্বল হবলৈ নিদিবি। আমি বন্দুক পেলাই দি নৈতিক সাহসেৰে যুঁজিম। উত্তৰ পুৰুষক পথ দেখুৱাই যাম যে সন্ত্ৰাসৰ বাটেৰে অমৃত কেতিয়াও নাহে।

০ ০ ০ ০

পিছদিনা বাতৰি কাগজৰ প্ৰথম পৃষ্ঠাতে ডাঙৰ ডাঙৰ হৰফেৰে প্ৰকাশ পালে সশস্ত্ৰ বিপ্লৱী দলৰ দুজন কৰ্মীয়ে অস্ত্ৰসস্ত্ৰসহ প্ৰধান মন্ত্ৰীৰ ওচৰত আত্ম-সমৰ্পণ কৰে! ০ ০ ০

# অনুভৱ

**অঞ্জলি কলিতা**
স্নাতক ২য় বাৰ্ষিক

এজাক বতাহ ধীৰে ধীৰে বৈ গ'ল । বতাহৰ গতিৰ লগে লগে স্মৃতিৰ মনটো উৰা মাৰিছে কোনোবা এক অজান দেশলৈ । কি যে হৈ গ'ল ! তাই একো ভাবিবই নোৱাৰিলে কিয় তাই এই অপকৰ্ম কৰিলে ? পঢ়া-শুনাতো বেচ ভালেই আছিল । কিয় স্মৃন্ময়ীৰ লগ লাগি এই কাম কৰিলে । মাকৰ অন্তৰত খুব আঘাত লাগিল । মাকে ভাবি-গুণি তাইক হোষ্টেলত ৰখাবলৈ চেষ্টা কৰিলে । তাই তেতিয়া অনুভৱ কৰিছিল, মাকক এৰি হোষ্টেলত থাকিব কেনেকৈ ? হোষ্টেলত থাকিবলৈ প্ৰথমে তাই টান পাইছিল যদিও এতিয়া অৱশেষে অভ্যস্ত হৈ গৈছে । তাই বৰ্ত্তমান তাইৰ লগৰ সকলৰ মাজত বৰ মৰমৰ । সকলোৱে যেন তাইক কাষতে বিচাৰে, তথাপি কোনো এক অকলশৰীয়া মুহূৰ্ত্তত এক বুজিব নোৱাৰা ব্যথাই তাইৰ অন্তৰত গা কৰি উঠে । তাই যেন আজিকালি কাৰবাৰ পৰা বহু আঁতৰত । কিয় এনে হয় বাৰু ?

স্মৃতি যি দিনা প্ৰথম হোষ্টেললৈ আহিছিল তাইৰ বন্ধুজনে এপাহ গোলাপ ফুল দিছিল । অন্তৰত বহুত আশা হৃদয়ত বিদায়ৰ বহুত ব্যথা লৈ তাই গুৱাহাটী পাইছিলহি আৰু তাইৰ নিৰ্দিষ্ট কোঠা আৰু নিৰ্দিষ্ট বিচনা দখল কৰিছিল । ৰাতি ভালেমান পৰলৈ তাইৰ টোপনি অহা নাছিল । বিদায় বেলাত মাকৰ চকুৰ পৰা ওলোৱা চকুপানী আৰু বন্ধুৰ বিদায়-সনা চাৱনিয়ে স্মৃতিক বহুত ৰাতিলৈ উজাগৰে ৰাখিলে । প্ৰথম এসপ্তাহ মানলৈকে



এইবোৰ অনুভৱে তাইক বৰ আমনি লগাইছিল ।

কেইদিনমান যোৱাৰ পিছত তাই বান্ধৱীৰ লগত ফুৰিবলৈ ওলাই আহিল । বান্ধৱীয়ে ওলাই আহি দেউতাকক লগ পালে । তাই দেউতাকৰ লগত কথা-বতৰা পাতি স্মৃতিক চিনাকি কৰি দিলে ; কিন্তু স্মৃতিৰ অন্তৰ কান্দি উঠে । হোষ্টেলত থাকি তাই কিছু কথাত ভাল পাইছিল যদিও কেতিয়াবা তাই অস্থিৰ হৈ পৰিছিল কিবা এটা বিচাৰি । যেতিয়া তাই লগৰ বান্ধৱীবোৰৰ দেউতাকবোৰ আহে তেতিয়া তাইৰ মনটোৱে কান্দি উঠে । তাইৰ মন যায় দেউতা বুলি মাতিবলৈ কিন্তু তাই বৰ দুৰ্ভগীয়া । তাই কাক দেউতা বুলি মাতিব ? কোনে তাইক মৰম কৰিব ?

দুখৰ মাজতো তাই বহুত মৰম পাইছিল একমাত্ৰ বন্ধু মৃন্ময়ৰ পৰা । অৱশেষত তাই সুখ্যাতিৰে প্ৰথম বিভাগত উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হয় । এইবাৰ তাই গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত নাম ভৰ্ত্তি কৰিলে । মাকৰ কিমান আনন্দ ! স্মৃতিয়ে মৃন্ময়ৰ আশা পূৰণ কৰিব । ইমান আনন্দৰ মাজতো স্মৃতি নীৰৱ হৈ থাকে । মেডিকেল কলেজত তাই অতি কম দিনৰ ভিতৰতে সকলোৰে প্ৰিয়পাত্ৰ হৈ পৰিছিল । মাত্ৰ তাইৰ মনটোৱে হঠাতে হাহাঁকাৰ কৰি ফুৰে কিবা এটা বিচাৰি । সেই কিবাটো জানো তাই পাব ?

স্মৃতি ডাক্তৰ হৈ অহাত মাকৰ চিন্তাৰ ধাৰাটো আনফালে গতি কৰিলে । তেওঁ যেন ভগৱানৰ ওচৰত আৰু কিবা এটা বিচাৰিব ধৰিলে । তেওঁ দিনে দিনে দুৰ্বল হৈ পৰিছে আৰু সেয়ে স্মৃতিক বিয়া দিবলৈ অতি সম্ভ্ৰান্ত পৰিয়ালৰ এজন সজ চৰিত্ৰবান ল'ৰাৰ লগত স্মৃতিৰ বিয়া পাতিবলৈ ঠিক কৰিলে । ল'ৰাজন অতি মৰম লগা । নাম তাৰ মৃন্ময় । কিন্তু ল'ৰাজনৰ নাম শুনিয়ে স্মৃতিৰ মন নাচি উঠিল । কাৰণ মৃন্ময়ৰ লগত তাইৰ আগৰ পৰাই চিনাকি । স্মৃতিয়ে মাকক মৃন্ময়ৰ লগত তাই কেনেকৈ চিনাকি হৈছিল সকলোবিলাক ক'লে । স্মৃতি আৰু মাকৰ মন একে হোৱা বাবে মৃন্ময়ৰ মন নথৈ আনন্দিত । মৃন্ময়ৰ ওচৰত স্মৃতিয়ে যেন নিৰ্ভয়ে থাকিব পাৰিব ।

স্মৃতিৰ শেষ পৰীক্ষাৰ পিছতে মাকে তাইৰ বিয়া পাতিলে । বিয়া পতাৰ আগতে তাই স্মৃন্ময়ীৰ কথাবিলাক মনত পৰিলে । স্মৃন্ময়ীৰ লগত ভাল বান্ধৱী আছিল যদিও তাই স্মৃন্ময়ীক বাদ দিলে । তাইৰ বিয়া ধুমধামৰে হৈ গল ! কিন্তু স্মৃতিৰ মাজত যেন কোনো নতুন ভাব নাই । বিয়াৰ দিনাখন দেউতাকৰ ফটোখন চাই কান্দিবলৈ ধৰিলে । মাকে সহ্য কৰিব নোৱাৰি হুকহুকাই কান্দিবলৈ ধৰিলে ! তেওঁ অস্থিৰ হৈ পৰিছে । স্মৃতিয়ে সেইদিনা কান্দি কান্দিয়ে নতুন ঘৰলৈ ওলাইছিল । নতুনৰ আগমনেও যেন তাইক আনন্দ দিব পৰা নাই ।

সেইদিনা মৃন্ময়ৰ দেউতাকে মাতি আনি বহু বুজনি দিলে ; আজিৰে পৰা তুমি মন মাৰি থাকিব নালাগে । মোৰ নিজৰ ছোৱালী হ'লা আৰু মই তোমাৰ দেউতা । মোৰ মৰম তথা আশীৰ্বাদ তোমালৈ সদায় থাকিব । স্মৃতিয়ে হঠাতে দেউতা শব্দটো শুনি কান্দি পেলালে আৰু ভৰিত ধৰি দেউতা বুলি চিঞৰি উঠিল । সেইদিনা তাইৰ কান্দোনৰ মাজতো হাঁহি ওলাল । সেইদিনাহে যেন স্মৃতিয়ে বহুদিনৰ পৰা বিচাৰি থকা কিবাটো পালে । ০ ০ ০

# ভদ্ৰ সমাজ
## আৰু
# চৰিত্ৰহীনা মৃতদেহ

মালবিকা বৰুৱা
স্নাতক ১ম বাৰ্ষিক

মনটো ভাল লাগি নথকাত এনেয়ে অগ্নিগড়ৰ ফালে অলপ ওলাই আহিলো ফুৰিবলৈ বুলি, এয়ে সেই ঐতিহ্যমণ্ডিত অগ্নিগড় য'ত বাণ ৰজাই তেওঁৰ কন্যা উষাদেৱীক অসংখ্য সৈন্য-সামন্তৰ দ্বাৰা সুপৰিবেষ্টিত কৰি ৰখাইছিল। সাধাৰণতে মই ফুৰিবলৈ গ'লে মোৰ ডায়েৰী বহীখনো লগতে লৈ যাওঁ। ব্ৰহ্মপুত্ৰৰ পাৰত বহি কেতিয়াবা কিবা কবিতা লিখোঁ নাইবা কেতিয়াবা কোনো ঘটনাক মনত পেলাই গল্পৰ ৰূপ দিবলৈ চেষ্টা কৰোঁ। কিন্তু আজি মই সেই দুটাৰ এটাও কৰিব নোৱাৰিলোঁ। ব্ৰহ্মপুত্ৰৰ পাৰত সংঘটিত হোৱা আজিৰ ঘটনাটোৱে মোৰ মনত এটা দকৈ সাঁচ বহুৱাই দিলে—যাক হয়তো মই কোনোদিনাই পাহৰিব নোৱাৰিম। যিজনী ছোৱালীৰ লগত পৰহি মাত্ৰ মই চিনাকি হৈছিলোঁ, ক্ষন্তেকৰ সেই চিনাকিতে সেইজনী ছোৱালীয়ে মোৰ আগত বৰ্ণনা কৰিছিল জীৱনত পাই অহা নানান তিক্ত অভিজ্ঞতা। মোৰ দৰে আন বহুতকেই হয়তো তাই সহজভাৱে লৈছিল, যাৰ ফলত তাইৰ জীৱনলৈ নামি আহিছিল ঘোৰ অন্ধকাৰ। সেইজনীয়েই এইজনী ছোৱালী, সমাজৰ লগত যুঁজি যুঁজি ভাগৰি পৰি হয়তো অকণমান শান্তি পাবৰ বাবে তাই চিৰদিনৰ কাৰণে গুচি গ'ল এই পৃথিৱীৰ সিপাৰলৈ।

পৰহি আবেলি কাপোৰ কিনিবৰ বাবে মই চ'ক বজাৰৰ এখন কাপোৰৰ দোকানত সোমাইছিলোঁ। এনেতে সুন্দৰ সাজ-সজ্জাৰে মুখত উগ্ৰ প্ৰসাধনেৰে এগৰাকী যুৱতীয়ে মোৰ দৃষ্টি আকৰ্ষণ কৰিলে। কিয় জানো যুৱতী গৰাকীৰ লগত চিনাকি হবৰ বাবে মোৰ মন গ'ল। যুৱতী গৰাকীৰ ওচৰলৈ গৈ চিনাকি হবৰ মনেৰে মই কলো—Excuse me, মোৰ নাম মালবিকা বৰুৱা। মই গল্প লিখোঁ, আপোনাৰ লগত চিনাকি হ'ব খুজিছোঁ। অনুগ্ৰহ কৰি চিনাকিটো দিবনে? মোলৈ অলপ সময় চাই যুৱতী গৰাকীয়ে ক'লে—"আপুনি মালবিকা বৰুৱা! আপোনাৰ গল্প মই পঢ়িছোঁ। বৰ সুন্দৰ লিখে আপুনি।"

"নাই নাই। ক'তনো সুন্দৰ লিখোঁ। এনেয়ে মন ভাল লগাবৰ বাবে লিখো আৰু পিছে আপোনাৰ নামটো?"

"অ' মোৰ নাম স্মৃতা বৰুৱা। মোৰ ঘৰ কেতেকীবাৰীত। মোৰ লগত কোনো নাথাকে। মই অকলশৰীয়া।"

"আপুনি অকলে থাকে? কিন্তু বৰ্তমান পৰিস্থিতিত এজনী ছোৱালী অকলশৰীয়াকৈ থকাতো কিমান বিপজ্জনক তাক হয়তো আপুনি ভালদৰেই জানে।"—যুৱতীগৰাকীৰ আচৰিত যেন লগা কথাবোৰ শুনি মই ক'লো।

"জানো। তথাপিও মই আছো। কিহৰ কাৰণে জানে? কাৰণ আপুনি যি বিপদৰ কথা কৈছে সেই বিপদ মোৰ জীৱনলৈ কেতিয়াবাই আহি গ'ল। নাৰী জীৱনৰ সৰ্বশ্ৰেষ্ঠ সম্পদক মই কেতিয়াবাই হেৰুৱালো। গতিকে মই কিহৰ কাৰণে ভয় কৰিম? কালৈ ভয় কৰিম?" ইতিমধ্যে আহি আহি এখন পাৰ্কৰ কাষ পালোহি। স্মৃতাৰ কথাবোৰে মোক আৰু আচৰিত কৰি তুলিলে। দুয়োজনী পাৰ্কৰ ভিতৰলৈ সোমাই গলো। ক্ষন্তেক সময়ৰ ভিতৰতে দুয়োজনী একেবাৰে আপোন হৈ পৰিলো। আৰু এই আত্মীয়তাই মোক সুধিবলৈ বাধ্য কৰাইছিল তাইৰ অতীত জীৱনৰ ইতিহাস। "স্মৃতা তোমাৰ কথাবোৰৰ পৰা ভাব হয় তোমাৰ জীৱনটোত যেন বহু নঘটিবলগীয়া ঘটনা ঘটি গৈছে। যদি বেয়া নোপোৱা তেন্তে মোক তোমাৰ বিষয়ে কিছু কবানে?"

"মোৰ বিষয়ে! কি শুনিব আপুনি মোৰ বিষয়ে?" যিজনী ছোৱালীৰ অতীত ইতিহাস আপুনি জানিব বিচাৰিছে তাইৰ প্ৰকৃত পৰিচয় পালে হয়তো আপুনি ঘৃণাত নাক কোঁচাব। আপুনি হয়তো মোৰ জীৱনক জানিব বিচাৰিছে এটি গল্পৰ উৎস হিচাপে। কিন্তু মোৰ প্ৰকৃত পৰিচয় পালে আপুনি পাৰিব জানো মোৰ বিষয়ে গল্প লিখিবলৈ?"

"পাৰিম! সেই সাহস মোৰ আছে। কাৰণ এগৰাকী লেখিকাৰ উপৰিও মই এগৰাকী নাৰী আৰু সেই বাবেই লেখিকা হিচাপে নোৱাৰিলেও এগৰাকী নাৰী হিচাপেই মই মোৰ কাৰ্য্য সম্পাদন কৰিম।"—মই ক'লো।

"ধন্যবাদ! মোৰ দৰে এজনী সাধাৰণ ছোৱালীক আপুনি ইমান গুৰুত্ব দিয়াৰ বাবে মই নিজকে ধন্য মানিছো। আজি জীৱনত প্ৰথমবাৰৰ কাৰণে মই মোৰ জীৱন কাহিনী কাৰোবাক কবলৈ ওলাইছো। কিন্তু কি ক'ম? যাৰ জীৱনটোৱেই এটা বিৰাট শূন্যতা—সি কি ক'ব পাৰিব জীৱন কি? সুখ কি? আৰু মৰম কি?

মোৰ জন্ম যোৰহাটৰ তৰাজানত। মোৰ বাহিৰেও দেউতা-মা আৰু এজন ভাইটিৰ সৈতে আছিল মোৰ ঘৰখনৰ সুখী পৰিয়ালটি। আমি ডাঙৰ হ'লো। পঢ়া-শুনা কৰিলো।

আৰু শেষত মোক বিয়া দিবৰ বাবে মা-দেউতাহঁতে প্ৰস্তুতি চলাবলৈ ধৰিলে। ইতিমধ্যেই মোৰ চিনাকি হৈছিল দীপৰ লগত। দীপ— যাক মই অন্তৰেৰে সৈতে ভাল পাইছিলো আৰু চিৰজীৱনৰ বাবে সংগী কৰি লোৱাৰ সপোন দেখিছিলো। কিন্তু দীপৰ লগত বিয়া হোৱাত মা-দেউতাৰ আপত্তি। ইতিমধ্যে দেউতাই এজন শিক্ষকৰ লগত মোৰ বিয়া ঠিক কৰি পেলাইছিল। উপায় নপাই মই দীপৰ লগত তেজপুৰলৈ পলাই আহিলো। ভাবিছিলো এখন সুখৰ সংসাৰ হ'ব। হ'ত মই বাধাহীনভাৱে দীপৰ মৰম লাভ কৰিব পাৰিম। কিন্তু সেইখিনিতেই অজানিতে মই মোৰ জীৱনৰ আটাইতকৈ ডাঙৰ ভুলটো কৰি পেলাইছিলো। ইমানদিনে দীপক মই বাহিৰৰ পৰাহে চিনি পাবলৈ সক্ষম হৈছিলো। তাৰ ভিতৰৰ ৰূপটো মই চিনি পালো— সেইদিনাহে যিদিনা সি মোক যোৰহাটৰ পৰা তেজপুৰলৈ লৈ আহিছিল। তেজপুৰত নামি দীপৰ চিনাকি মানুহ এজনৰ ঘৰত ৰাতি উঠিলোগৈ। প্ৰথম দৰ্শনতে মানুহজন মোৰ ভাল লগা নাছিল। ৰাতি ভাত খাই উঠি দীপ আৰু মই শুবলৈ গ'লো। মোৰ আপত্তি সত্ত্বেও দীপৰ ওচৰত মই অৱশেষত আত্মসমৰ্পণ কৰিলো। দুখ, হতাশাত ভাগি পৰি মই টোপনি গ'লো। ৰাতিপুৱা সাৰ পাই দেখো দীপ নাই আৰু কমৰ দুৱাৰ মুখত থিয় দি ঘৰৰ মালিকজন। ভয় খাই মই উঠিবলৈ লওঁতেই মানুহজনে মোক আক্ৰমণ কৰিলে।

মোৰ নাৰী জীৱনৰ সৰ্বশ্ৰেষ্ঠ সম্পদ দুটি মানুহৰূপী অসুৰে নিঃশেষ কৰি দিলে। এই মানুহজনেই পিচত মোক কেতেকীবাৰীত এটা সৰু ঘৰ সাজি দিলে। কিন্তু ইয়াৰ আঁৰত তেওঁৰ মোৰ প্ৰতি কোনো দয়া নাছিল। আছিল কেৱল তেওঁৰ স্বাৰ্থ। ইয়াতেই মোৰ জীৱনে এটা বেলেগ ৰূপ ল'লে। তাৰ উপৰি মই সেই ভদ্ৰ মানুহবোৰৰ সহযোগত এটি উপাধি পাবলৈও সক্ষম হ'লো। মই হৈ পৰিলোঁ মুখা-পিন্ধা ভদ্ৰলোকসকলৰ ভোগৰ সামগ্ৰী, মোৰ ঘৰ হৈ পৰিল মদ আৰু জুৱাৰ আড্ডা। যিসকল অফিচাৰৰ ওচৰলৈ চাকৰি বিচাৰি যাওঁতে মোক চাকৰি নাই বুলি কৈ উভতাই পঠিয়াইছিল ; সেই অফিচাৰসকলেই ৰাতি আহি মোৰ অনুগ্ৰহ প্ৰাৰ্থনা কৰিছিলহি। মই অক্ষম হৈ গলো। ঘৰলৈ উভতি যোৱাৰ বাটও যে বন্ধ! প্ৰত্যেক দিনাই ওচৰৰ মানুহবোৰৰ পৰা ভাঁহি আহিবলৈ ধৰে মোলৈ বুলি কৰা নানা কটু কথা আৰু নিৰ্মম মন্তব্য। দুখ, হতাশা আৰু খঙত মোৰ মন ভাগি পৰে। কিয় তেওঁলোকে এবাৰো ভাবি চাবলৈ চেষ্টা নকৰে মোৰ এই অৱস্থাৰ উৎস কি? কি কাৰণত মই আজি সমাজচ্যুতা। মইও জানো কল্পনা কৰা নাছিলো এখন সুখৰ সংসাৰৰ, এখন ভদ্ৰ নিকা সমাজৰ, এবুকু সঁচা মৰম আৰু ভালপোৱাৰ, কিন্তু মই কি পালো? আজি মই এইবোৰৰ একোকে নিবিচাৰো। মোক সমাজ নালাগে, মৰম নালাগে, ভালপোৱা নালাগে— মোক লাগে কেৱল টকা। মোৰ এই দেহটোক সজাই ৰাখিবৰ বাবে— যাতে মোৰ প্ৰতি গ্ৰাহক সহজে আকৰ্ষণ হ'ব পাৰে। যোৰহাটত থাকোতে ইমান মূল্যবান শাৰী আৰু প্ৰসাধন সামগ্ৰী ব্যৱহাৰ কৰিবলৈ মই অক্ষম আছিলো। কিন্তু এতিয়া মই সক্ষম। কাৰণ আগেয়ে মই আছিলো এখন আদৰ্শৱান মধ্যবিত্ত ঘৰৰ জীয়ৰী আৰু আজি.... ....। এতিয়া কওক পাৰিব মোৰ অতীত ইতিহাস লৈ গল্প লিখিব? নোৱাৰে। কাৰণ মই জানো আপুনি এখন ভদ্ৰ সমাজৰ এটা ভদ্ৰ পৰিয়ালৰ জীয়ৰী। আপুনি যদি মোৰ দৰে হতভগা নাৰীবোৰৰ জীৱন চৰিতকে লিখে তেন্তে আপোনালোকৰ সমাজৰ ভদ্ৰ মানুহবোৰৰ জীৱন কাহিনী কোনে লিখিব?"

"নহয় স্মৃতা, তুমি ভুল বুজিছা। মই লিখিম। মুখা পিন্ধা ভদ্ৰলোকসকলৰ স্বৰূপ মই প্ৰকাশ কৰিমেই। I promise you."

মোৰ কথা শুনি মোৰ হাত দুখনত এটি চুমা খাই হুমুনিয়াহ কাঢ়ি স্মৃতা আঁতৰি গৈছিল।

মোৰ গল্প লিখা হৈ নুঠিল। স্মৃতাই এই পৃথিৱীৰ পৰা বিদায় ল'লে। তাই হয়তো ইমানদিনে তাইৰ জীৱন কাহিনী কাৰোবাক শুনাবৰ বাবেই বাট চাইছিল। দুৰ্বল স্মৃতাজনীয়ে হয়তো কিমান আশা লৈ পৃথিৱীলৈ আহিছিল আৰু কি লৈ যাবলগীয়া হ'ল। কি অদ্ভুত এই পুৰুষজাতি। দেহৰ লোভত যি কোনো কাম কৰিবৰ বাবে এওঁলোক সক্ষম। কিন্তু সদায় এনেকৈয়ে জানো স্মৃতাৰ দৰে ছোৱালীবোৰে সমাজৰ ওচৰত হাৰি গুচি যাব লগা হ'ব? হঠাৎ ভাবৰ যতি পৰাত সন্মুখলৈ চাই দেখোঁ তেতিয়াও সেই মানুহবোৰ স্মৃতাৰ লাচটোক লৈ সংকাৰৰ বাবে গুণাগথা কৰি আছে। কাৰণ স্মৃতা এজনী সমাজচ্যুতা নাৰী!

স্মৃতাৰ মৃত্যুৰ বাবে দায়ী প্ৰকৃততে কোন—স্মৃতাৰ ভাগ্য, সমাজ নে অভিজাত্যৰ মুখা পিন্ধা ভদ্ৰ মানুহবোৰ?

০ ০ ০

## কৌতুক

*এজন মানুহে এখন হোটেলত বহি চাহ একাপৰ অৰ্ডাৰ দিলে। কিন্তু চাহ কাপত এটা মাখি পৰিলত মানুজনে ক'লে—"বেলেগ একাপ চাহ দিয়ক!!" তেতিয়া দোকানীজনে তপৰাই উত্তৰ দিলে — "হেৰি পঞ্চাচ পইছাৰ চাহত মাখি নপৰি হেলিকপ্টাৰ পৰিব নেকি?"*

বীতামণি বৰা
উঃ মাঃ ১ম বাৰ্ষিক॥

# অভিমান

ডুলমণি ভূঞা
স্নাতক ৩য় বৰ্ষ

*ৰাজুৰ কথা ঃ*

ছোৱালীজনীৰ লগত চিনাকি হোৱা মোৰ খুব বেছি দিন হোৱা নাছিল। প্ৰথম চিনাকিতে মই ভাবিবলৈ বাধ্য হৈছিলো যে ছোৱালীজনী যথেষ্ট চঞ্চল। ইয়াৰ কেইদিন-মানৰ পাছত তাই মোৰ ওচৰলৈ এটা ডাঙৰ প্ৰস্তাৱ লৈ আহিছিল, যিটো শুনি মই অবাক হৈ তাইৰ মুখলৈ চাই আছিলো। পাছত মই সন্মতি জনাইছিলো, এই গধুৰ দায়িত্ব বহন কৰিবলৈ। তাই মোক এজন দাদাক হিচাবে বিচাৰে।

তাই মনে ভবা উপযুক্ত দাদাকজনৰ গুণখিনি মোৰ আছিল নে নাই নাজানো, তথাপিও মই সেই দিনা সন্মতি জনাইছিলো। তাৰ পাছত মই সিহঁতৰ ঘৰখনৰ এজন ডাঙৰ ল'ৰা হিচাবে স্বীকৃতি লাভ কৰিলো। আৰু মোৰ ঘৰখনেও তাইক সেই হিচাবেই স্বীকৃতি দিলে। কিন্তু, আজি মোৰ সেই ভন্টিজনী কলৈ গ'ল, সঁচাকৈয়ে তাই পাগলৰ লগত পৰি পাগলেই হ'ল।

*জুলিৰ কথা ঃ*

কাগজ-কলম হাতত লৈ কিয় জানো, মই থমকি ৰব লগা হৈছে। চকুৰ পানীৰে মই যে বাট নেদেখা হৈ গৈছো। সঁচাকৈ মই পাগল হ'লো নেকি ?? তেনেহলে মোৰ চকুত পানী কিয় ?? অ' এইয়া মোৰ পাই হেৰোৱা বেদনা। সি বাৰু মোক কিয় চিনি নাপালে, মোক বাৰু কিয় বুজি নাপালে ?? মোৰ চিঞৰি চিঞৰি ক'বলৈ মন গ'ল— ৰাজু দা, মই পাগলী হোৱা নাই, তই মোক আকৌ এবাৰ জুলি বুলি মাতচোন। মই তোক সকলোবোৰ কম ৰাজু দা, তই মোক মাথো এবাৰ জুলি বুলি মাত, ৰাজুদা।'

*ৰাজুৰ কথা*

মোৰ সেই ভন্টিজনীৰ নাম আছিল জুলি। দিনবোৰ বাগৰি যোৱাৰ লগে লগে মোৰো তাইৰ প্ৰতি থকা দায়িত্ববোধ বাঢ়ি আহিছিল। তাইৰ পঢ়া-শুনাৰ পৰা আৰম্ভ কৰি সকলো কামতে মই চকু দিব লগীয়া হ'ল। তাইয়ো মোক যথেষ্ট মৰম কৰিছিল, তাইৰ মৰমৰ আঁৰতেই মই পাহৰি গৈছিলো মোৰ জীৱনৰ সুখ-দুখ, হাঁহি-কান্দোনৰ কথাবোৰ। আমি দেশ সেৱাৰ কামত উৎস যোগাইছিল। আমি দুয়ো ককাই-ভনীয়ে ভৱিষ্যতৰ সেউজীয়া পৃথিৱী-খনক কল্পনা কৰিছিলো; ধূনীয়া-ধুনীয়া সপোন ৰচিছিলো, তেতিয়া সেউজীয়া গছ-লতাবোৰে আমালৈ চাই মিচিকিয়াই হাঁহিছিল। অদৃশ্য দেৱতাবোৰে আমাৰ কল্পনা আৰু সপোনৰ কথা শুনি হয়তো এটা বিদ্ৰূপৰ হাঁহি মাৰিছিল। এনেদৰেই আমাৰ দিনবোৰ পাৰ হৈ গৈছিল।

লাহে লাহে সময় সলনি হ'ল। দেশত জুই লাগিল। এই জুইয়ে চাৰিওকালৰ পৰিবেশবোৰ সলনি কৰি দিলে। চৰকাৰৰ বিৰুদ্ধে থিয় দিয়া ল'ৰাবোৰক উগ্ৰপন্থী নামকৰণ কৰা হ'ল। উগ্ৰ-পন্থী ধৰাৰ নামত চৰকাৰে চাৰিওকালে সেনা বাহিনী নিয়োগ কৰিলে। কিছুমান ল'ৰাক ধৰি আনি জধেমধে মাৰপিট কৰিলে। সেনা-বাহি-নীৰ অত্যাচাৰৰ ভয়ত কিছুমানে সিহঁতৰ ওচৰত উগ্ৰপন্থীৰ নাম তালিকা যোগান ধৰিলে, এই তালিকাত মোৰ নামটোও পৰিল। মই এই কথাটো জুলিক নোকোৱাকৈ থাকিব নোৱা-ৰিলো। দুয়োখন ঘৰেই খুব চিন্তাত পৰিল। এদিন হঠাৎ জুলিয়ে মোক ক'লে, ৰাজু দা মই বুজিছু—আজি পাঁচদিন মানৰ আগতে এটা সপোন দেখিছিলো। সপোনত মোক এগৰাকী বুঢ়ীয়ে ক'লে "জুলি তোৰ ককায়েৰক যদি সদায় পাবলৈ বিচাৰ তেতিয়া হলে তই মন্দি-ৰত চাকি এগছ দি তাৰ পৰা ফোঁট আনি নিজ হাতেৰে ৰাজুৰ কপালত দি দিবি, তেতিয়া সি সদায় কুশলে থাকিব, তাক কোনেও ধৰিব নোৱাৰে।" তাইৰ কথা শুনি সেইদিনা তাইলৈ মোৰ খুব মৰম লাগিছিল। মই কলো, "জুলি তোৰ দাদাৰক কোনেও একো কৰিব নোৱাৰে। মই সদায় তোৰ ওচৰত ৰাজুদা হৈ থাকিম।" সেইদিনা তাই মোলৈ খুব অবাক হৈ চাই আছিল। কিয় চাইছিল নাজানো। কিন্তু মোৰ কথাই তাইক একো কৰিব নোৱাৰিলে। এদিন তাই মোৰ কপালত এটা চন্দনৰ ফোঁট দি, হাতত এটা বেলপাত দি ক'লে—"এইটো ভালকৈ থবি। আজি মই মন্দিৰত গৈ তোৰ হৈ চাকি দিছো, আৰু তোৰ এই কপালৰ বড়া চন্দনৰ ফোঁটও মই বেলপাতটোৰ সৈতে লৈ আহিছো। তই অলপ সাৱধানে ফুৰা চকা কৰিবি।" সেইদিনা মই নিৰ্বাক দৃষ্টিৰে তাইলৈ চাই আছিলো। মোৰ চকু দুটা জলজলীয়া হৈ গ'ল।

কিন্তু এইজনী জুলি আজি মোৰ আপোন জুলি হৈ থকা নাই। তাই সলনি হৈ গ'ল। তাই আজি-কালি মোৰ ওচৰত অভিমান নকৰা হ'ল, মইও কাৰো অভিমান ভাঙিব লগীয়া নহ'ল। যদিও মই তাইৰ সেই অকৃত্ৰিম মৰমৰ কথা পাহৰা নাই, কিন্তু পাহৰা জানো সম্ভৱ ?? তথাপি তাইৰ কিছুমান কথা-কাণ্ডত মই তাইক বেয়া পোৱা হ'লো। তাই মোক দেখিলে অৱশ্যে আগৰ দৰেই মাতে, ওচৰ চাপি আহে। কিন্তু তাই মোৰ পৰা আজি-কালি বহু কথা লুকুৱায়। তাৰ উপৰি

আজি কেইদিন মানৰ পৰা তাই এটা লৰাৰ লগ লোৱা হ'ল, মই তাইক বাৰে বাৰে বাধা দিছো, কিন্তু তাই মোৰ কথাত অলপো গুৰুত্ব নিদিলে। মই এই লৰাটোক এটা পাগল বুলিয়েই জানো। ময়েই অকল কিয়, গোটেই সমাজখনেই জানে সি এটা পাগল, ধূৰ্ত ইত্যাদি। মোৰ লগৰবোৰে মোক দেখিলেই এটা সুন্দৰ ইতিকিংসূচক হাঁহি মাৰে। মই বুজিব পৰা নাই, জ্বলিৰ কি হৈ গ'ল। আজি-কালি তাইক মোৰ অলপো ভাল নলগা হ'ল। পৰাপক্ষত মই তাইৰ পৰা আঁতৰি থাকো। মই ভাবিছিলো জ্বলি আকৌ আহিব মোৰ ওচৰলৈ, মোক সেইদিনা তাই আকৌ সেই মৰম লগা মাতষাৰেৰে ৰাজুদা বুলি মাতিব। কিন্তু মই ভবাটো হৈ নুঠিল।

এদিন তাই মোক সুধিলে "ৰাজুদা, তই মোক কিয় আগৰ দৰে নামাত ?? তই মোক দেখিলে কিয় আঁতৰি যাৱ?" সেইদিনা তাইৰ ওপৰত মোৰ বিৰাট খং উঠিল। মই গহীন হৈ ক'লো—"তই যিদিনা নিকা হৈ মোক কৰিবি, ৰাজুদা মই তোৰ সেই আগৰ জ্বলি ভন্টিজনী, সেইদিনাৰ পৰাহে মই তোক আগৰ দৰে মাতিম।" তাই নীৰৱে আঁতৰি গ'ল। মোৰ চকুৰে দুটোপাল চকুলো ওলাই আহিল। মই ঘৰলৈ বুলি খোজ ললো। হঠাৎ অঞ্চলটোত বিজুলীত ব্যাঘাত জন্মিল, গোটেই অঞ্চলটো নিস্তব্ধ হৈ পৰিল। শুক্ল পক্ষৰ দশমীৰ জোনটোৱে অঞ্চলটো পোহৰাই তুলিলে। জোনাকতে দেখিলো গছ-লতাবোৰে মোলৈ চাই এটা শান্তিৰ হাঁহি মাৰিছে। গছৰ ডালত পৰি এটা ফেঁচাই নিউ-নিউ-নিউকৈ পৰিবেশটো গম্ভীৰ কৰি তুলিলে।

***জ্বলিৰ কথা ঃ***

"ৰাজু বৰুৱা" মোৰ অতি চিনাকি নাম, অকল মোৰ বুলিয়েই নহয় ঘৰখনৰ সকলোৰে বাবে ই এটা পৰিচিত নাম। সি আছিল আমাৰ ঘৰৰ লৰা, ঘৰখনৰ ডাঙৰ লৰা বুলি সি স্বীকৃতি পাইছিল। মই তাক ৰাজুদা বুলি সম্বোধন কৰাত ঘৰৰ আন বিলাকেও এই বুলি সম্বোধন কৰিছিল। ৰাজুদা বুলি ক'লে মোৰ লগতে ভাইটি আৰু ভন্টিও বলিয়া হৈ পৰিছিল। এবাৰ মোৰ ভন্টিৰ জন্মদিনত ৰাজুদায়ে এটা ধুনীয়া কলম উপহাৰ দিছিল। এই কলমটোকে লৈ আমাৰ মাজত হুলস্থুলৰ সৃষ্টি হৈছিল। মই কলমটো লওঁ কাৰণ কলমটোত চিয়াহী মইহে ভৰাওঁ। ভাইটিয়ে কয়, ৰাজুদায়ে দিয়াৰ কাৰণেহে মোক কলমটো লাগে। ভন্টিয়ে আকৌ কয়, এইটো ৰাজুদায়ে মোকহে উপহাৰ দিছে, গতিকে এইটো তহঁতে কেনেকৈ পাবি ? এইটো মোৰ। এইবোৰেই আমাৰ কাজিয়া। এদিন কাজিয়া শুনি মায়ে কৈছিল "ৰবি এইবাৰ ৰাজু আহিলে সুধিম সিনো এইটো কি মায়া লগা বস্তু দিলে, তাকে লৈ সিহঁতৰ কাজিয়া।" তাক আকৌ এনেকুৱা দুটা কলম ভাইটিক দিবলৈ কব—যাতে ৰাজুৱে দিয়া কলম দুটাৰে লিখি এইবাৰ পৰীক্ষাৰ দুয়োটা বিষয়তে পাছ কৰিব পাৰে।" মাৰ এইষাৰ কথায়ে ভাইটিৰ মনত কেনে প্ৰতিক্ৰিয়া কৰিলে মই নাজানো। কাৰণ ভাইটিয়ে যোৱা বছৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা দি দুটা বিষয়ত বেয়া কৰিছিল। এইবাৰ সি এই দুটা পৰীক্ষা দিব। এইদৰেই আমাৰ দিনবোৰ পাৰ হৈছিল। সি মোক বহুত কথা কৈছিল ঃ দেশৰ কথা, মানুহৰ কথা, আন্দোলনৰ কথা। এইবিলাক কথা তাৰ মুখেৰে শুনিলে মোৰ খুব ভাল লাগে। সি মোৰ ওচৰত ভবিষ্যতৰ সোণালী সপোন ৰচিছিল। এনেকৈ দিনবোৰ দ্ৰুত গতিৰেই যাবলৈ ধৰিলে।

দেশত জুই লাগিল। এই জুইৰ শিখা আমাৰ অঞ্চলতো পৰিল। ঠায়ে ঠায়ে হত্যা, লুণ্ঠন, ধৰ্ষণ তীব্ৰ গতিত চলিব ধৰিলে। উগ্ৰপন্থী ধৰাৰ নামত জধে-মধে লৰাক ধৰি মাৰপিট, পিছত গৈ মৃত্যু। চাৰিওফালে হুলস্থূল, কোনোৱে স্বামীক, কোনোৱে একমাত্ৰ পুত্ৰক, কোনোৱে নিজৰ আপোনজনক হেৰুৱাই হিয়া ভুকুৱাই কান্দিলে। কোনোৱে মাৰৰ ভয়ত সেনাবাহিনীক উগ্ৰপন্থী লৰাবিলাকৰ নাম তালিকাৰ যোগান ধৰিলে। এদিন ৰাজুদায়ে আহি মোক ক'লে যে সেই তালিকাত তাইৰ নামো পৰিছে। মোৰ খুব চিন্তা লাগিল। খুব বেছি চিন্তাৰ ফলতেই নেকি মই ৰাতি সপোনত দেখিলো—সপোনতে এগৰাকী বুঢ়ীয়ে মোক এটা উপদেশ দিলে ঃ যদি মই ৰাজুদাক জীয়াই ৰাখিব খোজো.... । মই কথাটো ৰাজুদাক ক'লো, কিন্তু সি মোৰ কথাটো পাতলাই দিলে। কিয় জানো মোৰ দেখোন অলপো শান্তি লগা নাই ঃ মই মন্দিৰলৈ গৈ তাৰ নামত এগছি চাকি জ্বলালো, এটা বেলপাতত তাৰ কাৰণে ৰঙা চন্দনৰ ফোট আনি তাৰ কপালত সেই ফোটটো দি বেলপাতটো তাৰ হাতত গুজি দিলো। সি একো নামাতিলে, মাথো মোৰ মুখলৈ একেথৰে চাই আছে। অ' তাৰ দেখোন চকু কেইটাত পানী বিৰিঙিছে, মই নীৰৱে আঁতৰি আহিলো। মই আশা কৰিছিলো, সি দীৰ্ঘজীৱি হওক। সি সুখী হোৱাটোহে মই সদায় বিচাৰিছিলো।

সেইয়া হয়, তাৰ কপালত মই সেইদিনা পিন্ধাই দিয়া ৰঙা চন্দনৰ ফোটটো এতিয়াও জিলিকি আছে। সেইটো আন কোনেও দেখা নাপায় কিজানি, কিন্তু মই সেইটো বহু দূৰৰ পৰাই দেখা পাওঁ। সেই ফোটটোৰ সৈতে তাক সঁচাকৈ খুব ধুনীয়া লাগে। মই দূৰৰ পৰাই তাক হেপাহ পলুৱাই চাই লওঁ। তেতিয়া মোৰ খুব চিঞৰি কান্দিবলৈ মন যায়। কাৰণ সিটো এতিয়া মোৰ হৈ থকা নাই, সি মোৰ পৰা সম্পূৰ্ণ আঁতৰত।

ৰাজুদাই মই নিতুলৰ লগ লোৱাৰ কাৰণে বেয়া পাইছে। সি মোক কৈছে—"নিতুল এটা পাগল, অকল মই বুলিয়েই নহয় গোটেই সমাজখনেই জানে নিতুল পাগল বুলি।". কিন্তু মই এই কথাষাৰ মানিবলৈ টান পালো। মই কোনোপধেই নিতুলৰ সঙ্গ এৰিব নোৱাৰো। নিতুলক মই ভালকৈয়ে জানো। মানিছো, সি এটা পাগল

আছিল, আৰু এতিয়াটো সি পাগল নহয়, এতিয়া সি এজন সুস্থ সবল যুৱক। কিন্তু অহঙ্কাৰী উশৃংখল সমাজখনে তাক এতিয়াও পাগল বুলিয়েই স্বীকৃতি দিছে। মই তাক খুব ভালদৰেই বুজি পালো, মই তাক এজন প্ৰকৃত বন্ধু হিচাপে ভাল পাই পেলালো। ৰাজুদাই মোক খুব বেছিকৈ ভুল বুজিলে। কিয় বাৰু ?? কিয় ৰাজুদাতো এজন শিক্ষিত ল'ৰা। যিজন শিক্ষিত ডেকাই আজিও এনেকুৱা অহঙ্কাৰী-উশৃঙ্খল সমাজত বহি আছে, দেখিও নেদেখাৰ ভাও ধৰি আছে, সেইজনেই আকৌ কি দেশ সেৱা কৰিব ? ৰাজুদাৰ সমাজখনে নিতুলক কিয় সহজে গ্ৰহণ কৰিব পৰা নাই ? মোৰ মনটো খুব বিদ্ৰোহী হৈ উঠে। তেতিয়া মোৰ খুব হাঁহি উঠে। দেশপ্ৰেম, দেশসেৱা, "আমি এখন নিকা সমাজ গঢ়ো" "সোণৰ অসম গঢ়ো" কাৰ কিমান চিঞৰ শুনিম ! 'যিখন সমাজে মানুহ চিনি নাপায়, মানুহক বুলি গণ্য কৰিব নাজানে, সেইখন সমাজে আকৌ নিকা সমাজ গঢ়ে, সোণৰ অসম গঢ়ে।' মোৰ আকৌ হাঁহি উঠে—মোৰ এই হাঁহিটো দেখি ৰাজুদা আৰু তাৰ লগৰ ইতিকিংসূচক হাঁহি মৰা কেইটাই ভাবে চাগে, স'চাকৈ জ্বলী-জনী নিতুল পাগলৰ লগত থাকি পাগলী হ'ল। এইবোৰ ভাবিলেই মোৰ অন্তৰখনত একুৰা দগ্‌মগীয়া জুই জ্বলি উঠে। সেই কুৰা জুইয়ে মানুহ পুৰি ছাই নকৰে। মাত্ৰ ই তুঁহ জুইৰ দৰে উমি-উমি জ্বলে আৰু এনেদৰে জ্বলিয়েই ই মানুহক শেষ কৰে।

এদিন মই হঠাৎ ৰাজুদাক লগ পালো। মই তাৰ কায চাপিলোগৈ আৰু সুধিলো— ঐ ৰাজুদা, তই মোক কিয় আগৰ দৰে নামাত ? তই মোক দেখিলে কিয় আঁতৰি যাৱ ? সি গহীন হৈ ক'লে—'তই যিদিনা নিকা হৈ আহি মোক কবি যে ৰাজুদা, মই তোৰ সেই আগৰ জ্বলি ভনীজনী, তেতিয়াহে মই তোক আপোন কৰি লম।' মই অবাক হৈ গলো। তাৰ মানে মই নিতুলৰ সঙ্গ এৰি সেই নিকা সমাজত সোমাব লাগিব। কিন্তু···· !!! নাই মই নোৱাৰো, মই নিতুলক ত্যাগ কোনোপধ্যেই কৰিব নোৱাৰো। এপাহি পাহ-মেলি ঠন ধৰি উঠা গোলাপৰ জীৱনটো মই ধ্বংস কৰিব নোৱাৰো। মই নিতুলক ভাল পাওঁ, ভাল পাওঁ এজন বন্ধু হিচাবেহে। ৰাজুদাৰ ওচৰলৈ মই আৰু কোনো নতুন ৰূপ লৈ আহিব নোৱাৰো। ৰাজুদায়ে সিফাললৈ মুখ ঘূৰালে। মই নীৰবে গুচি আহিলো। এবাৰ ঘূৰি চাই দেখিলো ৰাজুদায়ে চকুপানী মছিছে। আৰু মই···· ···· ??? অলপ দূৰত ৰৈ থকা নিতুলৰ স্কুটাৰখনত উঠিলো আৰু নিতুলক ক'লো "ব'ল নি ল মোক ঘৰত থৈ আহগৈ।" বাটত যাওঁতে ভাবিলো মই আৰু নিতুলে এনেকুৱা এখন সমাজ গঢ়িম যিখন সমাজত মানুহৰ মাজত মৰম, দয়া, পবিত্ৰতা আদিৰে পৰিপূৰ্ণ হৈ থাকিব। তেতিয়া ৰঙা বেলিটো প্ৰায় নোহোৱা হৈছে, চৰাই-চিৰিকটিয়ে নিজৰ বাহঁলৈ ঘূৰি আহিছে। মই নিতুলৰ মুখ-খনলৈ চালো। গছৰ ফেৰেঙনিৰ মাজেৰে অহা সূৰ্য্যৰ ৰঙা ৰশ্মিয়ে তাৰ মুখখন অতি উজ্জ্বল কৰি তুলিছে। ০০০



# প্ৰ তি দা ন

জুৰিমণি গোস্বামী
উঃ মাঃ ১ম বৰ্ষ

সন্ধ্যা লাইটৰ পোহৰত বীণাৰ চকু কেইটা তিৰ্‌বিৰাই উঠিছে। কুটুলা-কুটুলি চুলিৰে তাই অসহায় হাতখন মানুহৰ ফালে আগবঢ়াই ভিক্ষা বিচাৰিছে। খোনোৱে তাইক দেখি নাক কোচাইছে। খোনোৱে তাই ভিক্ষা বিচৰা, দেখিও নেদেখাৰ ভাও ধৰি মুখ ঘূৰাই গুচি গৈছে। কোনোৱে ধমক দি 'এই লেতেৰী এইফালে নাহিবি' বুলি সাৱধান বাণী শুনাইছে। কিন্তু বীণাই এইবোৰলৈ যেন ভ্ৰূক্ষেপ কৰা নই। দেখাত এনে লাগিছিল যেন তাই এনে ধৰণৰ বকনি শুনাত অভ্যস্ত। বীণাই মাজে মাজে ক্লান্ত হৈ ৰাস্তাতেই বহি ভাগৰ মাৰে। তাইৰ যে এই পৃথিৱীত জিৰাবলৈ ঠাই অকণো নাই ! মানুহে তাইক জীৱ থকা প্ৰাণী বুলিও গণ্য নকৰে।

হঠাৎ অলপ দূৰত গাড়ীৰ ভিতৰত বীণাৰ চিনাকি কোনোৱা থকা যেন চকা-মকাকৈ দেখা পালে। অলপ সময় ভালদৰে নিৰীক্ষণ কৰি দেখিলে যে তাইৰ লগৰে বন্ধু কবিতা। কবিতাক দেখি বীণাৰ আগৰ স্কুলৰ কথাবোৰলৈ মনৰ পৰিল। তেতিয়া বীণা আছিল পঞ্চম মান শ্ৰেণীৰ ছাত্ৰী। পঢ়া-শুনাত বেচ চোকা। প্ৰাইমেৰী স্কুলত বৃত্তি পাইছিল। কবিতা আছিল তাইৰ বন্ধু। কবিতাই বীণাৰ পৰা পঢ়াত বহুত সহায় পাইছিল। কবিতা ধনী পৰিয়ালৰ ছোৱালী হ'লেও পঢ়াত সিমান ভাল নাছিল। আনহাতে বীণা আছিল দুখীয়া পৰিয়ালৰ ঘাট-মাউৰা ছোৱালী। খুৰাকৰ মৰমৰ মাজতেই তাই ডাঙৰ হৈ-

ছিল। খুৰাকে অ'ত-ত'ত হাজিৰা কৰি বীণাক পঢ়াইছিল। কিন্তু এদিন হঠাৎ খুৰাক নৰিয়াত পৰিল। বীণাই তাইৰ বৃত্তিৰ পইচা কেইটাৰেই খুৰাকক বচাবলৈ অশেষ চেষ্টা কৰিলে। কিন্তু অৱশেষত খুৰাকে বীণাক সেই জুপুৰিটোতেই অকলশৰে এৰি কোনোবা অজানপুৰী পালেগৈ। তাই অসহায় হৈ পৰিল। তাই ভাবিলে অ'ত-ত'ত কাম কৰি-য়েই জীয়াই থাকিব। কিন্তু কোনেও এজনী উঠি অহা ছোৱালীক বিশ্বাস কৰিব নিবিচাৰে। তাতে তাই অকলশৰীয়া। তাই ভাল কাম এটা কৰিবলৈ গ'লেও বেয়াহে হয়। অৱশেষত তাই উপায়ন্তৰ হৈ ভিক্ষা বৃত্তিকেই গ্ৰহণ কৰিলে আৰু নানা লাঞ্চনা-গঞ্জনা খাই আজিও জীয়াই আছে।

বীণাই কবিতাক দেখি আকাশ-কুসুম ৰচিবলৈ ধৰিলে। তাই ভাবিলে কবিতাই কিজানি তাইক দেখি খুব ভাল পাব। তাইৰ এনে অৱস্থা দেখি তাইক কিছু টকা দি সহায় কৰিব বা তাইক কবিতাহঁতৰ ঘৰলৈকে লৈ যাব। এইদৰে নানা ধৰণে চিন্তা কৰি তাই গাড়ীখনৰ ওচৰলৈ গৈ কবিতাক মাতিবলৈ ধৰিলে—'কবিতা! কবিতা।' কিন্তু কবিতাই তাইক দয়া কৰাটো দূৰৰ কথাই, এবাৰ কেৰা-হিকৈ চাই ড্ৰাইভাৰক গাড়ী চলাবলৈ ইংগিত দি গিৰিয়েকৰ ফালে চাই কবলৈ ধৰিলে—'বুজিছা এই আপদীয়াবোৰেনো কেনেকৈ নামটো জানিলে? কেনেকৈ পাগলৰ দৰে চিঞৰিছে।" গাড়ীখন চলি গ'ল। তাই বজ্ৰপাত পৰাৰ দৰে গাড়ীখন যোৱাৰ ফালে চাই ৰৈ থাকিল। মাজ ৰাস্তাত পিছফালৰ পৰা আন এখন গাড়ী আহি বীণাক খুন্দা মাৰি দিলে, তাই বিকট চিঞৰ মাৰি মাটিত পৰি গ'ল।

০ ০ ০



# হৃদয়ত লো

বিভা গোহাঁই
উঃ মাঃ ২য় বাৰ্ষিক

তেতিয়া নিশা প্ৰায় ৭-৩০ মান বাজিছে। ৰাস্তাত গাড়ী-মটৰৰ কোলাহল। ৰাস্তাৰ কাষতে ঘৰটো হোৱা বাবে পঢ়াত প্ৰায়েই অসুবিধা হয়। ইফালে অতিপাত গৰম পৰিছে। সেইবাবে মই খিড়িকীখন বন্ধ নকৰাকৈয়ে সেইদিনা পঢ়াৰ টেবুলত বহিলো। পৰীক্ষাও পালেহিয়ে। সেইবাবে খুব কষ্ট কৰি হ'লেও মনোযোগেৰে পঢ়িব লগা হৈছে।

ৰাজনীতি বিজ্ঞানৰ কিতাপখন উলি-য়াই 'গণতান্ত্ৰিক দেশত চৰকাৰ আৰু জনগণৰ কৰ্ত্তব্য, নাগৰিকৰ মৌলিক অধিকাৰ'—পাঠটো উলিয়াই লৈ পঢ়িবলৈ আৰম্ভ কৰিছো। ঠিক সেই সময়তে মানুহৰ চিঞৰ-বাখৰ শুনিবলৈ পালো। মোৰ খঙে চুলিৰ আগ পালেহি, পঢ়াৰ পৰিবেশটো যেন নষ্ট হৈ গ'ল। প্ৰত্যেক দিনাই কিবা নহয় কিবা এটা ঘটনা ঘটিবই আৰু সেইবোৰে মোৰ মূৰত সদায় হাতুৰীৰ দৰে কোবাই থৈ যাব। পঢ়াৰ সময়ত খেলি-মেলি লগাই দিব। আজি বা আকৌ কি হ'ল? এইদৰে কিবা কিবি ভাবি মই ৰাস্তা-লৈ ওলাই গলো। দেখিলো গোটেই ৰাস্তাটো মানুহেৰে ভৰি পৰিছে। হৈ-চৈ, চিঞৰ-বাখৰত কাৰো মাত কোনেও শুনা নাই। ওচৰ চাপি গৈ দেখিলো ৰাস্তাটোত সোমাজত মানুহ এটা তেজেৰে লুতুৰি পুতুৰি হৈ পৰি আছে। ওচৰত স্কুটাৰখন। মানুহজনৰ মূৰত গুলীৰ আঘাত। কোনোবা দুস্কৃতিকাৰীয়ে হত্যা কৰি আন্ধাৰত সুযোগ লৈ পলাই গৈছে। চাৰিওফালে পুলিচে গিজ গিজ কৰিছে। সদায়েই এনে হয়, চৰকাৰে বিবৃতি দিয়ে— হত্যাকাৰীক ধৰিবৰ বাবে জোৰ তদন্ত আৰম্ভ হৈছে। কিন্তু হত্যাকাৰীক ধৰা হয় জানো? মোৰ মনত একেটা কথাই বাৰে বাৰে আমনি কৰিছে—কি কাৰণে মানুহজনক এইদৰে হত্যা কৰা হ'ল? এনেকৈ একে সময়তে স্বয়ম্ভু বিচা-ৰক আৰু ঘাতক হোৱাৰ অধিকাৰ কাৰোবাৰ আছেনে? যিজনক হত্যা কৰা হ'ল আৰু যি-জনে হত্যা কৰিলে তেওঁলোক প্ৰত্যেকেই কাৰো-বাৰ ভ্ৰাতা, কাৰোবাৰ পুত্ৰ, পৰিয়াল-পৰিজনৰ দিয়াৰ আমঠু নহয়নে? কি হৈছে সমাজখনৰ? অমৃতৰ পুত্ৰৰ হৃদয়ত লোৰ প্ৰৱেশ ঘটিল কিয় আৰু কেনেকৈ? ০০০

*চিন্তা : সম্ভাৱনা :*

# পৃথিৱীৰ ধ্বংস উপস্থিত নেকি ?

পৃথিৱীৰ ধ্বংস ? শুনিবলৈ আচৰিত যেন লাগিলেও বৰ্তমান শতিকাত এটা চিন্তা আহি আমাৰ সন্মুখত দেখা দিছেহি আৰু আমি নিজকে নিজে প্ৰশ্ন কৰিব লগা হৈছে যে পৃথিৱীৰ ধ্বংস বাৰু সঁচাকৈয়ে উপস্থিত হৈছেহি নেকি ? বৰ্তমান বিশ্বৰ চুকে কোণে সৃষ্টি হোৱা অশান্তিৰ বীজসমূহে জানো তাৰেই সূচনা কৰা নাই ? আজিৰ পৃথিৱীৰ এই অস্থিৰ, অশান্ত পৰিস্থিতিত এইটো সঁচাকৈয়ে এক চিন্তনীয় বিষয় হিচাপে পৰিগণিত হৈছে ।

আমাৰ আজোককাসকলৰ দিনৰ পৰাই এটা অন্ধ বিশ্বাস আছিল যে কলিকালত পাপৰ উদ্ভৱ হয়, কল্কিত তাৰ বিনাশ হয় আৰু সত্যযুগত নৱ-সৃষ্টিয়ে সত্য আৰু শান্তি পুনৰ প্ৰতিষ্ঠা কৰে । কল্কিত সকলো কালে ধ্বংসৰ তাণ্ডৱ-লীলা চলে আৰু সকলোৰে বিনাশ হয় । এইবোৰ পুৰণি দিনৰ অন্ধ বিশ্বাস মাথোন । কিন্তু আজি জানো সেই অশিক্ষিত লোকসকলৰ অন্ধ-বিশ্বাসেই ৰূপ পোৱাৰ পথত আগবঢ়া নাই ?

বৰ্তমান সময়ত পৃথিৱীৰ বিভিন্ন ফালে চলি থকা গৃহযুদ্ধ, বহিঃযুদ্ধ, প্ৰাকৃতিক দুৰ্যোগ আদিয়ে সমগ্ৰ বিশ্বকেই জুৰুলা কৰি পেলাইছে । অলপ দিনৰ আগতে কুৱেইটক লৈ ইৰাক আৰু আমেৰিকাৰ মাজত হ'ব ধৰা যুদ্ধই তৃতীয় মহাযুদ্ধৰেই সূচনা কৰিছিল । সেই যুদ্ধৰ সুদূৰপ্ৰসাৰী প্ৰভাৱৰ পৰা কোনোৱেই হাত সাৰিব পৰা নাই । কুৱেইটৰ তেল-খাদ-সমূহত লগোৱা জুইৰ ধোঁৱাই বায়ুমণ্ডলক আগুৰি ধৰি সমগ্ৰ পৃথিৱীৰ পৰিবেশ দূষিত কৰি পেলালে । গৱেষকসকলৰ মতে পৃথিৱীৰ বায়ুমণ্ডলৰ ওপৰত পৰা এই দূষিত প্ৰভাৱৰ পৰা মুক্ত হ'বলৈ পৃথিৱীক বহু সময়ৰ প্ৰয়োজন হ'ব । তাৰ দূষিত প্ৰভাৱৰ ফলত বৰ্তমান হিমালয়ৰ বুকুত দেখা দিছে ক'লা বৰফে, সৃষ্টি হৈছে লাখ লাখ বিকাৰগ্ৰস্ত মানুহৰ । এইবোৰৰ উপৰিও ছোভিয়েট, ভাৰত আদিৰ দৰে দেশসমূহত হৈ থকা গৃহ যুদ্ধৰ ফল-স্বৰূপে প্ৰতিদিনে মৃত্যু হৈছে লাখ লাখ মানুহৰ । সকলোতে মাথো মানুহে বিচাৰিছে মানুহৰেই তেজ । যেন বিশ্বৰ শেষজন মানৱৰ তপ্ত শোণিত নোপোৱালৈকে এই হিংসা, এই হত্যাকাণ্ড বন্ধ নহ'ব ।

এইবোৰৰ উপৰিও আছে অক্ষম, জুৰুলা পৃথিৱীয়ে মানুহৰ ওপৰত লোৱা ভীষণ প্ৰতিশোধ । সৌ সিদিনা ভাৰতৰ উত্তৰ কাশী আদি অঞ্চলত হোৱা ভূমিকম্প আৰু ফিলিপাইনছত হোৱা সামুদ্ৰিক ধুমুহাৰ তাণ্ডৱ-লীলা । তাৰ উপৰি প্ৰায়ভাগ অঞ্চলতে আছে বানপানীৰ ভয়াবহতা, ভূমিস্খলন ইত্যাদি । যাৰ ফলতো মৃত্যু হৈছে লাখ লাখ মানুহৰ ।

পৃথিৱীৰ ধ্বংস ৰোধ কৰিব পৰাৰ কোনো উপায় জানো নাই ? আছে । যদি সকলো ওলাই আহি একগোট হৈ বৃহৎ জনশক্তি প্ৰয়োগ কৰে তেন্তে সহজেই এই ধ্বংস ৰোধ কৰিব পাৰে । সম্প্ৰতি, ৰাষ্ট্ৰ সংঘও আমে-ৰিকাৰ দৰে শক্তিশালী ৰাষ্ট্ৰৰ হাতৰ পুতলা হৈ পৰিছে । কিন্তু যদি এই বিশ্ব সংস্থাটিয়ে বৃহৎ শক্তিসমূহৰ স্বাৰ্থৰ হকে কাম নকৰি বিশ্বৰ স্বাৰ্থপৰ জাতি-সমূহৰ শক্তিক প্ৰতিহত কৰিবলৈ চেষ্টা কৰে, তেনেহলে যুদ্ধৰ সম্ভাৱনা বিনষ্ট কৰি স্থায়ী শান্তি প্ৰতিষ্ঠা কৰিব পাৰিব বুলি আশা কৰিব পাৰি । কিন্তু আজিৰ পৃথিৱীৰ মানুহ সৃষ্টিকামী নহয়, ধ্বংসকামীহে ! গতিকে আমি নিজৰ ধ্বংস নীৰৱে চাই থকাৰ বাহিৰে একো উপায় নাই । আজি যন্ত্ৰ সভ্যতাৰ যুগত বিবেক, বুদ্ধিহীন মানুহে ভাবিবই পৰা নাই যে ধ্বংসৰ তাণ্ডৱ-লীলাৰ হাতৰ পৰা কোনোৱেই সাৰিব নোৱাৰিব ।

সঁচাকৈয়ে সত্যযুগ আহিবনে ? ধ্বংসৰ পিছত আকৌ বিকশিত হ'ব নে নৱসৃষ্টিৰ ? পুনৰ হ'ব নে সত্য, শান্তিৰ প্ৰতিষ্ঠা ? হয়তো কালেহে দিব পাৰিব ইয়াৰ উত্তৰ । কিন্তু দিব কাক ??? ০০০

*অক্ৰুমণি বৰা*
স্নাতক ১ম বৰ্ষ

## ॥ কবিতা ঃ বছা বছা পংক্তি ॥

"দেশ বুলি  কলে আদেশ নেলাগে
মোৰ তুম্‌কলি তেজত টগবগাই উঠে
এহেজাৰ এটা বন্দুৰা ঘোঁৰা ।"

"মৃত্যুওতো এটা শিল্প
জীৱনৰ কঠিন শিলত কটা নির্লোভ ভাস্কর্য ।"

*—হীৰেণ ভট্টাচার্য্য ॥*

আজিয়েই দিয়া কালিলৈ কিয়
কোনে জানে মোৰ কালি কি হ'ব ?
হাজাৰ হাজাৰ বছৰ বিয়পা
হয়তো অতীতে সামৰি থ'ব ।

*— যতীন্দ্ৰ নাথ দুৱৰা ॥*

পদুম  ফুলৰ পাপৰি নহয়
পাপৰি প্ৰাণৰ মোৰ
সুখৰ নহয়  দুখৰ নহয়
প্ৰেমভৰা চকুলোৰ ॥

*— গণেশ গগৈ ॥*

## উপপথ

*মালামনি বৰা*
উঃ মাঃ ২য় বৰ্ষ

বহুতো  বতাহ বৰষুণৰ  পাছত
এটাই বালিকণা জিলিকি থকা চিকুণ কেঁচা ৰাস্তা
সময়ৰ খতিয়ান দিবলৈ
উজাগৰী ৰাতিটোৰ প্ৰহৰী থকা হ'লে
পদাচাৰী মানুহৰ কথাবোৰ,
বিচিত্ৰ সংঘাতৰ তথ্যবোৰ
নিঃসংকোচেৰে কবলৈ
ৰাতিটোৰ প্ৰহৰী উজাগৰী হোৱা হ'লে ?
কাষৰতে আনটো  পকী ৰাস্তা
বিদ্ৰোহে চুই যাব নোৱাৰা
ধুমুহা-বৰষুণে টলাব  নোৱাৰা
শিলাময় সময়ত সংঘাতৰ (পৰাকাষ্ঠা)
যোৱাৰাতিৰ বিপৰ্যয়ৰ চিন
এচিকুটো থাকি  যোৱা হ'লে
ক'লা শিলৰ  কদৰ্য্যতা বুজিবৰ
তিলমানো ধৈৰ্য্য থকা হ'লে
ৰাস্তাই আস্থাৰ  সন্ধান দিয়া হ'লে
শক্তিৰ ভক্ত  মানুহে
দুৰ্য্যোগৰ চমু বাট চিনেনে ?
বিচিত্ৰ সংঘাতৰ তথ্য দিবলৈ
ৰাতিটোৰ প্ৰহৰী থকা হ'লে ?

০ ০ ০

# প্ৰতিশ্ৰুতি

**কমী বৰুৱা**
স্নাতক ৩য় বাৰ্ষিক

এদিনাখন,
গহীন নীৰৱ নিস্তব্ধতাৰ মাজত
অকলশৰে বহি থাকোতে
কাণে কাণে কৈ গ'ল
অতীতক নাযাবা পাহৰি—
হঠাতে ;
সিদিনা মনত পৰিল তোমালৈ
তুমি বাৰু আজিও জীয়াই আছানে ?
তোমাৰ সুকোমল পবিত্ৰ অন্তৰখন
মোৰ হৃদয়ৰ থাপনাত
চিৰলগৰী কৰা
প্ৰতিশ্ৰুতিৰে—
তোমাৰ
হিয়া ফুলৰ পাপৰিবোৰ
মাটিত পৰিবলৈ দিব নোৱাৰো
সযত্নৰে ৰাখিম জীয়াই
মোৰ হৃদয়ৰ থাপনাত।
তুমিয়ে জানো, ক্ৰন্দন কৰা নাছিলা
আইৰ অস্তিত্ব ৰক্ষাৰ্থে,
তুমিয়েতো প্ৰাণ আহুতি দিবলৈ
ওলাই গৈছিলা।
আৰু,
বীৰ প্ৰসৱিনী জননী
অস্তিত্ব ৰক্ষাৰ্থে
বিপ্লৱ কৰিবলৈ
তুমিয়েই সকলোকে জাগ্ৰত কৰিছিলা।
সেয়েহে ;
তোমাক দিছিলো মই
চিৰদিন সোঁৱৰাৰ প্ৰতিশ্ৰুতি।০০০

# জুঁই ফুলাৰ বতৰ

**ভুলমণি ভূঞা**
স্নাতক ৩য় বাৰ্ষিক

আজি কালি চকু মুদিলেই
দেখা পাওঁ—
তেজে ধোৱা চিনাকি মুখবোৰ।
সোণালী স্বপ্নৰ লগনত
সিহঁতে মুঠি বান্ধিছিল
দুহাতত হাত থৈ—
বুকুত জুই লৈ—
বেকোচাত বান্ধি লোৱা
অগ্নি বৰষা মন্ত্ৰই আগুৱাই নিছিল
মুঠি মুঠি জুই হাত !
জুই লৈ ৰচা ফুল, তৰা, হাঁহি, পানৰ সপোন
জুইত পৰি নিঃশেষ হয়,
একাকাৰ হৈ যায় .
একুৰিও নগৰকা এহেজাৰ যৌৱন
ফুল আৰু তেজেৰে।
০০০

# এয়া যেন এক বধ্যভূমি

**ৰঞ্জু ৰৰা**
উঃ মাঃ ১ম বৰ্ষ

তেজৰ হেতালি খেলা দেখি
ভাৱ হয়....
তেজবোৰ আজি এবিধ
মূল্যহীন খেলাৰ সামগ্ৰী
তেজবোৰ বহুৰঙী ফাকুত পৰিণত হয়
মনত জাগে জীৱনৰ সংশয়।
চতুৰ্দিশে কেৱল আৰ্তনাদ
হত্যা, লুণ্ঠন, ধৰ্ষণ
বাক্ স্বাধীনতা খৰ্বা
অসহায় ক্ৰন্দনেৰে
শীতল বতাহ স্থবিৰ
নিৰাপত্তাহীনতা
এয়া যেন এক বধ্যভূমি....। ০০০

## বন্ধুত্বৰ উপহাৰ ঃ

বিভা ভৰালী
স্নাতক ৩য় বাৰ্ষিক

বন্ধুত্বৰ আজি শুভ লগনত
দিবলৈ নাই যোগ্য উপহাৰ,
চেনেহৰ চুমা
মৰমৰ মালা
উজাৰি দিছো সমগ্ৰ হিয়াৰ।

পলাশ বনত
বিচাৰি মদাৰ
কলিজাৰ তেজ সানি,
গাঁথিছোঁ মালাধাৰি তোমাৰ
নাই তাত কোমল পাহি, গোলাপ, গান্ধাৰ
সেয়ে হ'ব জানো মোৰ তোমালৈ যোগ্য উপহাৰ?

হিয়াৰ মৰম চকুলোৰ ধাৰ
চেনেহৰ লবা মোৰ উপহাৰ
বন্ধুত্ব মিলনৰ।

অচিনাই মাতিলে কাষ চাপি
মৰমেৰে নতুনক জনাবা আদৰ॥

০০০

## একে আইৰে সন্তান

পাৰবীন চুলতানা
স্নাতক ১ম বাৰ্ষিক

হিন্দু মুছলিম আমি একে আইৰে সন্তান।
কিয় আমাৰ হিংসা অভিমান?

এজনে পঢ়ে নামাজ
আনজনে কৰে পূজা,
দুয়োৰে মূলত একে
আমাৰ হাই-কাজিয়া মিছা।

আয়ুস কমি যাব
সকলো বিলীন হব,
ক্ৰমান্বয়ে দুয়ো সিপুৰীৰ
ঘণ্টা ধ্বনি শুনা পাব।

এজন যাব শ্মশান ঘাট
অন্যজন গোৰস্থান,
শেহান্তৰত দেখা পাম
দুয়োৰে একে স্থান।

সপোনৰ দৰে ক্ষন্তেকীয়া এই
পৃথিৱীৰ মায়া মোহ,
থকা উচিত নহয় আমাৰ
কাৰো প্ৰতি কাৰো ৰোষ।

ধনী-দুখীয়া, উচ্চ-নীচ
নাই কাৰো ভেদাভেদ.
লক্ষ্য কৰিলেই দেখা পাম আমি
পৃথিৱীতেই তাৰ সম্ভেদ।

হে গড, হে ঈশ্বৰ, হে খোদাবান
তুমি অন্তৰ্য্যামী সংসাৰ চক্ৰৰ এজন,
তোমাৰ নামেই হ'ল ভগৱান,
তুমিয়েই সৃষ্টিকৰ্তা এই বিশ্বৰ
তুমিয়েই গড, খোদাবান।

নোৱাৰি চিনিব তোমাক নানা নামত
কৰিছো আমি হিংসা অভিমান।
বুজিবলৈ ক্ষমতা দিয়া আমাক প্ৰভু
আমি যে একে আইৰে সন্তান।
কিয় বাৰু আমাৰ এই হিংসা অভিমান? ০০০

# অনুভূতি

সঙ্গীতা ৰাজখোৱা
স্নাতক ২য় বৰ্ষ (দিবা)

মই শ্বাসৰুদ্ধ হওঁ, তেতিয়া
যেতিয়া কোনোবা দেশপ্ৰেমিকৰ
গগণচুম্বী অট্টালিকাৰ সজ্জিত কোঠাত
দেশৰ শ শ নিষ্পেষিত দৰিদ্ৰৰ
কেঁচা মঙহৰ গোন্ধ পাওঁ।

মই শ্বাসৰুদ্ধ হওঁ, তেতিয়া
যেতিয়া সৰ্বহাৰা জনগণৰ কোলাহলবোৰ
কোনোবা দেশপ্ৰেমিকৰ অট্টালিকাৰ
বাহিৰৰ দেৱালত ঠেকা খাই
পুনৰ নিস্তব্ধতাত বিলীন হৈ যায়
যেতিয়া কোনোবা দেশপ্ৰেমিকে (?)
বিদেশী সুৰাৰ ৰাগীত মতলীয়া হৈ
নিজৰ অস্তিত্ব পাহৰি যায় ?

ঠিক তেতিয়াই—
মই শ্বাসৰুদ্ধ হৈ পৰো
কাৰণ তেতিয়া সেই সৰ্বহাৰা দৰিদ্ৰই
পেটৰ জ্বালাত
সেমেকা শীতকো আওঁকাণ কৰি
পথৰ দাঁতিত
সুখ নিদ্ৰাত ডুব যায়। ০০০

# মানুহ চিনাৰ আশাৰে

মালবিকা বৰুৱা
স্নাতক ১ম বাৰ্ষিক

ওঠৰতা বসন্ত অতিক্ৰম কৰিবলৈ আগবঢ়া
তাই এজনী পূৰ্ণযৌৱনা গাভৰু;
নিৰ্জন পথেৰে খুপি খুপি তাই আগবাঢ়ে
একেটি মাথোন লক্ষ্য লৈ—
মানুহ নামৰ জীৱটোক চিনাৰ
বিগত বছৰবোৰত তাই বহুতক লগ পালে
কিন্তু কাকো চিনি পাবলৈ তাই সক্ষম নহ'ল
তথাপিও তাই আগবাঢ়ি যায় চিৰপৰিচিত সেই
নিৰ্জন পথটোৰে, মনত অদম্য সাহস আৰু আশা লৈ
তাই নিশ্চিত—
তাই এদিন চিনিব পাৰিব মানুহক
আৰু এদিন সেই পথটোৰেই উভতি আহিব
সাফল্যৰ গৌৰৱোজ্জ্বল হাঁহি লৈ। ০ ০ ০

---

"এই পৃথিৱীলৈ আনিব লাগিব
মহত্বৰ মহাজয়
কৰিব লাগিব গোটেই জগত
অমৃত আনন্দময়।"
—জ্যোতিপ্ৰসাদ

# বিদ্ৰোহী সত্তা

**অঞ্জুমণি বৰা**
স্নাতক ১ম বৰ্ষ

মই বোলে বিদ্ৰোহী!
কিন্তু কোনে মোক কৰিলে বিদ্ৰোহী
তাক জানো সুধিছে কোনোবাই
কোন এই মহান স্ৰষ্টা
পাৰিবনে দিব দেখুৱাই ?

মোৰ এই অকণি দেশৰ
দুখীয়া সৰল হোজা কৃষকক
শোষণ কৰিলে কোনে ?
যাৰ মৰমী হাতৰ পৰশত
গজালি মেলিছিল সোণে।

সেই সোণ আজি
কাৰ হাতলৈ গ'ল
সোণ ওপজোৱা কৃষক আজি
কিয় সৰ্বস্বান্ত হ'ল ?

সেয়ে আজি এই
হোজা কৃষকৰ
অন্তৰত জ্বলিছে জুই,

সেই জুই জানো
এনেকৈয়ে সদায়
অন্তৰতে থাকিব শুই !

সেয়ে আজি মই
শোষিতৰ বাবে
পিন্ধিলোঁ বিদ্ৰোহী বেশ,

শোষিতৰ অধিকাৰ
ঘূৰাই আনিম
নিজক কৰি দিম শেষ।

যদি পূৰ্ণ হয়
সংকল্প মোৰ,
সাৰ্থক হয় এই বলিদান,
শোষকদলৰ ধ্বংস হ'ব
দেশে গাব জয়গান।

০ ০ ০

# হলৌ চোলা

**কবৰী ফুকন**
স্নাতক ৩য় বাৰ্ষিক

আজিও জীয়াই আছোঁ আমি
একেখনি আকাশৰ তলতেই
তথাপিও·······
আমি প্ৰত্যেকেই আঁতৰি গৈছো
পৰস্পৰে পৰস্পৰৰ পৰা
আৰু পিন্ধি লৈছো একোটা
হলৌ চোলা
নাম যাৰ 'গণতন্ত্ৰ'।
এই 'গণতন্ত্ৰ'
বিজুৰতীৰ ৰ'দে খোৱা
ৰঙা ব্লাউজ,
আজুককাৰ ৰং ধৰা
পিকদানি,
আৰু আইতাৰ,
উঁয়ে খোৱা কাঠৰ পেৰাটো।
আজুৰিছো এই হলৌ চোলা
যদিও আমি সোমাই পৰিছো
ক্ৰমে·······
চোলাটোৰ ভিতৰলৈ,
দো' খাই পৰিছো আমি
এই হলৌ চোলাৰ ভৰত
স্বাধীনতাৰ পঞ্চাশটা বছৰ
আৰু, 'গণতন্ত্ৰ' নামৰ চোলাটো
পৰিধান কৰিয়েই
আমি জীয়াই আছো আজিও
পঙ্গুত্বৰ বিভীষিকাৰে·····। ০০০

# মৰীচিকা !

জুনু বৰা
স্নাতক ৩য় বাৰ্ষিক (দিবা)

মৰুৰ মাজত মৰীচিকা,
উকুখা পজাঁ,
জন্মান্ধ মই।
সকলো জানিও আজি মই
নীৰৱ।
প্ৰকৃতিৰ আহ্বানত
নতুনত্ব একো নাই
আগতেও বৈছিল তেজৰ ডোঙা,
আজিও ব'য়।
কুবেৰৰ সন্তান
নাঙঠ কিয় ?
মানুহৰ হৃদয়
বিস্ফোৰিত হোৱাৰ সময়।
জোলোঙাত ধন নাই।
মগুহৰ গোন্ধ,
শগুনৰ জাক
নতুনত্ব একো নাই।
সমুদ্ৰৰ তলিত শামুক,
বছৰ বাগৰে।
মৎস্য কন্যাই মানিক বিচাৰে,
সিঁচৰিত হৈ থকা শামুকৰ খোলা;
সকলো যে মৰীচিকা।

০ ০ ০

# আহ্বান

দীপ্তি বৰা
স্নাতক ৩য় বাৰ্ষিক

( ১ )

ঈমান পুৱাতে তুমি কি বাতৰি আনিছা বন্ধু !
বিশ্বযুদ্ধৰ বতৰানে
ভুঁইকপ, বানপানীৰ বতৰা ?
বন্ধু !
দহৰ বাবে কেঁচা তেজ দিয়া
বিপ্লৱীৰ মৃত্যুৰ বতৰা আনিছা নেকি ?
বন্ধু, কোৱাচোন তুমি
উলুৰ লগত ৰসাল বগৰী পোৰাৰ বতৰা নে,
সাম্প্ৰদায়িক সংঘৰ্ষৰ বতৰা আনিছা ?
বন্ধু ! তুমি বাৰু আনিছা নেকি,
সীমান্তৰ গুলিয়া গুলিত প্ৰাণ দিয়া
মোৰ স্বামীৰ বতৰা ?
বন্ধু, কোৱাচোন তুমি
কাৰোবাৰ আইৰ কিম্বা ন-বৌৰ
শিৰৰ সেন্দুৰ মচাৰ বতৰা ?
আ-স, বন্ধু ই যে বৰ যন্ত্ৰণাদায়ক।
বন্ধু !
দেশৰ মাটি চপৰা চপৰে খোৱা
ৰজা ঘৰৰ কুমন্ত্ৰণাৰ বতৰা আনিছা নেকি ?
বন্ধু, কোৱাচোন তুমি
বৃদ্ধৰ বুকুত সৈনিকৰ অত্যাচাৰৰ বতৰানে
লাজকুৰীয়া কিশোৰী বলাৎকাৰৰ বতৰা আনিছা ?
ই যে বৰ ঘৃণনীয় বতৰা বন্ধু।
নাই বন্ধু ! এনে বতৰা শুনিবলৈ
মোৰ অলপো আহৰি নাই,
যদিহে তুমি কঢ়িয়াই আনিছা
মেঙেলা আৰু মাদাৰ টেৰেছা অহাৰ বতৰা
তেনেহলে বন্ধু, তোমাক স্বাগতম্। ০০০

(২)

## আন্ধাৰৰ সৈতে মুখামুখী

আশা নিৰাশা, নিৰাশাৰ নিশা
জুখি মাপি লাভ নাই, নুজুখিবা
হত্যা, লুণ্ঠন, শাসন, শোষণ
সিহঁতৰ লৌহ বুকুবোৰতো তোমালোক
কিয় থমকি ৰ'বা ?
আশা-নিৰাশা, নিৰাশা-আশা।
অন্যায় অনীতি কলমেৰে আচোঁৰা,
কলমক স্তব্ধ হবলৈ নিদিবা
কাৰাৰুদ্ধ জীৱনৰ বাকৰুদ্ধ গীত লিখি যোৱা
প্ৰতিজ্ঞা পত্ৰত চহী কৰা
অগ্নি পথেৰে গৈ থাকা
গৈ থাকা.... .... । ০০০

# সঁচা কবিতা

পূৰবী শইকীয়া
স্নাতক ৩য় বাৰ্ষিক

সাগৰৰ এক সুদূৰ প্ৰান্তত বহি
মই কবিতা লিখিছিলোঁ।
অকলশৰে।
এনেতে সিপাৰৰ কোনোবাই
প্ৰশ্ন কৰিলে—
"কোন বাৰু তুমি ?"
প্ৰশ্নৰ চঞ্চল বতাহ জাকে
মোৰ কণ্ঠ ৰোধ কৰিলে,
পাহৰি গ'লোঁ মোৰ ঠিকনা।
হঠাতে মোৰ কবিতাটি
প্ৰাণৱন্ত হৈ উঠিল
মই উত্তৰ দিলোঁ—
"জীৱনৰ সঁচা কবিতাত
মোৰ নাম "মিছা হাঁহি"। ০০০

---

অসমীয়াৰ গাত উচ্চ গুণসমূহ আছে, কিন্তু উপযুক্ত নায়কৰ প্ৰবৃত্তিবোৰে হৃদয় অন্ধকাৰ কৰি থয় আৰু তাৰ পৰা দেশৰ অনিষ্ট সাধন হয়।

—সূৰ্য্য কুমাৰ ভূঞা

# কবিতাৰ চিঠি

সাবদা বৰা
স্নাতক ৩য় বাৰ্ষিক

মৰমৰ ভাইটি,

এয়া স্নেহাশীষ তোলৈ। তোৰ বহুদিন
খবৰকে পোৱা নাই। কুশলে থাক।

কাকতত আমাৰ মেধিচুক গাওঁখনৰ খবৰ পাইছ চাগৈ ? পিছে
কাকতৰ বাতৰি.... .... .... ....?.... ....চাওঁ বক্তেৰে সিক্ত গাওঁখনৰ খবৰ-
বোৰ তুলিকাৰ অশ্ৰুৰে, তোৰ হিয়া পিয়লাত বাকি দিওঁ।.... ....এইবেলি
আমাৰ গাওঁখনত সৈন্যৰ অবাধ বিচৰণ হ'ল। নিজম ৰাতি মানুহৰ হাঁহা-
কাৰ ধ্বনি, কান্দোনৰ ক'ত যে কোলাহ'ল—"মোৰ ল'ৰাটো আৰু নাই"!
"কেঁচা তেজ জ্বলোঁতে বেছি পৰ নালাগে"। "দেশক ভালপোৱা মানেই
জানিবি মৰণ মিলিল।"

আৰু কি জান, এইবেলি মাঘ বিহুত ভেলা-ঘৰ, ম'হৰ যুঁজ নাই,
আছে মাথোঁ গণ-বিপ্লৱৰ সূচনা। আইতাৰ সাধুকথাৰ বহুত সলনি হ'ল।
শুনিছোঁ নগৰীয়া হাটবোৰত টকা হ'লেই বোলে—সন্মান, সংযম, সতীত্ব,
পুৰুষত্ব আৰু আত্ম-বিশ্বাস এই সকলো পায়। কিন্তু সেয়া আমাৰ নিচিনা
নে বাৰু.... .... ? গাওঁখনত শিক্ষিতৰ হাৰ বাঢ়িছে, কিন্তু মানৱতাৰ মৃত্যু
ঘটিছে। আমাৰ কলংঘাটটোত আজি কালি সঘনে উটি আহে কিছুমান
মৃত নৱজাতক। আমাৰ দাতুলটো এতিয়া ভালেমান ডাঙৰ হ'ল। সি....
মাকক কয়— "অ' মা, জন্ম আছে, পৰিচয় নাই,....তৃষ্ণা আছে, পানী নাই,
সমস্যা আছে, সমাধান নাই...., যৌৱন আছে, স্বীকৃতি নাই, প্ৰেম আছে,
পবিত্ৰতা নাই........। মা, আজিৰ মানুহে বিচাৰে আভিজাত্যৰ গৌৰৱ।"
........সি মাকক দেউতাকৰ কথা সুধি আমনি নকৰে। পিছে....

সতৃষ্ণ নয়নেৰে চাই থাকে, মাকৰ উকা কপালখন আৰু বগা সাজটোলৈ।

অ' আমি যে পঢ়িছিলো জংকী আৰু পানেইৰ কথা। তেনে প্ৰেম, তেনে সমাজ আৰু তেনে মন এতিয়া আৰু নাই। আজি কালি প্ৰেম মানেই যেন এক স্বকীয়া অভিনয়। যেন সস্তীয়া সামগ্ৰী, আৰু যেন উপহাৰ। দেশৰ কামত এতিয়া দাহুলৰ মাকে আত্মা-নিয়োগ কৰিছে।

হিমানি সিক্ত শেৱালিৰ দৰে মৰহি গৈছে ৰক্তাক্ত দেহ-মনবোৰ। আমাৰ দাহুলে আৰু কয়—

যুক্তি আৰু তথ্যৰ আধাৰত. সমাজবাদৰ ভিত্তিত সি হেনো অভিনৱ, বিজ্ঞানসম্মত এখন নিকা সমাজ গঢ়িব। তাৰ মানসিকতাক সহায় কৰিবি.... ....? কৰিবি দেইঁ। মই তাক বুকুৰ মাজতে জীয়াই ৰাখিছোঁ। উজ্জ্বল অনাগত দিনৰ কামনাৰে তোৰ চিনাকি চিনাকি নামটো—কবিতা।

০ ০ ০

বিঃ দ্ৰঃ—এটা জাতিক জীয়াই ৰখাৰ হেঁপাহত জুয়ে পোৰা ৮৩ত ভাইটি গুচি গ'ল। কোনো কাকতত তাৰ নামটো নাপালো। যাবৰ সময়ত মাথো কৈ গ'ল— গুলি লগা বুকুখনত হাত দি—

বাইদেউ, মোৰ তেজৰ বিনিময়ত ঘূৰাই আনিবি, জাতি আৰু দেশ।
মই আহিম, মই আহিম,
মই আকৌ আহিম। ০০০

# TO MY LOVE

Jaya Prabha Bodo
T. D. C 1st yr.

Today I wish to write
Most precious word for you,
Nay ! It's difficult to understand
What's more precious : words or you ?
I guess I know the answer—
About differences between the two,
I am sure you know it too
Will not ask for any clue.
With me is the problem
I can't my words ever disguise,
Also if I try
I am not able to tell lies.
Difficulty is now
You with whom do I compare.
Everything is present there
Still something is missing everywhere.
For me you scribble word.
All those I really treasure,
You believe me then I can
Reciprocate in full measure,
As I wite now
Sitting under the open sky
I really feel envious
When I see lovely birds fly
Your sweet talks and sweetly nature
Necessitate me this to write.
You remain in my heart
Even if you are out of sight. ooo

# CRUEL

Rinku Taran
H. S. 2nd yr.

Human life is full of struggle,
I thought for a while,
I saw him at a glance,
He did not move forward one step.
I understood his heart's voice
I remained a silent spectator
And not utteted a word
His cruel words
Put me off
I was helpless,
And unwanted by the cold world.
How cruel and dangerous
This world is !
I realised it late.

o o o

# সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন ঃ

*প্ৰতিবেদনৰ ৰাটচ'ৰাত ঃ*

কাকতখন হাতত তুলি লোৱাত হৃদয়খন সংকুচিত হৈ ৰ'ল—হত্যা, লুণ্ঠন, নিৰ্য্যাতন আৰু বহুত—এয়া বাৰু কি ? গণতন্ত্ৰ আৰু সন্ত্ৰাসৰ পাৰ্থক্য ক'ত ? জনগণৰ শান্তি-সম্প্ৰীতিবোৰ গণতন্ত্ৰ ৰক্ষকৰ বাৰুদৰ গুলিতে জ্বলি গৈছে ! আজিৰ বতাহত সদ্যপ্ৰস্ফুটিত ফুলৰ সুবাস নাই, আছে মাথো কেঁচা তেজ-মঙহৰ বিকট গোন্ধ। শান্তিকামী ন-পুৰুষৰ তেজে তিতা মাটিত বিদ্ৰোহৰ বীজ অংকুৰিত কৰিছে।

যি সকলে কপালৰ তিলক, বুকুৰ সন্তান আৰু প্ৰাণাধিক জীৱন স্বদেশ আৰু স্বজাতিৰ বাবে বিসৰ্জন দিলে, সেই সকলৰ প্ৰকৃত মূল্য কোনে, কেতিয়া দিব ?

"ছাত্ৰই দেশৰ ভৱিষ্যত" বুলি এষাৰ মহান বাক্য আছে। যদি প্ৰকৃতাৰ্থত ইয়াৰ সত্যতা আছে, তেন্তে আমাৰ কৰ্ত্তব্য কি ? ঘড়ীৰ কাঁটাৰ দৰে উদ্দেশ্য আগত ৰাখি আমি যত্নবান হোৱাটো বাঞ্চনীয়। বিজ্ঞানৰ প্ৰগতিৰ লগে লগে পৃথিৱীৰ আকাৰ সৰু হৈ পৰিছে। এনে মুহূৰ্ত্তত আমাৰ চিন্তা ধাৰাত যদি উদাৰতা আৰু দূৰদৰ্শিতা নাথাকে, তেন্তে আমি ছাত্ৰ শব্দৰ প্ৰকৃত অৰ্থৰ গৰাকী হ'ব নোৱাৰিম।

কৰ্মচেতনা আৰু জাতীয়তা-বোধ আনে জগাই তুলিব নোৱাৰে।। মানুহে মানুহক প্ৰেৰণাহে যোগাব পাৰে। জীৱনৰ সময় ৰেখা খুবেই চুটি; কিন্তু কৰ্ত্তব্য অসীম। গতিকে সময় সচেতনতাৰ প্ৰতি লক্ষ্য ৰাখি কৰ্ত্তব্য কৰিলে নিশ্চয় ভাল ফলাফল পোৱা যায়।

ইতিহাসৰ পাতত জিলিকি আছে সেই সকল মহামান্য নাৰীৰ নাম—মূলা গাভৰু, আই কনকলতা, শ্বহীদ কনকলতা, ভোগেশ্বৰী ফুকননী, ঝাঁচীৰাণী লক্ষ্মীবাই ইত্যাদি। তেওঁলোকৰ আদৰ্শক আমি সবে সুঁৱৰিব লাগিব। পিছে দুখৰ বিষয়—আমি তেনে এখন দেশৰ নাগৰিক হৈয়ো কৰ্ত্তব্যৰ ক্ষেত্ৰত পিছ হুহকি আছোঁ। এই বিষয়ত প্ৰতিগৰাকী ছাত্ৰী সজাগ হোৱাটো সমুচিত। সমাজৰ এচাম সুবিধাবাদী মানুহে নাৰীক অবলা শব্দৰ গৰাকী কৰি যৌতুকৰ বলি কৰি ক'ত যে নিৰ্য্যাতন ভোগাইছে ! এনে সমস্যাসমূহ আগত ৰাখি আমি জানো চাই থাকিলে হ'ব ? জ্ঞানৰ তৰোৱালত ধাৰ দি উঠি-পৰি লাগিব লাগিব। জাতি ধৰ্ম বৰ্ণ নিৰ্বিশেষে সকলোকে 'মোৰ' বুলিব পাৰিব লাগিব। তেতিয়াহে আমাৰ সাৰ্থক হ'ব মহাপুৰুষৰ জন্মোৎসৱ, শিল্পী দিৱস, ৰাভা দিৱস, ছহীদ দিৱস, লাচিত দিৱস আদি উদযাপন কৰাৰ। পৰম্পৰাগত ভাবে শ্বহীদ স্তম্ভত শ্ৰদ্ধাঞ্জলি নিবেদন কৰিলে, প্ৰকৃততে শ্বহীদৰ ত্যাগৰ মূল্যাঙ্কন কৰা নুবুজায়। শ্বহীদৰ ত্যাগক সুঁৱৰি, সেই ভাবাদৰ্শেৰে অনুপ্ৰাণিত হ'লেহে শ্বহীদ দিৱস উদ্‌যাপনৰ সাৰ্থকতা হ'ব।

***প্ৰতিবেদনৰ প্ৰাক্ মুহূৰ্ত্তত*** : সেইসকল পুন্যাত্মাৰ প্ৰতি মোৰ অশ্ৰুসিক্ত ***শ্ৰদ্ধাঞ্জলি*** জ্ঞাপন কৰিছোঁ—যিসকলে কলিজাৰ কেঁচা তেজেৰে স্বদেশৰ চৰণ ধুৱাই স্বজাতিৰ নাম উজ্জ্বলালে। যিসকলে অকালতে সতীত্বক বিসৰ্জন দিলে, যিসকলে শিৰৰ সেন্দুৰ অকালতে মচিলে—যিসকলে মাতৃৰ বুকু উদং কৰিলে—যিসকলে চিৰদিনলৈ পঙ্গুতাক সঙ্গী কৰি ললে - সেইসকলৰ প্ৰতি ***সমবেদনা*** জ্ঞাপন কৰিছোঁ।

***প্ৰতিবেদনৰ আৰম্ভণিতে*** : শাশ্বত শ্ৰদ্ধা নিবেদন কৰিছোঁ, যিসকলে অক্লান্ত চেষ্টা আৰু ত্যাগেৰে নগাওঁ ছোৱালী মহাবিদ্যালয়খন শিশুৰ পৰা যুৱতী কৰিলে। লগতে শাশ্বত শ্ৰদ্ধাঞ্জলি নিবেদন কৰিছোঁ চিৰ আৰাধ্য প্ৰতিষ্ঠাপক অধ্যক্ষ স্বৰ্গীয় মহেশচন্দ্ৰ দেৱ গোস্বামীলৈ।

শ্ৰীশ্ৰীশংকৰদেৱৰ জন্মভূমি এই নগাওঁ জিলাত ১৯৬২ চনৰ ১২ ছেপ্তেম্বৰত প্ৰতিষ্ঠা হোৱা একমাত্ৰ স্ত্ৰী শিক্ষাৰ ঐতিহ্যমণ্ডিত আমাৰ বালিকা মহাবিদ্যালয়খন। সময়ৰ চকৰি ঘূৰি ২৯ টা বসন্ত পাৰ কৰি সোণালী জয়ন্তীৰ পথত অগ্ৰসৰ হোৱা এইখন নগাওঁ ছোৱালী মহাবিদ্যালয়। এনেখন মহাবিদ্যালয়ৰ সহ সাধাৰণ সম্পাদিকাৰ দৰে এটি গুৰু দায়িত্ব আমাৰ ওপৰত ন্যস্ত কৰাত ভাবিছিলোঁ ছাত্ৰীসকলৰ গভীৰ বিশ্বাস আৰু আন্তৰিকতাৰ কথা। এই সুযোগতে আমাক মনোনীত কৰা ছাত্ৰীসকলকো ধন্যবাদ জ্ঞাপন কৰিছোঁ। লগতে যিসকল শিক্ষা-গুৰু, কৰ্মচাৰী আৰু ছাত্ৰী-বান্ধৱীয়ে আমাক সহায় আৰু দিহা-পৰামৰ্শ আগবঢ়ালে তেওঁলোকৰ ওচৰত ঋণী হৈ ৰলোঁ।

শপত গ্ৰহণৰ পিছতেই কলেজত বিদ্যাৰ অধিষ্ঠাত্ৰী ***শ্ৰীশ্ৰীসাৰদা দেৱীৰ*** পূজা ভাগ আৰু মহাবিদ্যালয়ৰ ***সপ্তাহ-সমাৰোহ*** উদ্‌যাপন কৰা হয়। উক্ত উৎসৱ মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভা, ছাত্ৰীসকল আৰু তত্বাৱধায়কসকলৰ সহায়ত উলহমালহেৰে উদ্‌যাপন কৰা হয়। মহাবিদ্যালয়ৰ সপ্তাহ সমাৰোহত ক্ৰীড়া, সংগীত আৰু সাংস্কৃতিক প্ৰতিযোগিতাৰ লগতে এখনি আকৰ্ষণীয় প্ৰদৰ্শনীও অনুষ্ঠিত হয়। এই সমাৰোহত বহু সংখ্যক ছাত্ৰীৰ প্ৰতিভা বিকাশৰ দিশ উন্মোচিত হয়। প্ৰতিযোগিতাসমূহত অংশ লৈ বিজয়ী হোৱা সকলক ধন্যবাদ আৰু পৰাজয় হোৱা সকলক ভৱিষ্যতে উৎসাহিত হবলৈ শুভেচ্ছা যাচিছোঁ। কলেজৰ নাটক অভিনয়ত শ্ৰেষ্ঠ আসন লাভ কৰে শ্ৰীবিভা ভৰালীয়ে আৰু শ্ৰীবৰ্ণালী শইকীয়াই শ্ৰেষ্ঠ গায়িকাৰ সন্মান অৰ্জন কৰে। শ্ৰীকল্পনা বৰুৱাই দৌৰ ৰাণী সন্মান লাভ কৰে। সমাৰোহৰ মুকলি সভাত অধ্যক্ষ শ্ৰীযুত বিমল কুমাৰ বৰাদেৱে কাৰ্য্যসূচী পৰিচালনা কৰে। মুখ্য অতিথি শ্ৰীযুত ধৰ্ম মহন্ত, নিৰ্দিষ্ট বক্তা জিলা উপায়ুক্ত শ্ৰীযুত জিতেন্দ্ৰ নাথ শৰ্মা আৰু শ্ৰীযুতা লীলা দেৱীয়ে তেখেতসকলৰ ভাষণতে ছাত্ৰীসকলক যথেষ্ঠ উৎসাহ-উদ্দীপনা যোগায়। এই মহাৰোহৰ সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰে মো° চামচুদ্দিন আহমেদে।



পৰম্পৰাগত ভাবে আমি মহাপুৰুষ শ্ৰীশ্ৰীশংকৰদেৱ আৰু মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱৰ তিথি ভাগো পালন কৰোঁ—যথাক্ৰমে প্ৰাতঃভ্ৰমণ, নাম-কীৰ্ত্তন, বৰগীত প্ৰতিযোগিতা আৰু বক্তৃতা প্ৰতিযোগিতাৰে।

ইং ১২।৯।৯১ তাৰিখে মহাবিদ্যালয়ৰ ***৩০তম প্ৰতিষ্ঠা দিৱস*** বিভিন্ন কাৰ্য্যসূচীৰে পালন কৰা হয়। উক্ত দিৱসত কলেজ পৰিচালনা সমিতিৰ সভাপতি শ্ৰীদিলীপ শৰ্মাই মুকলি সভাত সভাপতিত্ব কৰে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ড° নিৰ্মল কুমাৰ চৌধুৰীদেৱে বিশিষ্ট অতিথিৰ আসন সুশোভিত কৰে। উক্ত দিনতেই আমাৰ দেৱাল আলোচনী 'কণ্ঠত কণ্ঠ মিলাই' মুকলি কৰে ড° চৌধুৰীদেৱে। সম্পাদনা কৰে কৰবী ফুকনে (কলেজ আলোচনী সম্পাদিকা)।

আমাৰ সাধাৰণ সম্পাদিকাৰ কাৰ্য্যকালত সাতখন ***কাৰ্য্য নিৰ্বাহক*** সভা অনুষ্ঠিত হয়। কাৰ্য্য নিৰ্বাহক সভাত ছাত্ৰী আৰু কলেজৰ উন্নয়নৰ বাবে গ্ৰহণ কৰা প্ৰস্তাৱসমূহৰ কিছু কাৰ্য্যকৰী হৈছে। দহটা দাছবিন, দহটা দুৱাৰযুক্ত এটা আলমাৰী, কলেজ ভৱনৰ উন্নীতকৰণ, ছাত্ৰী একতা সভাৰ সুবিধাৰ্থে ব্যক্তিগত চিল আৰু পত্ৰ লিখনীৰ ব্যৱস্থা, ছাত্ৰী একতা সভাৰ সদস্যাসকলক ব্লেজাৰ প্ৰদান, ছাত্ৰীসকলৰ সুবিধাৰ্থে নগাওঁ চহৰৰ পৰা ১৫/১৬ কিলোমিটাৰ নিলগৰ কেৰাখনো ঠাইলৈ চিটিবাছ প্ৰচলনৰ ব্যৱস্থা, ছাত্ৰীসকলৰ বাছৰ ভাড়া শতকৰা ৫০ ভাগ ৰেহাইৰ ব্যৱস্থাৰ বাবে নগাঁও জিলাৰ উপায়ুক্ত শ্ৰীযুত জিতেন্দ্ৰ কুমাৰ শৰ্মাৰ লগত আলোচনা। (বিভিন্ন কাৰণত দুই এটা পথৰ যাত্ৰী ছাত্ৰীসকলৰ বাবেহে ই সফলতা লাভ কৰিলে।)

১৯৯০-৯১ চনৰ বছৰটোত ছাত্ৰী আৰু বাইজৰ অহা-যোৱাৰ উপকাৰ তথা কলেজৰ চৌহদৰ সৌন্দৰ্য্যবৰ্ধক দুটা মহৎ কাম সাধন হৈছে। কলেজৰ সন্মুখৰ বোকা পানী শিলগুটিৰে আৱৰ্জনাময় হৈ থকা মথাউৰি অংশ ***পকীকৰণ*** আৰু কলেজৰ সন্মুখেদি এখনি ***দলং*** নিৰ্মাণ। অসমৰ মাননীয় মুখ্য মন্ত্ৰী শ্ৰীযুত প্ৰফুল্ল কুমাৰ মহন্তৰ কৃপা দৃষ্টিত পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ অনুমোদন মঞ্জুৰীৰে উক্ত মহৎ কাম দুটা হৈ উঠা বাবে শ্ৰদ্ধেয় মহন্তদেৱলৈ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। গড়কাপ্তানী বিভাগ আৰু দিশপুৰৰ লগত নেৰানেপেৰাকৈ লাগি থাকি কাম দুটা আদায় কৰাৰ ক্ষেত্ৰত আগ ভাগ লোৱা বাবে অধ্যাপক শ্ৰীযুত তিলক চন্দ্ৰ মজুমদাৰ চাৰলৈ আৰু গড়কাপ্তানি বিভাগৰ সংশ্লিষ্ট কৰ্মকৰ্ত্তা-বিষয়া-কৰ্মচাৰী বৃন্দলৈও কৃতজ্ঞতা জনালোঁ। আমি দাবী জনোৱা মতে পকীকৃৎ পথছোৱা প্ৰতিষ্ঠাতা অধ্যক্ষ ***মহেশ চন্দ্ৰদেৱ গোস্বামী পথ*** নামেৰে নামকৰণ কৰাৰ ক্ষেত্ৰত সহাৰি পোৱা দেখা গৈছে। দলংখন অধ্যাপক শ্ৰীযুত মজুমদাৰ চাৰে কোৱা মতে **'সতী ৰাধিকা সাকোঁ'** নামকৰণ হোৱাটো কামনা কৰোঁ।

যোৱা ৯ চেপ্তেম্বৰ তাৰিখে সদৌ অসম ***ভেজদান আঁচনি*** নগাঁও জিলা গোটৰ জৰিয়তে

এটি তেজদান আচঁনি গোট আমাৰ মহাবিদ্যালয়ত খোলা হয়। উক্ত গোটৰ সভানেত্ৰী পূৰবী শইকীয়া আৰু সাধাৰণ সম্পাদিকা শ্ৰীসাৰদা বৰা। উপদেষ্টা তিনিগৰাকী : অধ্যক্ষ শ্ৰীবিমল কুমাৰ বৰা, অধ্যাপক ফাইজুৰ ৰহমান আৰু অধ্যপক শ্ৰীদিব্যজ্যোতি মহন্ত আৰু ৮ গৰাকী সদস্যা।

শ্ৰেণী কোঠাসমূহত প্ৰয়োজনীয় কিছু ডেস্ক, বেঞ্চ আৰু বিজুলী বিছনীৰ অভাৱ দূৰ কৰা, ছাত্ৰী জিৰণি কোঠাৰ পেচাবাগাৰত পানীৰ ব্যৱস্থা কৰা ইত্যাদি উল্লেখযোগ্য।

ইয়াৰ বাহিৰেও ***ৰাষ্ট্ৰীয় সমাজ সেৱাৰ*** জৰিয়তে মহাবিদ্যালয় চৌহদ, শ্ৰেণী কোঠা পৰিষ্কাৰ আৰু শ্বহীদ বেদীকে ধৰি চৌহদৰ বৃক্ষত ৰগা ৰং দিয়া হয়। উক্ত কামত হাতে-কামে সহায় কৰে ছাত্ৰী নিৰ্বাসৰ (হুয়োটা) ছাত্ৰীসকলে। মহাবিদ্যালয় চৌহদৰ সৌন্দৰ্য্য বিকাশৰ বাবে আমি সামাজিক বনানিকৰণ বিভাগৰ তৰফৰ পৰা গছ পুলি আনি ৰোৱাৰ ব্যৱস্থা কৰিছিলোঁ। কিন্তু ৰাস্তা পকীকৰণৰ কাম চলি থকাৰ বাবে উক্ত কাম সম্পূৰ্ণ কৰিব নোৱাৰিলোঁ।

২০ চেপ্তেম্বৰ তাৰিখটো আপোনাসবৰ লগতে আমাৰ বাবেও স্মৰণীয় হৈ ৰ'ব। ***নবাগত আদৰণি সভা***—পৰম্পৰাগত ভাবে চলি অহা এটা উৎসৱ। ইয়াৰ অন্ততঃ সদায় এটা মাধুৰ্য্য আছে, ই কেৱল হৃদয়ঙ্গমৰ হে বস্তু। এই সভাত সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত বিমল কুমাৰ বৰা ডাঙৰে। মুখ্য অতিথি আৰু নিৰ্দিষ্ট দ্বয় বক্তা ক্ৰমে শ্ৰীসত্যব্ৰত কলিতা (G.B.C.!! ), শ্ৰীযুত আনন্দ মোহন ভাগৱতী (যুটীয়া সাংস্কৃতিক সঞ্চালক, অসম) আৰু যুত হৰিমোহন গোস্বামীদেৱে ( অধ্যক্ষ কবৈয়ণী উচ্চতৰ মাধ্যমিক বিদ্যালয় )। সাংস্কৃতিক অনুষ্ঠান মুকলি কৰে শ্ৰীযুত আনন্দ মোহন ভাগৱতী আৰু শ্ৰীকৃষ্ণমণি নাথে। তেখেতসকলৰ সাৰুৱা ভাষণে নতুনৰ ছাত্ৰসকলক যথেষ্ট প্ৰেৰণা যোগায়।

যোৱা ২০ নবেম্বৰত অধ্যাপক ***৺বিনয় বৰাৰ স্মৌৰৱণত*** পৰম্পৰাগত ভাবে পাতি অহা আন্তঃ-মহাবিদ্যালয় তৰ্কপ্ৰতিযোগিতা আয়োজন কৰোঁ।

***অভাৱৰ শিতান***—নগাওঁ জিলা তথা মধ্য অসমৰ একমাত্ৰ স্ত্ৰী শিক্ষাৰ মহাবিদ্যালয়খনে যুৱতী অৱস্থা পোৱাৰ পিছতো সীমাহীন অভাৱে বেৰি আছে। তলত ক্ৰমানুসাৰে অভাৱসমূহ উল্লেখ কৰা হ'ল—

শ্ৰেণী কোঠাৰ অভাৱ, পুথি ভৰাঁলৰ পাঠ্য-পুথিৰ অভাৱ, পুথি ভৰাঁলৰ আহল বহল অধ্যয়ন কক্ষৰ অভাৱ। ছাত্ৰী একতা সভা আৰু ছাত্ৰী জিৰণি কোঠা দুটাৰ সম্প্ৰসাৰণৰ ব্যৱস্থা কৰিব লাগে। জিৰণি কোঠাত আসনৰ পৰিমাণ কম হোৱাৰ ফলত ছাত্ৰীসকলে দলং আৰু কলংৰ কাষত বহা দেখা যায়। খোৱা পানীৰ উপযুক্ত ব্যৱস্থা, পেচাবাগাৰত পানীৰ অভাৱ, ছাত্ৰী নিবাস দুটাৰ পানীৰ অভাৱ, স্থায়ী কেন্টিনৰ অভাৱ, চাইকেল, স্কুটাৰ ষ্টেণ্ডৰ অভাৱ। উক্ত অভাৱসমূহ দূৰ কৰি সুন্দৰ শৈক্ষিক পৰিবেশ এটা গঢ়ি তুলিবলৈ পুনৰ কৰ্তৃপক্ষক দাবী জনালোঁ।



***পৰবৰ্ত্তী কাৰ্য্য নিবাহকৰ প্ৰতি*** : *নগাঁও ছোৱালী মহাবিদ্যালয়ৰ দুটা বিশেষ পৰম্পৰা—সময় আৰু নিৰ্দ্ধাৰিত পোছাকৰ পৰম্পৰাৰ মৰ্য্যাদা ৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখিবলৈ পৰবৰ্ত্তী কাৰ্য্য নিৰ্ব্বাহকৰ প্ৰতি অনুৰোধ থাকিল।

* কলেজ প্ৰতিষ্ঠা হোৱাৰ পৰা আজিলৈকে যিমান সাঃ সম্পাদিকা হৈছে প্ৰত্যেক গৰাকীৰ চিনস্বৰূপে নাম সমূহ লিপিবদ্ধ কৰিব লাগে।

* কলেজ চলি থকা সময়ত কলেজৰ সন্মুখৰ পথেৰে বাহিৰা লোকে দ্ৰুত গতিত চলাই থকা বাহন দুচকীয়াই বা চাৰিচকীয়াই হওক অহা-যোৱা বন্ধ কৰিব লাগে।

* নগৰৰ উপকণ্ঠ বা ওচৰৰ গাঁওবোৰৰ পৰা অহা ছাত্ৰীসকলৰ বাছ ভাড়া ৰেহাইৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিব লাগে। এই বিষয়ত আমাৰ কাম আধাৰুৱা হৈ ৰ'ল।

- গ্ৰন্থাগাৰটো স্থায়ী ঠাইলৈ স্থানান্তৰিত কৰিব লাগে।
- পৰিবেশ সুন্দৰ কৰিবলৈ আৰু ছাত্ৰী-সকলৰ মন আকৰ্ষণৰ বাবে এখনি ফুলনি বাগিছা লাগে।
- ছাত্ৰী জিৰণি কোঠা সম্প্ৰসাৰণ খৰকতীয়া কৰিব লাগে।

আমাৰ কাৰ্য্যকালত নগাওঁ 'জিলা' আৰু 'অঞ্চলিক' ছাত্ৰসন্থা, "জিলা মহিলা পৰিষদ" "মানৱ অধিকাৰ সাংগ্ৰাম সমিতি" আৰু নগাওঁ জিলাৰ জনসাধাৰণৰ আহবানত হোৱা প্ৰতিটো কাৰ্য্যসূচীত অংশ গ্ৰহণ কৰোঁ।

আজি কিন্তু স্ত্ৰীশিক্ষাৰ প্ৰয়োজনীয়তাৰ ক্ষেত্ৰত আমি কিছু কথা চিন্তা কৰিব লগীয়া হৈছে। আৰ্থিক বা পাৰিবাৰিক কোনো কাৰণত ইচ্ছা থকা সত্বেও ছাত্ৰীসকলে উচ্চশিক্ষা লোৱাত বাধা জন্মে, ফলত অধ্যয়ন এৰি নিবনুৱাৰ লাইন দীঘল কৰে। সেই কাৰণে মহাবিদ্যালয়ত স্নাতকোত্তৰ শ্ৰেণীৰ বিশেষকৈ শিক্ষা বিষয় খোলাৰ দিহা কৰিব লাগে।

***কৃতজ্ঞতা জ্ঞাপন*** : আমাৰ কাৰ্য্যকালত বিভিন্ন দিশত সহায়-সহযোগিতা আগবঢ়োৱা অধ্যক্ষ শ্ৰীযুত বিমল বৰা, অধ্যাপক (সকল) শ্ৰীযুত দিব্যজ্যোতি মহন্ত, শ্ৰীযুত যোগেন্দ্ৰ নাৰায়ণ ভূঞা, শ্ৰীযুত কৃষ্ণ বৰা, ড° জ্যোতি চক্ৰবৰ্ত্তী, শ্ৰীযুত ললিত বৰবৰা, মোঃ ফাইজুৰ ৰহমান, শ্ৰীযুত তিলক চন্দ্ৰ মজুমদাৰ, অধ্যাপিকা শ্ৰীযুতা হিমাদ্ৰি দেৱী, শ্ৰীযুতা মঞ্জু লস্কৰ বাইদেউ প্ৰমুখ্যে শ্ৰদ্ধাৰ শিক্ষাগুৰু সকল, কৰ্মচাৰীসকলক মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ লগতে ছাত্ৰী নিৰ্বাসৰ ছাত্ৰীসকল আৰু ছাত্ৰী একতা সভাৰ সতীৰ্থসকলৰ শলাগ লৈছো। পাৰ হৈ যোৱা দিনবোৰত সজ্ঞানে কাৰোবাক আঘাতৰ হুলেৰে হনা নাই, অজ্ঞানে যদি কাৰোবাক আঘাত দিছিলোঁ, তেন্তে ক্ষমা বিচাৰি কলেজৰ চিৰসেউজ ভৱিষ্যত কামনা কৰি প্ৰতিবেদনৰ তুলিকা বোলাইছোঁ।

শেষত লক্ষ্মীনাথ বেজবৰুৱাদেৱৰ ভাষাৰে কওঁ :

"বাজক ডবা, বাজক শংখ, বাজক মৃদং খোল।
অসম আকৌ উন্নতি পথত জয় আই অসম বোল।"

"জয়তু নগাঁও ছোৱালী কলেজ"

"জয়তু নগাঁও ছোৱালী কলেজ ছাত্ৰী একতা সভা ॥

"জয় আই অসম ॥

***শ্ৰীসাৰদা বৰা***

সাধাৰণ সম্পাদিকা ভা, প্ৰা,

॥ কলেজ ছাত্ৰী একতা সভা ॥

## সাংস্কৃতিক সম্পাদিকাৰ প্ৰতিবেদন ঃ

অসমৰ শিক্ষা জগতত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিবলৈ সক্ষম হোৱা নগাওঁ ছোৱালী মহাবিদ্যালয় এটি অন্যতম শিক্ষানুষ্ঠান। এই অনুষ্ঠানটিৰ ছাত্ৰী একতা সভাৰ ১৯৯০-৯১ চনত বিনা প্ৰতিদ্বন্দ্বিতাৰে সাংস্কৃতিক সম্পাদিকা হ'বলৈ পাই মই নিজে গৌৰান্বিতা। এই সুযোগতে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰীলৈ মোৰ হিয়া ভৰা ওলগ, কৃতজ্ঞতা যাচিলোঁ। মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকললৈ মোৰ শ্ৰদ্ধা নিবেদিলোঁ।

বৰ্ত্তমান শিক্ষা জগতত পদক্ষেপ ৰাখিব পৰাকৈ বলিষ্ঠ সক্ষমতাপূৰ্ণ প্ৰত্যয় নগাঁও ছোৱালী মহাবিদ্যালয়ৰ আছে। এই প্ৰত্যয় সবল কৰিবলৈ সাংস্কৃতিক দিশবো গুৰুত্ব অপৰিসীম। ছাত্ৰীসমূহৰ সাংস্কৃতিক চেতনা জগাই তুলি মহাবিদ্যালয় আৰু দেশখনৰ সংস্কৃতিত বৰঙণি যোগোৱাৰ ক্ৰমানুগত প্ৰচেষ্টা মহাবিদ্যালয়খনিৰ প্ৰতিষ্ঠাৰে পৰা আছে। এই দিশতে মোৰ কাৰ্য্যকালত কিমান দূৰ ফলপ্ৰসূ হ'ব পাৰিলোঁ সেইয়া ছাত্ৰী আৰু মহাবিদ্যালয়ৰ কৰ্ত্তৃপক্ষয়েহে জানে।

এই প্ৰতিবেদনত মোৰ দিনত হোৱা কৰ্মৰাজিৰ কিছু সংক্ষিপ্ত বিৰৰণ দাঙি ধৰাৰ প্ৰয়াস কৰা হ'ল। সাংস্কৃতিক সম্পাদিকাৰ দৰে গধুৰ দায়িত্ব ভাৰ গ্ৰহণ কৰিয়েই পোনতে শ্ৰীশ্ৰীসৰস্বতী পূজা ভাগ পাতিব লগীয়া হয়। কলেজৰ বাছনি পৰীক্ষা নিচেই ওচৰত হোৱাৰ কাৰণে ছাত্ৰীসকলৰ মাজত বাণী-বন্দনা অনুষ্ঠানটি পাতিব পৰা নগ'ল।

বিগত বছৰ কেইটিৰ দৰে এইবছৰো আমাৰ মহাবিদ্যালয়ত চাৰিদিনীয়া বিস্তৃত কাৰ্য্যসূচীৰে কলেজ সপ্তাহ সমাৰোহ আৰম্ভ কৰা হয়। এই উপলক্ষে আবৃত্তি, আকস্মিক বক্তৃতা, কবিতা, ভাৰতীয় সাজ-সজ্জাৰ প্ৰতিযোগিতা পতা হয়। প্ৰতিযোগিতাসমূহত ছাত্ৰীসকলে প্ৰত্যেকটো প্ৰতিযোগিতাতে অংশ গ্ৰহণ কৰি প্ৰতিযোগিতাৰ মানদণ্ড উন্নত কৰিছিল। কলেজ সপ্তাহ আৰম্ভণিৰ দুৱাৰ মুকলি কৰে এখনি প্ৰতিযোগিতামূলক প্ৰদৰ্শনীৰে। এই প্ৰদৰ্শনীৰ দ্বাৰ মুকলি কৰে অসমৰ স্বনামধন্য বিখ্যাত শিল্পী শ্ৰীযুত প্ৰণৱ কুমাৰ বৰুৱাদেৱে। তেখেতে গৌৰৱেৰে প্ৰকাশ কৰিছে যে পূৰ্বতকৈ এইবাৰৰ প্ৰদৰ্শনীখন উচ্চ মানৰ হৈছে। এই প্ৰতিযোগিতাত যথেষ্ট সংখ্যক প্ৰতিযোগীয়ে যোগদান কৰি প্ৰদৰ্শনীৰ সৌষ্ঠৱ বৃদ্ধি কৰাৰ লগতে গৌৰৱৰ থল ৰাখি যায়। প্ৰতিযোগিতাসমূহৰ বঁটা প্ৰদান কৰে নগাঁও জিলাৰ উপাযুক্ত শ্ৰীযুত জিতেন শৰ্মাদেৱে।

অসমীয়া সংস্কৃতিৰ মূলাধাৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীমন্ত মাধৱদেৱৰ তিথি কেইটিও পূৰ্বৰ দৰে মহাবিদ্যালয়ত পালন কৰা হয়। এই তিথি উপলক্ষে ছাত্ৰীসকলৰ মাজত বৰগীত, বক্তৃতা প্ৰতিযোগিতাৰ আয়োজন কৰা হয়।

মুঠৰ ওপৰত মহাবিদ্যালয়ৰ সাংস্কৃতিক ঐতিহ্য ৰক্ষা কৰাত যৎপৰোনাস্তি চেষ্টা আমি কৰিলোঁ। আমাৰ কাৰ্য্যত হোৱা ভুল-ক্ৰটিৰ মাৰ্জনা সদৌটিৰে পৰা বিচাৰিলোঁ। আগলৈ মহাবিদ্যালয়ৰ সাংস্কৃতিক দিশ উজ্জলতৰ হোৱাৰ কামনাৰে এই প্ৰতিবেদন সামৰিলোঁ।

*কবিতা বৰা,*
সম্পাদক, সাংস্কৃতিক বিভাগ।

## তৰ্ক আৰু নাট বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন ঃ

অসমৰ স্ত্ৰীশিক্ষাৰ শিক্ষানুষ্ঠান সমূহৰ ভিতৰত নগাঁও জিলা তথা অসমৰ একমাত্ৰ স্ত্ৰীশিক্ষানুষ্ঠান হ'ল নগাঁও ছোৱালী মহাবিদ্যালয়। প্ৰতিবেদনৰ প্ৰাক্ মুহূৰ্ততেই যিজনা মহান ব্যক্তিৰ প্ৰচেষ্টাত এই মহাবিদ্যালয়খনি প্ৰতিষ্ঠা হ'ল সেইজনা প্ৰতিষ্ঠাপক অধ্যক্ষ প্ৰয়াত মহেশ চন্দ্ৰ দেৱ গোস্বামী চাৰলৈ মোৰ শ্ৰদ্ধাঞ্জলি নিবেদিছোঁ। লগতে মোৰ চিৰ পূজ্য শিক্ষাগুৰু সকললৈকো মোৰ প্ৰণিপাত জনাইছোঁ।

যিসকল শ্বহীদ ভ্ৰাতৃ-ভগ্নীয়ে অসমী আইৰ বাবে অকালতে প্ৰাণ আহুতি দিলে সেইসকল পুণ্যাত্মালৈ মোৰ শত সহস্ৰ প্ৰণাম জনাই মোৰ প্ৰতিবেদন আৰম্ভ কৰিলোঁ।

বিগত ১৯৯০-৯১ চনৰ ছাত্ৰী একতা সভাৰ তৰ্ক আৰু নাট বিভাগৰ সম্পাদিকা হিচাপে মনোনীত কৰি সেৱাৰ সুবিধা দিয়া বাবে সকলো ছাত্ৰী বান্ধৱীলৈকে মই কৃতজ্ঞতাৰ শৰাই আগ বঢ়ালোঁ। মোৰ কাৰ্য্যকালত তৰ্ক আৰু নাট বিভাগৰ ক্ষেত্ৰত কিমানখিনি সফলতা অৰ্জন কৰিছো সেয়া বিচাৰ্য্যৰ বিষয়। তথাপিও যিমান দূৰ কৰিম বুলি ভাবিছিলোঁ সেয়া একো হৈ নুঠিল।

কাৰ্য্যভাৰ লোৱাৰ পিছতেই বৰ ধুমধামেৰে "কলেজ সপ্তাহ সমাৰোহ" খনি পতা হয়। এই সমাৰোহত কুইজ প্ৰতিযোগিতা, তৰ্ক প্ৰতিযোগিতা আৰু একাংকিকা নাট প্ৰতিযো-

গিতা আদি বিভিন্ন প্ৰতিযোগিতাৰ আয়োজন কৰোঁ। এয়াই আছিল মোৰ কাৰ্য্যসূচীত প্ৰথম পদক্ষেপ। এই সুযোগতে মই "কলেজ সপ্তাহ সমাৰোহ"ত তৰ্ক আৰু একাংকিকা নাট প্ৰতি যোগিতাত বছৰৰ শ্ৰেষ্ঠা তাৰ্কিক আৰু শ্ৰেষ্ঠা অভিনেত্ৰীৰ সন্মান লাভ কৰা বাইদেউ শ্ৰীবিভা ভৰালীলৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ।

উল্লেখযোগ্য যে আমাৰ মহাবিদ্যালয়ত প্ৰতি বছৰে পৰম্পৰাগত ভাবে '৺ বিনয় চন্দ্ৰ বৰা স্মাৰক সদৌ অসম আন্তঃমহাবিদ্যালয় তৰ্ক প্ৰতিযোযিতা' খনি পাতি অহা হৈছে। এইবাৰো ১৯৯১ চনৰ ১৮ নৱেম্বৰ, সোমবাৰে দিনৰ ১০.৩০ বজাত এই প্ৰতিযোগিতা খনি চতুৰ্থবাৰৰ বাবে পাতিবলৈ ব্যৱস্থা কৰোঁ। এই প্ৰতিযোগিতাৰ বিষয় আছিল—"***সহস্ৰ সংগ্ৰাম অসমৰ আৰ্থ-সামাজিক-ৰাজনৈতিক সমস্যা সমাধানৰ একমাত্ৰ পথ হ'ব নোৱাৰে***।" ইয়াত অসমৰ বহু কেইখন কলেজৰ ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰে। এই প্ৰতিযোগিতাত প্ৰথম স্থান অধিকাৰ কৰা নগাঁও মহাদ্যিালয়ৰ প্ৰতিযোগী দললৈ আৰু দ্বিতীয় স্থান অধিকাৰ কৰা নগাঁও আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ প্ৰতিযোগী দললৈ মোৰ অভিনন্দন আগবঢ়ালো। প্ৰতিযোগিতাত বিশেষ পাৰদৰ্শিতা প্ৰদৰ্শন কৰা পুৰণিগুদাম বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ৰ প্ৰতিযোগীসকলৰ লগতে অন্যান্য মহাবিদ্যালয়ৰ অংশ গ্ৰহণকাৰী প্ৰতিযোসকললৈকো শলাগ যাঁচিলোঁ।

মোৰ কাৰ্য্যকালত প্ৰতি ক্ষেত্ৰতে দিহা-পৰামৰ্শ দি সহায় কৰাৰ বাবে শ্ৰদ্ধেয় শিক্ষাগুৰু (সকল) শ্ৰীললিত বৰবৰা, শ্ৰীদিব্যজ্যোতি মহন্ত, শ্ৰীহৰেন বৰা, মঃ ফাইজুৰ ৰহমান চাৰলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। মোৰ সকলো কামতে সহায়-সহযোগিতা আগবঢ়োৱা মৰমৰ বান্ধৱী সাৰদা, কবিতা, প্ৰণামিকা, মৰমী, জ্যোতিৰেখা, পৰী, ৰশ্মি, হৃদমণি, কপাইতৰ প্ৰতিও মোৰ স্মৃতি সদায় সজীৱ হৈ ৰ'ব।

সদৌ শেষত, মোৰ কাৰ্য্যকালত অজানিতে হৈ যোৱা ভুল-ভ্ৰান্তিৰ বাবে মই সকলোটিৰে ওচৰত ক্ষমা ভিক্ষা মাগিছোঁ। সমূহ ছাত্ৰী বান্ধৱীৰে উজ্জ্বল ভৱিষ্যত কামনা কৰি মোৰ প্ৰতিবেদন ইমানতে সামৰিছোঁ।

***পূৰবী শইকীয়া,***
সম্পাদিকা, তৰ্ক আৰু নাট বিভাগ।